www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

অতীত আৰু বৰ্তমানক লৈ তৰ্কত লিপ্ত হোৱাটোক‌ে অৰ্থহীন কথা আৰু একো নাই। কাৰণ তাৰ পৰা আমি হেৰুৱাও আমাৰ বৰ্তমানক। - উইনষ্টন চাৰ্চিল।

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ২৭০ | মঙ্গলবাৰ | ৩০ ডিচেম্বৰ, ২০২৫ চন | ১৪ পুহ, ১৯৪৭ শক | VOL - 6 | NO.- 270 | Tuesday | 30th December, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

## শ্বহীদ স্মাৰক ক্ষেত্ৰত বীৰ শ্বহীদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন অমিত শ্বাহৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৯ ডিচেম্বৰ ঃ** অসম আন্দোলনৰ বীৰ শ্বহীদসকলৰ ত্যাগ আৰু বলিদানৰ স্মৃতি চিৰস্থায়ী কৰি ৰখাৰ উদ্দেশ্যে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মিত শ্বহীদ ৬ পৃষ্ঠাত

■ ১১০.৯৮ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা হৈছে ৮ মহলীয়া আৰক্ষী আয়ুক্তৰ ভৱনটো ■

## গুৱাহাটী আৰক্ষী আয়ুক্তৰ নতুন ভৱন আৰু ইণ্টেলিজেণ্ট চিটি চাৰ্ভিলেন্স চিষ্টেম উদ্বোধন গৃহমন্ত্ৰী অমিত শ্বাহৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৯ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সোমবাৰে গুৱাহাটীত আৰক্ষী ব্যৱস্থাৰ আধুনিকীকৰণৰ দিশত এক ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰে। তেওঁ খানাপাৰাত অৱস্থিত গুৱাহাটী আৰক্ষী আয়ুক্তৰ নতুন স্থায়ী কাৰ্যালয় ভৱন আৰু ইণ্টেলিজেণ্ট চিটি চাৰ্ভিলেন্স চিষ্টেম (ICSS) উদ্বোধন ৬ পৃষ্ঠাত

## তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰতিবাদৰ ১০০ দিন সম্পূৰ্ণ

### যৌথ মঞ্চৰ ২৪ ঘণ্টীয়া অনশন আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, তেজপুৰ, ২৯ ডিচেম্বৰ ঃ** অসমৰ শোণিতপুৰ জিলাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত তেজপুৰ বিশ্ববিদ্যালয়ত উপাচাৰ্য শম্ভুনাথ ৬ পৃষ্ঠাত

## যোগীঘোপাৰ সাপ্তাহিক বজাৰত বন বিভাগৰ অভিযান

### দমে দমে উদ্ধাৰ চোৰাং কাঠ

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ২৯ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপাৰ কাবাই টাৰীত সাপ্তাহিক বজাৰত আজি প্ৰশাসনৰ বুল্ডজাৰৰ এক ৬ পৃষ্ঠাত

❑ বটদ্ৰৱা প্ৰকল্প মুকলি কৰি '২৬ৰ নিৰ্বাচনী ৰণশিঙা বজালে অমিত শ্বাহে ❑

# "মুক্তিত নিস্পৃহ যিটো, সেহি ভকতক নমো"

## পুনৰ ৫ বছৰলৈ বিজেপিক শাসনভাৰ দিলে অসমক সম্পূৰ্ণ বিদেশীমুক্ত কৰাৰ ঘোষণা

**বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প স্থলীৰ পৰা দ্বীপেন শইকীয়া, নগাঁও, ২৯ ডিচেম্বৰ ঃ** বটদ্ৰৱাত নৱনিৰ্মিত আবিৰ্ভাৱ ক্ষেত্ৰৰ সোমবাৰে আনুষ্ঠানিকভাবে মুকলি কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। কেন্দ্ৰীয় গৃহমন্ত্ৰী জনক পাটৰ চেলেং, পাটৰ গামোচা, গুৰু আসনৰ ফটোৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাকে ধৰি উদ্যোক্তাসকলে সম্বৰ্ধনা জনায়। কেন্দ্ৰীয় গৃহমন্ত্ৰী জনক আদৰণি জনোৱাৰ উদ্দেশ্যে গায়ন বায়নৰ খোল বাদন, আয়তী সকলৰ নাম, বৰঢোল বাদন আদি প্ৰদৰ্শন হয়। অনুষ্ঠানৰ প্ৰথমে নগাঁও- বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰে। ৭ পৃষ্ঠাত



'বটদ্ৰৱা প্ৰকল্প' মুকলি অনুষ্ঠানত বেদলকাৰীক লক্ষ্য

## গৃহমন্ত্ৰীৰ উপস্থিতিত এটা দশকৰ ভিতৰত অসমীয়া জাতিক মহাশক্তিলৈ ৰূপান্তৰৰ সংকল্প মুখ্যমন্ত্ৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, নগাঁও, ২৯ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উদ্বোধন কৰা বহু প্ৰত্যাশিত বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্পৰ ৰাজহুৱা সভাত মুখ্যমন্ত্ৰী ৬ পৃষ্ঠাত


পাকিস্তানৰ বক্তব্যক নাকচ ভাৰতৰ

## ভাৰতৰ সংখ্যালঘুৰ ওপৰত আক্ৰমণৰ অভিযোগ ভিত্তিহীন

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৯ ডিচেম্বৰ ঃ** ভাৰতত সংখ্যালঘু সম্প্ৰদায়ৰ ওপৰত হোৱা আক্ৰমণ আৰু বৰদিনৰ সময়ত ধৰ্মীয় প্ৰতীকৰ ভাঙি-চিগি থকাৰ ঘটনাৰ অভিযোগ উত্থাপন কৰি পাকিস্তানৰ বৈদেশিক মন্ত্ৰালয়ে দিয়া বক্তব্যক ভাৰতে সম্পূৰ্ণৰূপে ভিত্তিহীন আৰু অগ্ৰহণীয় বুলি নাকচ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ ৬ পৃষ্ঠাত

■ বটদ্ৰৱা প্ৰকল্পত নুৰুদ্দিন আহমেদৰ অৱদানক প্ৰশংসা ■

## শিল্পীৰ কোনো ধৰ্ম নাই, শিল্পকৰ্মই শিল্পীৰ মূল ধৰ্ম



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ ডিচেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ জন্মস্থান বটদ্ৰৱা থানৰ কাষতে নিৰ্মিত বৃহৎ সাংস্কৃতিক প্ৰকল্প "অভিৰ্ভাৱ ক্ষেত্ৰ"ৰ উদ্বোধনী ৬ পৃষ্ঠাত

আলোচনাৰে সমাধানৰ আশা এজেপি সভাপতিৰ

## কংগ্ৰেছৰ ১০০ আসনৰ দাবীত বিৰোধী ঐক্যত অৰিয়াঅৰি




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ ডিচেম্বৰ ঃ** ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ হোৱাৰ মাজতে বিৰোধী শিবিৰত আসন বণ্টনক লৈ উদ্বেগৰ সৃষ্টি হৈছে। অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈয়ে ঘোষণা কৰা অনুসৰি কংগ্ৰেছে মুঠ ১২৬খন আসনৰ ৬ পৃষ্ঠাত

## উত্তৰ-পূবৰ লোকসকল সন্মুখীন হোৱা বৈষম্যৰ বিৰুদ্ধে সৰৱ কংগ্ৰেছ সাংসদ গৌৰৱ গগৈ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৯ ডিচেম্বৰ ঃ** ভাৰতৰ উত্তৰ-পূব অঞ্চলৰ লোকসকলে বিভিন্ন ঠাইত সন্মুখীন হোৱা জাতিগত বৈষম্য আৰু অপমানৰ ঘটনাক লৈ কংগ্ৰেছৰ সাংসদ তথা অসমৰ প্ৰদেশ কংগ্ৰেছৰ ৬ পৃষ্ঠাত

❑ ছয় দুৰ্বৃত্তৰ ৫ অভিযুক্তক গ্ৰেপ্তাৰ; মূল অভিযুক্ত সম্প্ৰতিও পলাতক ❑

## বৰ্ণবাদী কাণ্ড; দেৰাডুনত ত্ৰিপুৰাৰ যুৱক এঞ্জেল চাকমাক হত্যাৰ ঘটনাত দেশজুৰি প্ৰতিক্ৰিয়া





অসমৰ মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়া; উত্তৰাখণ্ড চৰকাৰক কঠোৰ ব্যৱস্থাৰ আহ্বান

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৯ ডিচেম্বৰ ঃ** উত্তৰাখণ্ডৰ ডেৰাডুনত সংঘটিত ত্ৰিপুৰাৰ ছাত্ৰ এঞ্জেল চাকমাৰ নৃশংস হত্যাকাণ্ডই দেশজুৰি চাঞ্চল্যৰ সৃষ্টি কৰাৰ মাজতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই ঘটনাৰ তীব্ৰ নিন্দা কৰি উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীক দোষীসকলৰ ৬ পৃষ্ঠাত

■ অগ্নিসংযোগৰ ফলত ৫ হাজাৰৰো অধিক গছৰ পুলি নষ্ট ■

## অৰণ্য মানৱ যাদৱ পায়েঙৰ মোলাই কাঠনিত অগ্নিসংযোগ

ব্ৰহ্মপুত্ৰৰ চাপৰিৰ মোলাই কাঠনি ২.০ত এই কাণ্ড দুৰ্বৃত্তৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ ডিচেম্বৰ ঃ** পৰিৱেশ প্ৰেমীসকলৰ বাবে এক শোকাৱহ খবৰ। বিশ্ববিখ্যাত 'অৰণ্য মানৱ' পদ্মশ্ৰী যাদৱ পায়েঙৰ কন্যা মুনমুনী পায়েঙৰ নেতৃত্বত সৃষ্টি হোৱা ৬ পৃষ্ঠাত

## অসমত বহিৰাগতৰ দপদপনি নচলিব ঃ এ.জে.ৱাই.চি.পি

### খিলঞ্জীয়াৰ অধিকাৰ সুৰক্ষিত কৰাৰ দাবীত তিনিচুকীয়াত যুৱ-ছাত্ৰৰ বৃহৎ প্ৰতিবাদী সমদল

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৯ ডিচেম্বৰ ঃ** অসমীয়া জাতিৰ সাংস্কৃতিক, সামাজিক, ভাষিক পৰিচয় আৰু ঐতিহ্যৰ সুৰক্ষাৰ বাবে সাংবিধানিক, আইনগত আৰু প্ৰশাসনিক সুৰক্ষা প্ৰদান কৰাৰ ৬ পৃষ্ঠাত

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুকলি কৰে জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰ

## গুৱাহাটীত মুকলি হ'ল উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ প্ৰেক্ষাগৃহ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৯ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ অন্যতম নিৰ্বাচনী কৌশলী অমিত শ্বাহে সোমবাৰে এদিনীয়া অসম ভ্ৰমণৰ অন্তত গুৱাহাটীৰ খানাপাৰাত অসমৰ দুই মহান সাংস্কৃতিক পুৰোধা জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ নামেৰে ৬ পৃষ্ঠাত



মৰম-চেনেহ আছে বাবে সমাজখন ভাল হৈ আছে ঃ জয়ন্ত কুমাৰ চক্ৰৱৰ্তী

# টংলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নবীন বেজবৰুৱাৰ স্মৃতিচাৰণ সভা সম্পন্ন স্মাৰক গ্ৰন্থ নবীন গাঁথা উন্মোচন



**অসম বাৰ্তা, টংলা, ২৯ ডিচেম্বৰ** ঃ মৰম-চেনেহ আছে বাবে সমাজখন ভাল হৈ আছে। আমি মনুষ্যত্বৰ সাধনা কৰিব লাগিব, ইজনে সিজনক সহায় সহযোগ কৰিব লাগিব। ওদালগুৰি জিলাৰ টংলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অৱসৰ প্ৰাপ্ত কৃতী শিক্ষক নবীন বেজবৰুৱাৰ স্মৃতিচাৰণ সভাত স্মাৰক গ্ৰন্থ নবীন গাঁথা উন্মোচন কৰি বিশিষ্ট কথা শিল্পী জয়ন্ত কুমাৰ চক্ৰৱৰ্তীয়ে এইদৰে কয়। সময় সচেতন, সহজ সৰল, শ্ৰদ্ধাত মূৰ দোঁ খোৱা নবীন বেজবৰুৱাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ লগতে টংলা সাহিত্য সভাই প্ৰকাশ কৰি উলিওৱা গৌৰী শংকৰ দাস সম্পাদিত তেখেতৰ জীৱন দৰ্শন, কৃতি কৰ্ম আৰু অনুভৱৰ একত্ৰ সংকলন 'নবীন গাঁথা' পঢ়িলেহে তেখেতক প্ৰকৃত শ্ৰদ্ধাৰ্ঘ জনোৱা হ'ব। টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱাই সঞ্চালনা কৰা স্মৃতিচাৰণ সভাত অংশগ্ৰহণ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° দীপামনি বৰুৱা দাসে কয় তেখেতৰ চিন্তা কৰ্ম আৰু আদৰ্শৰ দ্বাৰা বেজবৰুৱা জীৱন্ত হৈ আছে। অসম সাহিত্য সভাৰ আমন্ত্ৰিত সদস্য গৌৰী শংকৰ দাসে আঁত ধৰা অনুষ্ঠানত ওদালগুৰি ৰত্ন ধৰণীধৰ মেধি, টংলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি লোকেশ্বৰ ডেকা, ঘনকান্ত ডেকা, আদিত চন্দ্ৰ কলিতা, অসম সাহিত্য সভাৰ প্ৰাক্তন ৰাজ্যিক কাৰ্যনিৰ্বাহক ভদ্ৰকান্ত শৰ্মাই বেজবৰুৱাৰ বিষয়ে গুণানুকীৰ্তন কৰে। শিক্ষয়িত্ৰী দীপিকা শইকীয়াই এটি ঘোষাৰে অনুষ্ঠানটো জীপাল কৰি তোলে। সভাত বিশিষ্ট সাহিত্যিক অঞ্জলি চক্ৰৱৰ্তী, ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়া, ওদালগুৰি জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী চন্দ্ৰ প্ৰভা দত্ত, বিশিষ্ট কবি ৰঞ্জি শইকীয়া ডেকা, পূৰ্ণিমা ভূঞা, খগেন্দ্ৰ নাথ বড়া, অমৰজিৎ ৰাভা, বেহেলা বাদক নৰজিৎ দাস, প্ৰকৃতিবিদ দেবাংগ মহলীয়া, সাংবাদিক নাৰায়ণ ডেকা, শিক্ষয়িত্ৰী কামনা কাকতি দাস, সুলোচনা ডেকা, টংলা সাহিত্য সভাৰ উপ সভাপতি তপেশ্বৰ ৰাভা, সম্পাদক শ্যামল কুমাৰ দাস, ড° জয়ন্ত কুমাৰ ভট্টচাৰ্য, টংলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদকত্ৰয় হেমন্ত বৰুৱা, শিৱ ৰাম নাথ, শিৱ প্ৰসাদ হাজৰিকা, মাজিকুচি সমবায় সমিতিৰ সভাপতি ভূমিধৰ ৰাভা টংলা সাহিত্য সভাৰ বিষয় ববীয়া, গুণমুগ্ধ আৰু আলহী অতিথি উপস্থিত থাকে। নবীন বেজবৰুৱাদেৱৰ পুত্ৰ বিজয় কৃষ্ণ বেজবৰুৱা, হৰি প্ৰসাদ বেজবৰুৱা, বোৱাৰী চিত্ৰলেখা বেজবৰুৱা, নিজৰা ডেকা বেজবৰুৱা, জীয়ৰী নমিতা বড়ো আৰু নাতিনী জুপিতৰা বেজবৰুৱা, তৰংগিনী বেজবৰুৱা আৰু গাৰ্গী বেজবৰুৱাই স্মাৰক গ্ৰন্থ 'নবীন গাঁথা'ৰ লেখক -লেখিকাসকলক ফুলাম গামোচাৰে উষ্ম আদৰণি জনায়। স্মৃতি চাৰণ সভাৰ পূৰ্বে প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু টংলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অৱসৰী কৃতী শিক্ষক নবীন বেজবৰুৱাৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলনৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

## অসমৰ ভিতৰতে ২০২৫ বৰ্ষত মৰিগাঁৱত পকচ' গোছৰ দোষী সাব্যস্তৰ হাৰ সৰ্বাধিক

# পকচ' গোচৰত মৰিগাঁও আৰক্ষীৰ পানী নসৰকা চাৰ্জশ্বীট

**অসম বাৰ্তা, ভুৰাগাঁও, ২৯ ডিচেম্বৰ** ঃ মৰিগাঁও জিলা আৰক্ষীয়ে শিশু আৰু নাৰীক যৌন নিৰ্যাতন ৰোধ কৰিববৰ বাবে ২০২৫ বৰ্ষত গ্ৰহণ কৰে কঠোৰ স্থিতি। আৰক্ষীৰ কঠোৰ স্থিতিৰ বাবেই ২০২৫ বৰ্ষত মৰিগাঁও জিলাত পকচ' গোছৰৰ দোষী সাব্যস্তৰ হাৰ (CONVICTON) অসমৰ ভিতৰতে সৰ্বাধিক হয়। জিলা খনৰ বিভিন্ন থানাত পঞ্জিয়ন হোৱা পকচ' গোচৰৰ আই অ' সকলে দাখিল কৰা পানী নসৰকা অভিযোগনামা (CS) ৰ বাবেই মৰিগাঁও পকচ' বিশেষ আদালতে অভিলেখ সংখ্যক গোছৰৰ অভিযুক্তক দোষীসাব্যস্ত কৰিবলৈ সক্ষম হ'ল ২০২৫ বৰ্ষত। এই বৰ্ষ টোৰ ২৫ ডিচেম্বৰ পৰ্যন্ত পকচ' গোছৰৰ দোষীসাব্যস্ত (CONVICTON) ৰ হাৰ ৬২.৫ শতাংশ। উল্লেখ্য যে মৰিগাঁও জিলাৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ তদাৰকত গোচৰ সমূহৰ আই অ' সকলে পঞ্জিয়ন হোৱা পকচ' গোচৰ সমূহৰ পানী নসৰকা অভিযোগনামা দাখিল কৰিছিল। অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ পৰা লাভ কৰা তথ্য অনুসৰি ২০২৫ বৰ্ষৰ ২৫ ডিচেম্বৰ পৰ্যন্ত জিলাখনৰ বিভিন্ন থানাত পঞ্জিয়ন হোৱা পকচ' গোছৰৰ সংখ্যা আছিল ১২৮ টা। এই সময় ছোৱাত মৰিগাঁও আৰক্ষীয়ে তদন্ত প্ৰক্ৰিয়া সমাপ্ত কৰি সৰ্বমুঠ (TOTEL POCSO Cases disposed) ১৫০টা গোছৰৰ ভিতৰত অভিযোগনামা (চাৰ্জশ্বীট) দাখিল কৰিছে ১৪২টা গোচৰৰ। আৰু প্ৰাথমিক তদন্ততে চূড়ান্ত ৰিপৰ্ট ( FR) কৰিছে বাকী ৮টা গোচৰৰ। এই গোছৰ সমূহৰ ভিতৰত কিছু গোচৰ ২০২৫ বৰ্ষৰ পূৰ্বে পঞ্জিয়ন হৈছিল। আৰক্ষীয়ে চাৰ্জশ্বীট দাখিল কৰা ৬৫টা গোছৰতে অভিযুক্তক দোষীসাব্যস্ত কৰিছে আদালতে। আনহাতে কিছু গোছৰৰ বিছাৰ পক্ৰীয়া অন্তিম পৰ্যায়ত চলি আছে। বৰ্ষটোত মৰিগাঁও আৰক্ষীৰ পকচ' গোছৰৰ চাৰ্জশ্বীটৰ দোষী সাব্যস্তৰ (CONVICTON)ৰ হাৰ ৬২.৫ শতাংশ। পকচ' গোছৰত বৰ্ষ টোত এই হাৰ অসমৰ ভিতৰতে সৰ্বাধিক। উল্লেখ্য যে বিছাৰ প্ৰক্ৰিয়া সমাপ্ত হোৱা ৬৫ গোছৰৰ ৯জন ধৰ্ষণকাৰীক যাৱতজ্জীৱন কাৰাদণ্ড, ২০ গোচৰৰ অভিযুক্তক ২০ বছৰৰ পৰা ২৫ বছৰ পৰ্যন্ত কাৰাদণ্ড, আৰু ৩৬ গোছৰৰ অভিযুক্তক ৪ বছৰৰ পৰা ১০ বছৰ পৰ্যন্ত কাৰাদণ্ড বিহিছে আদালতে। ইয়াৰ উপৰিও এইসকলৰ একাংশক কাৰাদণ্ডৰ লগতে ১৫ হাজাৰ টকা পৰ্যন্ত অতিৰিক্ত জৰিমনা বিহিছে। যাৱজ্জীৱন কাৰাদণ্ড বিহা সকলৰ গৰিষ্ঠ সংখ্যক অভিযুক্তই শিশু ধৰ্ষণত অভিযুক্ত। নিশ্চিতভাৱে নাৰী আৰু শিশুৰ যৌন নিৰ্যাতনৰ দৰে ভয়াবহ ব্যাধীক জিলাখনত প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত মৰিগাঁও আৰক্ষীৰ ২০২৫ বৰ্ষত এয়া এক অন্যতম সফলতা বুলি চিহ্নিত কৰিব পাৰি।

## প্ৰখ্যাত শিল্পী গৰাকীৰ জীৱন দৰ্শনৰ ওপৰত আলোকপাত

# বকো খেনাপাৰাৰ মাৰেগীতৰ মহিৰুহ ৰামে ওজাৰ সোঁৱৰণী স্মৃতিগ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, বকো, ২৯ ডিচেম্বৰ** ঃ পৌৰাণিক লোক সংস্কৃতিৰ সাধনাৰ প্ৰখ্যাত শিল্পী তথা বেদ বেদান্তৰ ধৰ্মীয় ভাৱনাৰে শক্তি দেৱীৰ পূজা-অৰ্চনা কৰা মাৰেগীতৰ মহিৰুহ কামৰূপ জিলাৰ বকো খেনাপাৰাৰ ৰামেশ্বৰ ৰাভাৰ অলপতে মৃত্যু ঘটে। সেয়ে তেখেতৰ কৰ্মৰাজীক সজীৱ কৰি তুলিবলৈ আৰু সংৰক্ষণৰ বাবে ৰামেশ্বৰ ৰাভাৰ পৰিয়ালৰ সহযোগত আৰু শুভাকাংক্ষী সকলোৰ অৰ্থ সাহায্যত প্ৰকাশ কৰি উলিয়ায় এখন স্মৃতিগ্ৰন্থ। "মাৰে গীতৰ মহিৰুহ ৰামে ওজাৰ সোঁৱৰণত" শীৰ্ষক নামেৰে প্ৰকাশ কৰা স্মৰণিকাখন আজি ৰামে ওজাৰ আদ্যশ্ৰাদ্ধৰ দিনা আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্য্যবাহী সদস্য ডাঃ শৰৎচন্দ্ৰ ৰাভাই। স্মৰণিকা উন্মোচনী অনুষ্ঠানত বিশিষ্ট শিল্পী প্ৰহ্লাদ বড়ো, বকো-বনগাঁও মৌজা পৰিষদৰ প্ৰাক্তন সভাপতি নিপেন ৰাভা, স্মৰণিকা সম্পাদনা সমিতিৰ সম্পাদক সুৰেশ ৰাভাকে প্ৰমুখ্য কৰি বহু সংখ্যক বিশিষ্ট সমাজ কৰ্মীয়ে অংশগ্ৰহণ কৰে। ইফালে স্মৰণিকা গ্ৰন্থখন উন্মোচন কৰি ডাঃ শৰৎচন্দ্ৰ ৰাভাই জনায় যে প্ৰয়াত ৰামেশ্বৰ ৰাভা দক্ষিণ কামৰূপৰ এগৰাকী উজ্জ্বল নক্ষত্ৰৰ দৰে পবিত্ৰ আত্মাৰ লোক-সংস্কৃতিৰ সাধক আছিল। মাৰে পূজাত মাৰে গীতৰ ওজা হিচাপে সুনিপুন আছিল বুলি সোঁৱৰণ কৰে। আনহাতে জ্যেষ্ঠ শিল্পী প্ৰহ্লাদ বড়োই মাৰে গীতৰ পুৰোধা ব্যক্তি আছিল ৰামে ওজা। জীৱনৰ অন্তিম সময়লৈকে ৰাজ্যৰ ভিন্ন প্ৰান্তত মাৰে পূজাত মাৰে গীতৰ জৰিয়তে পূজা অৰ্চনা কৰি আহিছিল। এই গৰাকী প্ৰখ্যাত শিল্পীৰ আত্মাৰ চিৰশান্তি কামনা কৰিছে সকলো ৰাইজে।

## ডিবিআই, কামৰূপৰ ছেমিফাইনেলত প্ৰৱেশ

# মতিৰাম বৰা সোঁৱৰণী সোণালী জয়ন্তী ফুটবল



**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৯ ডিচেম্বৰ** ঃ মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু ফুটবল উপশমিতিৰ তত্ত্বাৱধানত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত বিপুল সংখ্যক ফুটবল প্ৰেমী ৰাইজৰ ব্যাপক উৎসাহ উদ্দীপনাৰ মাজেৰে অনুষ্ঠিত হৈ থকা ৫০ সংখ্যক ঐতিহ্যমণ্ডিত মতিৰাম বৰা সোঁৱৰণী প্ৰাইজমাণী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত তীব্ৰ প্ৰতিদণ্ডিতামূলক চতুৰ্থখন কোৱাটাৰ ফাইনেল খেলত ডিবিআই, কামৰূপে ৩-১ গ'লৰ ব্যৱধানত কোকৰাঝাৰৰ গ্ল'বেল এফচি ক পৰাভূত কৰি ছেমিফাইনেলত প্ৰবেশ কৰিছে। খেলৰ পূৰ্বে নিমন্ত্ৰিত অতিথি আৰু বিশিষ্ট ক্ৰীড়া সংগঠক সকলৰ উপস্থিতিত বিশিষ্ট সমাজকৰ্মী তথা অসম সাহিত্য সভাৰ পৰম সুহৃদ হিতৈষী সভ্য ধৰণীধৰ বুঢ়াগোহাঁইয়ে শুভ উদ্বোধন কৰা আজিৰ খেলত দুয়ো দলৰ খেলুৱৈ সকলে প্ৰথমাৰ্ধত শক্তিশালী খেল প্ৰদৰ্শন কৰে যদিও খেলৰ ৩৩ মিনিটত আপ্পা লাপাইকে এক সুন্দৰ গ'লৰে ডিবিআই, কামৰূপে ১-০ গ'লৰ অগ্ৰগতি লাভ কৰে। দ্বিতীয়াৰ্থত ডিবিআই, কামৰূপৰ খেলুৱৈ সকলে অধিক পৰিপক্ক আৰু সংঘবদ্ধ খেল প্ৰদৰ্শন কৰি লাবান টাৰুৰ ২টা গ'লৰ সহায়ত খেলখনত ৩-১ গ'লৰ অগ্ৰগতি লাভ কৰাৰ বিপৰীতে কোকৰাঝাৰৰ হৈ মুছুখা নাৰ্জাৰীয়ে একমাত্ৰ গ'লটো পৰিশোধ কৰে। অসম ফুটবল সন্থাৰ উপ সভাপতি জিতু বৰদলৈৰ উপস্থিতিত মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ তৰফৰ আজিৰ খেলৰ শ্ৰেষ্ঠ খেলুৱৈ লাবান টাৰোক বিশিষ্ট সমাজকৰ্মী ধৰণীধৰ বুঢ়াগোহাঁইয়ে বঁটা প্ৰদান কৰে। আজিৰ খেলখন পবিত্ৰ বৰা, ৰূপম বৰদলৈ, অপূৰ্ব বৰা, নজৰুল ইছলাম আৰু মানস সেনগুপ্তাই পৰিচালনা কৰে। কাইলৈৰ ১মখন ছেমিফাইনেল খেলত অসম ৰাজ্যিক বিদ্যুত পৰিষদৰ বিপক্ষে দলবাৰী যুৱকল্যাণ সংঘই প্ৰতিদণ্ডিতা কৰিব।

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আগমনৰ পূৰ্বে ঠেলামৰাত পৰিদৰ্শন বিধায়ক, জিলা আয়ুক্তৰ

# বৰছলা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমীতা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীৰ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, ঢেকীয়াজুলী, ২৯ ডিচেম্বৰ** ঃ বৰছলা বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটসমূহৰ মহিলা সদস্যাসকলৰ বাবে সুখবৰ। মুখ্যমন্ত্ৰী মহিলা উদ্যমীতা আঁচনিৰ অধীনত হিতাধিকাৰীসকলক আনুষ্ঠানিকভাৱে চেক বিতৰণ উপলক্ষে আগন্তুক ২ জানুৱাৰী ২০২৬ তাৰিখে ঠেলামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত এক বৃহৎ আৰু বিশেষ কাৰ্যসূচী আয়োজন কৰা হৈছে। উক্ত অনুষ্ঠানত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বশৰ্মা স্বয়ং উপস্থিত থাকি বৰছলা সমষ্টিৰ মহিলা হিতাধিকাৰীসকলক আনুষ্ঠানিকভাৱে চেক বিতৰণ কৰিব। এই গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰ পূৰ্বে মুখ্যমন্ত্ৰীৰ আগমনৰ প্ৰস্তুতি আৰু ব্যৱস্থাপনাৰ বুজ লোৱাৰ উদ্দেশ্যে দেওবাৰে বিয়লি অনুমাণিক ৩ বজাত ঠেলামৰাত উপস্থিত হয় ৬৬ নং বৰছলা বিধানসভা সমষ্টিৰ বিধায়ক গণেশ কুমাৰ লিম্বু। তেওঁৰ সৈতে উপস্থিত থাকে শোণিতপুৰ জিলাৰ আয়ুক্ত আনন্দ কুমাৰ দাস। তেওঁলোকে অনুষ্ঠানস্থল পৰিদৰ্শন কৰি মঞ্চ, নিৰাপত্তা, যাতায়াত, হিতাধিকাৰীসকলৰ বহাৰ ব্যৱস্থা, পানী-বিদ্যুৎসহ সকলো প্ৰশাসনিক দিশ পৰ্যালোচনা কৰে। এই পৰিদৰ্শন কালছোৱাত বিধায়ক গণেশ কুমাৰ লিম্বুৰ সৈতে উপস্থিত আছিল অসম গণ পৰিষদ দলৰ শোণিতপুৰ জিলাৰ সভাপতি ৰাতুল কুমাৰ নাথ, ভাৰতীয় জনতা পাৰ্টিৰ মিছামাৰী মণ্ডলৰ সভাপতি শিৱ চৰণ গোৱাল, ঠেলামৰা মণ্ডলৰ সভাপতি জীৱন পাঠকসহ বহু দলীয় নেতা-কৰ্মী। সকলোৱে মিলি অনুষ্ঠান সফল ৰূপায়ণৰ বাবে প্ৰস্তুতি ত্বৰান্বিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী মহিলা উদ্যমীতা আঁচনিৰ জৰিয়তে ৰাজ্যৰ হাজাৰ হাজাৰ মহিলা আত্মসহায়ক গোটৰ সদস্যা অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ পথত আগবঢ়া দেখা গৈছে। বৰছলা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া এই চেক বিতৰণ অনুষ্ঠানক লৈ স্থানীয় ৰাইজৰ মাজতো ব্যাপক উৎসাহ আৰু উদ্দীপনা পৰিলক্ষিত হৈছে।

# টংলা যুৱ সংঘৰ উদ্যোগত লোহিত চন্দ্ৰ নাথ সোঁৱৰণী প্ৰাইজমানি আন্তঃবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ

**অসম বাৰ্তা, টংলা, ২৯ ডিচেম্বৰ** ঃ ওদালগুৰি জিলাৰ টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত টংলা যুৱ সংঘৰ উদ্যোগত লোহিত চন্দ্ৰ নাথ সোঁৱৰণি দ্বিতীয় বাৰ্ষিক ওদালগুৰি জিলা ভিত্তিত আন্তঃ বিদ্যালয় প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতা আজিৰে পৰা অনুষ্ঠিত হয়। টংলা যুৱ সংঘৰ সভাপতি ভূপেন ৰাভাই পতাকা উত্তোলন কৰা পিছতে প্ৰয়াত লোহিত চন্দ্ৰ নাথৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে তেখেতৰ পত্নী দেৱী বৰা দেৱীযে। বিটিচিৰ পাৰিষদ অৰ্জুন দৈমাৰীয়ে উদ্বোধন কৰা খেলত ওদালগুৰি জিলাৰ বিভিন্ন বিদ্যালয়ৰ ১২ টাকৈ ক্ৰিকেট দলে অংশগ্ৰহণ কৰিছে। টংলা যুৱ সংঘৰ সম্পাদক দুলাল কুমাৰ বৰুৱাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত ওদালগুৰি জিলা বিজেপিৰ উপসভাপতি বিকন চন্দ্ৰ ডেকা, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন উপ-সভাপতি ড° জয়ন্ত কুমাৰ ভট্টাচাৰ্য, টংলা ক্ৰীড়া সন্থাৰ সভাপতি খৰ্গেশ্বৰ বড়া, টংলা পৌৰসভাৰ সদস্যা ৰীতামনি তালুকদাৰ, প্ৰয়াত লোহিত চন্দ্ৰ নাথৰ সুপুত্ৰী, ভগ্নী আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

## ৩ জানুৱাৰীত সপ্তদশ কেন্দ্ৰীয় মধ্যকালীন তিনিচুকীয়া অধিৱেশনত প্ৰদান কৰিব বঁটা

# 'অসম বাৰ্তা'ৰ সাংবাদিক ৰবীন মৰাণলৈ 'আপকু'ৰ জীৱনজোৰা সাধনা বঁটা-২০২৫



**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৯ ডিচেম্বৰ** ঃ আসাম প্ৰেছ ক'ৰেছপেণ্টছ ইউনিয়ন, চমুকৈ 'আপকু'ৰ তিনিচুকীয়া জিলা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি (প্ৰাক্তন) তথা জ্যেষ্ঠ সাংবাদিক ৰবীন মৰাণক 'আপকু'ৰ প্ৰতিষ্ঠাপক সম্পাদক প্ৰধান প্ৰয়াত ভৱেশ বৰুৱা সোঁৱৰণী জীৱনজোৰা সাধনা বঁটা -২০২৫ আগবঢ়োৱা হৈছে। 'আপকু'ৰ তিনিচুকীয়া জিলা সমিতিৰ আতিথ্যত অহা ৩ জানুৱাৰীত তিনিচুকীয়া চহৰৰ বৰদলৈ নগৰস্থিত তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণ সাংস্কৃতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া 'আপকু'ৰ সপ্তদশ কেন্দ্ৰীয় মধ্যকালীন অধিৱেশনৰ মুকলি সভাত নিৰ্ভীক সাংবাদিক ৰবীন মৰাণক এই বঁটা প্ৰদান কৰিব 'আপকু'এ। উল্লেখ্য যে, ১৯৯৫ চনত অসমীয়া প্ৰতিদিন আৰু সাদিন কাকতৰ যোগেদি সাংবাদিকতা আৰম্ভ কৰা ৰবীন মৰাণে পিছলৈ দৈনিক জনমভূমি, নিয়মীয়া বাৰ্তা কাকততো সেৱা আগবঢ়াইছিল। তিনিচুকীয়া জিলাৰ পেঙেৰী থানাৰ অন্তৰ্গত ১ নং নলনী গাঁৱৰ প্ৰয়াত ব্ৰজেন মৰাণ আৰু দখলী মৰাণৰ সন্তান তথা আদৰ্শ চাহ খেতিয়ক ৰবীন মৰাণ স্থানীয় জ্ঞানোদয় উচ্চ মাধ্যমিক বিদ্যালয় (ভেঞ্চাৰ)ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকৰ লগতে মৰাণ সাহিত্য সভাৰ সভাপতিও। অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত সাংবাদিক ৰবীন মৰাণে ২০০০বৰ্ষত উত্তৰ-পূৰ্বাঞ্চল ভিত্তিক অনুসন্ধানমূলক সাংবাদিকতা বঁটা, ২০১০বৰ্ষত গোলাপ মিশ্ৰ সোঁৱৰণী বঁটা, ২০১১ বৰ্ষত বিমল ভট্টাচাৰ্য স্মাৰকবঁটা আৰু ২০১৯বৰ্ষত মিডিয়া ফেডাৰেশ্যন অৱ ইণ্ডিয়াই আগবঢ়োৱা উত্তৰ-পূব ভাৰতৰ শ্ৰেষ্ঠ সাংবাদিকতা বঁটাৰেও সন্মানিত হৈছিল। 'আপকু'ৰ তিনিচুকীয়া জিলা সমিতিৰ বৰ্তমানৰ সভাপতি ৰবীন মৰাণ অসম সাহিত্য সভাৰ সৈতেও জড়িত। 'আপকু'ৰ তিনিচুকীয়া অধিৱেশনৰ মুকলি সভাত ৰবীন মৰাণৰ উপৰিও 'আপকু'ৰ কাৰ্যকৰী সভাপতি মৌচমজ্যোতি বৈশ্যক 'আপকু'ৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত ভৱেশ শইকীয়া সোঁৱৰণী জীৱনজোৰা সাধনা বঁটা আৰু নাহৰকটীয়াৰ ম: আব্দুল ৰাজ্জাকক শ্বহীদ সাংবাদিক পৱিত্ৰ নাৰায়ণ সোঁৱৰণী বঁটা প্ৰদান কৰাৰ কথা 'আপকু'ৰ কেন্দ্ৰীয় সম্পাদক প্ৰধান শৰৎ শেনচোৱাই এক বিবৃতিযোগে জানিবলৈ দিছে।

# দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত মাজুলী জিলাত ৰাজহুৱা সভা

**অসম বাৰ্তা, উজনী মাজুলী, ২৯ ডিচেম্বৰ** ঃ দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত আজি মাজুলী জিলা আয়ুক্তৰ সভাকক্ষত এখনি ৰাজহুৱা সভা আয়োজিত হয়। জিলা আয়ুক্তৰ আহ্বানমৰ্মে আয়োজিত সভাখনিত সমাগত দেশৰ স্বাভিমান স্বৰূপ অনুষ্ঠানটি জিলাখনে কেনধৰণেৰে কেন্দ্ৰীয় ভাৱে আয়োজন প্ৰসংগত আলোচনাৰ পাতনি মেলি মাজুলীৰ কৃষ্টি সংস্কৃতি প্ৰতিফলিত হোৱাকৈ ৰাইজৰ মতামত বিচাৰে। মাজুলীৰ সকলোবোৰ ৰাজনৈতিক দল বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উপৰি সচেতন ৰাইৰ তৰফৰ পৰা পৰামৰ্শ আগবঢ়োৱাৰ ভিত্তিত সত্ৰীয়া কৃষ্টি মাজুলীৰ সকলো জাতি জনগোষ্ঠীৰ কৃষ্টি প্ৰদৰ্শনৰ লগতে ছাত্ৰ-ছাত্ৰীৰ পৰা শিশু সকলক সামৰি বৰ্ণাঢ্য অনুষ্ঠান প্ৰদৰ্শন কৰাৰ পৰামৰ্শ দান কৰে। ইয়াৰ উপৰিও কৃষি, বাণিজ্য, শিক্ষা, আত্মসংস্থাপন আৰু ব্যতিক্ৰমী উদভাৱনৰ দিশত বিশেষ পাৰদৰ্শী ব্যক্তিক প্ৰেৰণা দিয়াৰ ক্ষেত্ৰত পুৰস্কাৰ প্ৰদান কৰাৰো পৰামৰ্শ আগবঢ়ায়। সকলো চৰকাৰী বিভাগৰ মুৰব্বীৰ উপস্থিতিৰ সভাখনিত শান্তিপূৰ্ণভাৱে গণৰাজ্য দিৱস ভাগি সম্পন্ন কৰাৰ ক্ষেত্ৰত সৰ্বস্তৰৰ ৰাইজৰ সহযোগিতা কামনা কৰি সভাখনি সামৰণি পৰে।

## তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক খেলেৰে কমাৰগাঁও চূড়ান্ত বিজয়ী; মদন ৰায়লৈ শ্ৰেষ্ঠ খেলুৱৈৰ খিতাপ

# গোলাঘাটত আন্তঃ আঞ্চলিক আছু ফুটবল চেম্পিয়নশ্বিপ



**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৯ ডিচেম্বৰ** ঃ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ উদ্যোগত, গোলাঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ আতিথ্যত জিলাখনৰ কছাৰীহাট বনগাঁও, গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিকৰ খেলপথাৰ আৰু শালমৰা খেলপথাৰত গাম্ভীৰ্যপূৰ্ণ বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত আন্তঃ আঞ্চলিক ছাত্ৰ সন্থা ফুটবল প্ৰতিযোগিতাৰ আজি সফলতাৰে অন্ত পৰে। শালমৰা খেলপথাৰত অনুষ্ঠিত হোৱা তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক চূড়ান্ত খেলত কমাৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাই মহুৰামুখ ছাত্ৰ সন্থাক ১-০ গ'লত পৰাজিত কৰি চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰে। প্ৰতিপক্ষৰ পেনাল্টি ব'ৰ ভিতৰত হোৱা এটা ফাউলৰ সুযোগ গ্ৰহণ কৰি এক কলাত্মক শ্বটেৰে কমাৰগাঁও দলৰ অফেণ্ডাৰ মদন ৰায়ে স্কৰ কৰি বিজয়সূচক গ'লটো দিয়ে। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ খিতাপ লাভ কৰে কমাৰগাঁও দলৰ মদন ৰায়ে। খেলৰ আৰম্ভণিতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা গোলাঘাট সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মিণ্টু সন্দিকৈক দুয়ো দলৰ খেলুৱৈ সকলৰ সৈতে পৰিচয় কৰাই দিয়া হয়। আয়োজিত বঁটা প্ৰদান অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি অভিৱৰ্তন গোস্বামী, কাৰ্যনিৰ্বাহক সদস্য প্ৰিন্স দলে, উদযাপন সমিতিৰ সভাপতি পূৰ্ণ ৰাজখোৱা, কাৰ্যকৰী সভাপতি দিগন্ত কুমাৰ ভূঞা, বিশিষ্ট শিক্ষাবিদ, গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ দীন ডং দেৱজিৎ ফুকন, গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈ, সাধাৰণ সম্পাদক চিৰঞ্জীৱ বৰা, ফৰকাটিং ক্ৰীড়া সন্থাৰ সভাপতি যতীন বৰা, যুটীয়া সম্পাদক মনোজ বৰুৱা, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ সহকাৰী সম্পাদক ৰাজীৱ লস্কৰ, গোলাঘাট আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি হৃদয় ৰঞ্জন খাটনিয়াৰ, সাধাৰণ সম্পাদক হিমাংশু শইকীয়া, গোলাঘাট মহকুমা ছাত্ৰ সন্থাৰ সম্পাদক দীপক গগৈ আদি উপস্থিত থাকি বিজয়ী, বিজিত আৰু শ্ৰেষ্ঠ খেলুৱৈৰ মাজত বঁটা সমূহ প্ৰদান কৰে। প্ৰতিযোগিতাখনিত ২৫ টাৰো অধিক দলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাখনিত মেছ কমিচনাৰৰ দায়িত্ব পালন কৰে সঞ্জীৱ ভৰালীয়ে। চূড়ান্ত খেলখনি পৰিচালনা কৰে দীপু কলিতাই।

# অভয়াপুৰীত বন বিভাগৰ অভিযান; ৭খন ট্ৰেক্টৰ সহ জেচিবি জব্দ

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ২৯ ডিচেম্বৰ** ঃ বঙাইগাঁও আইভেলী বন সংমণ্ডলৰ অভয়াপুৰী আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ বিভিন্ন এলেকাৰ পৰা অবৈধ ভাৱে মাটি কাটি থকা অৱস্থাত বন বিভাগে অভিযান চলাই ৭খন চোৰাং মাটি কঢ়িওৱা ৭খনকৈ ট্ৰেক্টৰৰ লগতে জেচিবি এখন জব্দ কৰে। জানিব পৰা মতে আজি বন বিভাগৰ অভিযান কালত কাৰ্যালয়টোৰ অন্তৰ্গত ঘিলাগুৰিত বন বিষয়া ছালামুদ্দিন সৰকাৰৰ নিৰ্দেশত অভিযান চলাই চাৰিখন ট্ৰেক্টৰত, এখন জেচিপি আৰু কালি নলডোবা, কুশবাৰীৰ পৰা তিনিখন ট্ৰেক্টৰ জব্দ কৰে জব্দকৃত জেচিপিখনৰ নম্বৰ এম এল ১৩ এ/৪১৫৪ আৰু ট্ৰেক্টৰ কেইখনৰ নম্বৰ ক্ৰমে এ এছ ০১কেচি/৭৭৩০, এ এছ১৯চি/৪১৬৪, এ এছ ১৫এ চি/৩২০০, এ এছ ১৯চি/৭৫৫৮, এ এছ ১৯এচি/৫১১১, এ এছ১৯চি/৮২১৪।

# ৰঙিয়াত জব্দ বৃহৎ পৰিমাণৰ নকল সোণসহ তিনি ব্যৱসায়ী




**অসম বাৰ্তা, ৰঙিয়া, ২৯ ডিচেম্বৰ** ঃ শেহতীয়াকৈ লখিমপুৰত নকল সোণ ব্যৱসায়ীয়ে আৰক্ষীক আক্ৰমণ কৰা ঘটনাৰ উত্তেজনা মাৰ নৌযাওঁতেই আজি ৰঙিয়াৰ তৰণীত ৰঙিয়া আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি বহিঃৰাজ্যৰ এগৰাকী ব্যক্তিসহ অন্য দুজনক বৃহৎ পৰিমাণৰ নকল সোণ সহ আটক কৰিবলৈ সক্ষম হয়। ৰঙিয়াৰ নৱ নিযুক্ত আৰক্ষী বিষয়া প্ৰেমাংকুৰ হাজৰিকাৰ নেতৃত্বত যোৱা আৰক্ষী দলটোৱে প্ৰায় ১ কেজি ৪০০ গ্ৰাম নকল সোণৰ জব্দ কৰে। ৰঙিয়াৰ তৰণীৰ ভাৰত ভূটান সংযোগী আন্তঃৰাষ্ট্ৰীয় ৰাষ্ট্ৰীয় ঘাইপথেৰে সৰবৰাহ কৰি থকা অৱস্থাত জব্দ কৰা হৈছে সোণসহ সৰবৰাহকাৰী কেইজনক। তামোলপুৰৰ পৰা কাৰ্বিআংলৈ এই বৃহৎ পৰিমাণৰ নকল সোণ লৈ যোৱাৰ পৰিকল্পনা কৰিছিল সোণখিনি। সৰবৰাহৰ লগত জড়িত আটকাধিন তিনি গৰাকী ক্ৰমে জয়পুৰৰ অভিষেক বাদায়া, বোকাজানৰ কল্পনেচ চৌধুৰী আৰু চন্তোস জৈন। সম্প্ৰতি জেৰা অব্যাহত ৰাখিছে ৰঙিয়া আৰক্ষীয়ে।

## সম্পাদকীয়

# উত্তৰ-পূৰ্বাঞ্চলৰ যুৱকৰ মৃত্যু আৰু অনিবাৰ্য প্ৰশ্নসমূহ

**ভা**ৰতৰ সংবিধানে সকলো নাগৰিকক সমান অধিকাৰৰ নিশ্চয়তা দিয়ে, কিন্তু বাস্তৱত এই সমানতা সকলোৰে বাবে সমানে প্ৰযোজ্য নহয়। উত্তৰ-পূৰ্বাঞ্চলৰ যুৱক-যুৱতীসকলে নিজৰ দেশৰ অন্য প্ৰান্তত কেৱল মুখৰ গঠন আৰু চাল-চলন বেলেগ হোৱাৰ বাবেই বৈষম্য, অপমান আৰু হিংসাৰ বলি হ'বলগীয়া হয়। শেহতীয়াকৈ উত্তৰাখণ্ডৰ ডেৰাডুনত সংঘটিত হোৱা ঘটনাই এই কঠোৰ সত্যকেই পুনৰ উদঙাই দিছে। এই ঘটনাই উত্থাপন কৰিছে বহু প্ৰশ্ন- কিয় নিজৰ দেশতে উত্তৰ-পূৰ্বৰ লোকে এনে বৈষম্যৰ সন্মুখীন হ'ব লগীয়া হয়? কিয় তেওঁলোকক বিদেশী বুলি ভবা হয়? বিগত ডিচেম্বৰ মাহৰ ৯ তাৰিখে ডেৰাডুনৰ চেলাকি অঞ্চলত ত্ৰিপুৰাৰ উনাকোটি জিলাৰ ২৪ বছৰীয়া এম বি এ ছাত্ৰ এঞ্জেল চাকমাৰ ওপৰত ছয়জনীয়া এটা দলে বৰ্ণবাদী মন্তব্য কৰি ৰড আৰু চোকা অস্ত্ৰৰে আক্ৰমণ চলাইছিল। গুৰুতৰভাৱে আহত হৈ ১৭ দিন চিকিৎসাধীন থকাৰ পিছত তেওঁৰ মৃত্যু হয়। এই হত্যাকাণ্ডে উত্তৰ-পূৰ্বাঞ্চলৰ ছাত্ৰ সংগঠনসমূহক ৰাজপথলৈ উলিয়াই আনিছে। তেওঁলোকে ন্যায় বিচাৰ আৰু দোষীসকলক কঠোৰ শাস্তিৰ দাবী তুলিছে। এঞ্জেল চাকমাৰ মৃত্যু কেৱল এটা ব্যক্তিগত ট্ৰেজেডী নহয়; ই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এক আশংকাৰ বিষয়। কাৰণ, বহিঃৰাজ্যত উচ্চশিক্ষা আৰু চাকৰিৰ সপোন লৈ যোৱা আমাৰ যুৱক-যুৱতীসকলক সঘনাই বৰ্ণবাদ, বৈষম্য আৰু হিংসাৰ সন্মুখীন হ'বলগীয়া হয়। তেওঁলোকৰ সুকীয়া শাৰীৰিক ৰূপৰ বাবে তেওঁলোকক বিদেশী বুলি ভবা হয়, সমাজত অন্তৰ্ভুক্ত কৰি নলয়। কেতিয়াবা ভাষা, সংস্কৃতি, খাদ্যাভ্যাসৰ পাৰ্থক্যৰ বাবে তেওঁলোকৰ প্ৰতি সহানুভূতিশূন্য আচৰণ কৰা হয়। শিক্ষা আৰু কৰ্মক্ষেত্ৰত বহুতে অপমান, উৎপীড়ন, আৰু নীৰৱতাৰ সন্মুখীন হয়। এইবোৰ সমস্যা দীৰ্ঘদিনীয়া, আৰু ইয়াৰ মূলে আছে অজ্ঞতা আৰু গভীৰ সামাজিক পূৰ্বধাৰণা। অন্যান্য ৰাজ্যৰ লোকসকলৰ মাজত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি অজ্ঞতা আৰু পূৰ্বধাৰণা বহুল পৰিমাণে ব্যাপ্ত। বহুতে আমাক চীন, মংগোলিয়া বা অন্যান্য পূবৰ দেশৰ বুলি ভাবে, ভাৰতীয় বুলি গণ্য নকৰে। কিছুমানে আমাৰ সংস্কৃতিক হেয়চকুৰে চায়, আৰু আমাৰ অস্তিত্বক উপহাসৰ বিষয় হিচাপে লয়। এই ধাৰণাই আমাৰ প্ৰতি হিংসা আৰু বৈষম্যক উৎসাহিত কৰে। শিক্ষিত সমাজতো এই মনোভাৱ থাকিলে সাধাৰণ মানুহৰ মনত নানান প্ৰশ্নৰ উদয় হয়: আমি স্বাধীন ভাৰতৰ নাগৰিক হৈয়ো কিয় বৈষম্যৰ বলি হ'বলগীয়া হয়? দেশৰ মূলসুঁতিত আমাক কিয় সমানে অন্তৰ্ভুক্ত কৰা নহয়? চৰকাৰ আৰু সমাজে এইবোৰ সমস্যাৰ সমাধান কিয় কৰিব নোৱাৰে? এই ঘটনাবোৰৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ কিয় কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ নকৰে? এঞ্জেল চাকমাৰ মৃত্যুৱে এই প্ৰশ্নবোৰক আকৌ জীয়াই তুলিছে। আমাৰ দেশত গণতন্ত্ৰ আৰু সংবিধানে সকলোকে সমান অধিকাৰ দিছে, কিন্তু বাস্তৱত সেই অধিকাৰ সুৰক্ষিত নহয়। গতিকে, এই ঘটনাই কেৱল আক্ৰমণকাৰীসকলক শাস্তি দিয়াৰ দাবীকে নুঠাই, সমাজৰ মনোভাৱ সলনি কৰাৰ প্ৰয়োজনীয়তাও সূচায়। আমি আশা কৰো যে এই ঘটনাই সমাজ আৰু চৰকাৰক সচেতন কৰিব। উত্তৰ-পূৰ্বাঞ্চলৰ লোকে ভাৰতৰ অন্যান্য অঞ্চলত নিৰাপদে বাস কৰিব পাৰে তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হওক। শিক্ষা আৰু সচেতনতাৰ দ্বাৰা বৈষম্য দূৰ কৰা হওক। এঞ্জেল চাকমাৰ মৃত্যুৱে যাতে অন্ততঃ সমাজত এক ইতিবাচক পৰিৱৰ্তন আনে, সেইদৰে আমি সকলোৱে চেষ্টা কৰিব লাগিব। মনে ৰাখিব লাগে যে উত্তৰ-পূৰ্বাঞ্চল ভাৰতৰ অবিচ্ছেদ্য অংগ। আমাৰ বৈচিত্ৰ্য ই আমাৰ শক্তি। এই বৈচিত্ৰ্যক সন্মান কৰি একত্বত বিশ্বাস ৰাখিলেহে আমি এক উন্নত ভাৰত গঢ়িব পাৰিম।

◀◀ অসমতো পিকনিকৰ প্ৰচলন এক জনপ্ৰিয় পৰম্পৰা। বিশেষকৈ ডিচেম্বৰৰ মাজভাগৰ পৰা ফেব্ৰুৱাৰী মাহলৈকে চলা মনোমোহা শীতকালত ই এক অপৰিহাৰ্য সামাজিক ব্যৱস্থা হৈ আহিছে। অসমৰ প্ৰকৃতিৰ অনাবিল সৌন্দৰ্যৰে পূৰ্ণ নদ-নদী, যেনে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ পাৰ, পাহাৰৰ মনোমোহা কাষৰীয়া অঞ্চল বা সু-পৰিকল্পিত উদ্যান সমূহ পিকনিকৰ বাবে অতি জনপ্ৰিয় স্থান। অসমত পিকনিকৰ এক অনন্য বৈশিষ্ট্য হ'ল- প্ৰকৃতিক পৰিবেশত খৰিৰ জুইত সকলোৱে মিলি উমৈহতীয়াভাৱে খাদ্য প্ৰস্তুত কৰা আৰু ভাগ-বতৰা কৰি খোৱা। যি পৰম্পৰাই সমাজৰ লোক সকলৰ মাজত সহযোগিতা আৰু ভাতৃত্ববোধ বৃদ্ধি কৰে। ▶▶



## পিকনিকৰ উদ্ভৱ আৰু প্ৰকৃতিৰ

# কোলাত পিকনিকৰ আনন্দ

**আ**ৰম্ভ হৈছে পিকনিকৰ বতৰ।

পুৰণিক বিদায় দি নতুনক আদৰিবলৈ সাজু হৈছে সকলো। প্ৰকৃতিৰ বুকুত এক আনন্দময় বনভোজ খাবলৈ সকলোৱে হেঁপাহেৰে অপেক্ষা কৰে শীতৰ এই আমেজ সনা দিনকেইটালৈ। ঘৰৰ পৰা দূৰলৈ গৈ সৌন্দৰ্যশালী, নিৰিবিলি প্ৰকৃতিৰ অপৰূপ পৰিৱেশত পিকনিক খোৱাৰ আনন্দ সম্পূৰ্ণ সুকীয়া। প্ৰত্যেকজন লোকেই নিজ নিজ কৰ্মস্থানৰ সহকৰ্মী, পৰিয়াল বা বন্ধু-বান্ধৱৰ সৈতে লগ হৈ ব্যস্ত একঘেয়ামী কৰ্ম জীৱনৰ কোলাহলৰ পৰা আঁতৰি প্ৰাকৃতিক পৰিৱেশৰ কোনো ঠাইত এটা দিন স্ফূৰ্তিৰে, মনৰ হেঁপাহেৰে ইচ্ছা অনুযায়ী পৰিয়াল আৰু বন্ধু বৰ্গৰ লগত উপভোগ কৰিব খোজা এই প্ৰক্ৰিয়াটোৱেই হ'ল পিকনিক। সাধাৰণতে বনভোজ বা পিকনিক খোৱা ঠাইবোৰ কোনো নৈ বা পাহাৰীয়া জান-জুৰিৰ কাষে পাজৰে নিৰ্বাচন কৰা হয়। আমেৰিকাৰ কেম্ব্ৰিজ বিশ্ব অভিধান অনুসাৰে- কোনো নিৰ্দিষ্ট উদ্দেশ্য নোহোৱাকৈ মানুহে বাহিৰলৈ গৈ খোৱা-বোৱা কৰা আৰু ফুৰা-চকা কৰাকেই পিকনিক বোলা হয়। অতীতৰে পৰা সমগ্ৰ বিশ্ব জুৰি মানুহে আনন্দ- উৎসাহৰে পিকনিক উদযাপন কৰি আহিছে। পিকনিক- এই শব্দটো উচ্চাৰণ হোৱাৰ লগে লগেই মনলৈ ভাব আহে, এক মুক্ত, প্ৰফুল্ল পৰিৱেশৰ এখন ছবি-য'ত বন্ধু-বান্ধৱ বা পৰিয়ালৰ সদস্যসকল একত্ৰিত হৈ প্ৰকৃতিৰ মনোমোহা বুকুত আয়োজন কৰে আনন্দৰ এসাজ আহাৰ। পিকনিক কেৱল খোৱা-বোৱাৰ অনুষ্ঠান নহয়-ই হ'ল আনন্দ, হাঁহি-তামাছা, উছাহ আৰু অতুলনীয় স্মৃতিৰ এক সুন্দৰ মিশ্ৰণ। যিয়ে আমাক দৈনন্দিন জীৱনৰ একঘেয়ামী আৰু মানসিক চাপৰ পৰা মুক্তি দি নতুন উচাহ- উদ্দীপনাৰ সৃষ্টি কৰি মনলৈ আনে অফুৰন্ত প্ৰেৰণা। পিকনিক বা বনভোজৰ পৰম্পৰাই সামাজিক সম্পৰ্ক সমূহক দৃঢ় কৰে, মানসিক শান্তি দিয়ে আৰু জীৱনটোক উপভোগ কৰাৰ পথ দেখুৱায়।

পিকনিকৰ সহজ আৰু মনোমোহা ধাৰণাৰ আঁৰত এক মনোগ্ৰাহী ইতিহাস লুকাই আছে। এই পৰম্পৰাৰ মূল শিপাডাল আৰম্ভ হৈছিল ফ্ৰান্সত। বহুতে নাজানে যে- আমি অতিকে আনন্দৰে উদযাপন কৰা এই পিকনিক বা বনভোজৰ উদ্ভৱ কেনেকৈ হৈছিল। বনভোজ বা পিকনিক শব্দটোৰ উৎপত্তি ফৰাচী শব্দ পিক-নিক (Pique-nique)ৰ পৰা হৈছে। বনভোজৰ মূল উদ্দেশ্য হৈছে-প্ৰকৃতিৰ অনাবিল সৌন্দৰ্যৰ মাজত বহি মন প্ৰাণ আনন্দৰে ভৰাই লগে- ভাগে সুস্বাদু খাদ্য গ্ৰহণ কৰা। পিকনিক শব্দটোৰ উদ্ভৱৰ সৈতে জড়িত ভালেমান ঐতিহাসিক কাহিনী আছে। মূলতঃ শীতপ্ৰধান দেশ সমূহত গ্ৰীষ্ম কালকেই পিকনিকৰ উপযুক্ত সময় বুলি গণ্য কৰা হয়। বিশেষকৈ জুন মাহত। এই মাহৰ ১৮ তাৰিখে সমগ্ৰ বিশ্ব জুৰি আন্তৰ্জাতিক পিকনিক দিৱস হিচাপে পালন কৰা হয়। আনহাতে ভাৰতৰ দৰে দেশ সমূহত প্ৰধানকৈ শীত কালকেই পিকনিকৰ সৰ্বোত্তম সময় হিচাপে গণ্য কৰা হৈছে।

বনভোজন বা পিকনিকৰ উদ্ভৱ সম্পৰ্কে বিভিন্ন ইতিহাসবিদে বিভিন্ন মতামত পোষণ কৰিছে। কিছুমান ইতিহাসবিদৰ মতে- ১৭৯৯ চনৰ ফৰাচী বিপ্-ৱৰ অন্তিম পৰ্যায়ত পিকনিকৰ উদ্ভৱ হৈছিল। সেই সময়ত, অৰ্থাৎ ফৰাচী বিপ্-ৱৰ আগতে ফ্ৰান্সৰ স্থানীয় উদ্যান সমূহ সাধাৰণ মানুহৰ বাবে প্ৰৱেশ নিষিদ্ধ আছিল। বিপ্লৱৰ অন্তত এই উদ্যান সমূহ সাধাৰণ নাগৰিকৰ বাবে মুকলি কৰি দিয়া হয়। তেতিয়াৰ পৰাই মানুহে সেই উদ্যান সমূহত গৈ খোৱা-বোৱা কৰা, সময় কটোৱা আদি আৰম্ভ কৰে। গতিকে সেই সময়ৰ পৰাই পিকনিকৰ আৰম্ভণি হৈছিল বুলি এইসকল ইতিহাসবিদে বিশ্বাস কৰে। কিন্তু কিছু সংখ্যক ইতিহাসবিদ এই মতবাদৰ ওপৰত বিশ্বাসী নহয়।

**নলিনী ৰঞ্জন ভূঞা**

তেওঁলোকৰ মতে- পিকনিকৰ উদ্ভৱ ভিক্টোৰিয়ান যুগতহে হৈছিল। কিয়নো সেই যুগত বহু লোকে বাহিৰত সময় কটোৱা আৰু বাহিৰতে আহাৰ গ্ৰহণ কৰাটো পছন্দ কৰিছিল। আনহাতে আন কিছু সংখ্যক ইতিহাসবিদৰ মতে- গুপ্ত যুগত পুণ্ড্ৰ নগৰত সৰ্বপ্ৰথম বনভোজনৰ আয়োজন কৰা হৈছিল। আৰু তেতিয়াৰ পৰাই এই বনভোজ বা পিকনিকৰ পৰম্পৰা চলি আহিছে। জানিব পৰা মতে- ২০০৯ চনত পৰ্তুগালৰ লিছবনত বিশ্বৰ সৰ্ববৃহৎ বনভোজৰ আয়োজন কৰা হৈছিল। এই বনভোজত প্ৰায় ২২ হাজাৰ লোকে অংশগ্ৰহণ কৰিছিল। লিছবনৰ এই বনভোজেই এই পৰ্যন্ত বিশ্ব ৰেকৰ্ড হিচাপে স্বীকৃতি লাভ কৰি আছে। আনহাতে অষ্ট্ৰেলিয়াত প্ৰতি বছৰৰ আগষ্ট মাহৰ প্ৰথম সোমবাৰক পিকনিক দিৱস হিচাপে পালন কৰা হয়, যাক 'অষ্ট্ৰেলিয়ান নৰ্দান টেৰিটৰি পিকনিক দিৱস' বুলিও কোৱা হয়। আনহাতে উনবিংশ শতিকাত ইংলেণ্ডত প্ৰতিষ্ঠা হোৱা 'পিকনিক ছ'চাইটি'য়ে (Picnic Society) এই সামাজিক পৰম্পৰাক অধিক শক্তিশালী কৰি তোলে। সাহিত্য আৰু শিল্পত ৰোমাণ্টিক যুগৰ উত্থানেও প্ৰকৃতিৰ সৌন্দৰ্য আৰু ইয়াৰ সান্নিধ্যক মহত্ত্ব দিছিল, যাৰ ফলস্বৰূপে মানুহে প্ৰকৃতিৰ কোলাত আহাৰ গ্ৰহণ কৰাটো ফেশ্বন বা পৰম্পৰা হৈ পৰিল।

অসমতো পিকনিকৰ প্ৰচলন এক জনপ্ৰিয় পৰম্পৰা। বিশেষকৈ ডিচেম্বৰৰ মাজভাগৰ পৰা ফেব্ৰুৱাৰী মাহলৈকে চলা মনোমোহা শীতকালত ই এক অপৰিহাৰ্য সামাজিক ব্যৱস্থা হৈ আহিছে। অসমৰ প্ৰকৃতিৰ অনাবিল সৌন্দৰ্যৰে পূৰ্ণ নদ-নদী, যেনে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ পাৰ, পাহাৰৰ মনোমোহা কাষৰীয়া অঞ্চল বা সু-পৰিকল্পিত উদ্যান সমূহ পিকনিকৰ বাবে অতি জনপ্ৰিয় স্থান। অসমত পিকনিকৰ এক অনন্য বৈশিষ্ট্য হ'ল- প্ৰকৃতিক পৰিবেশত খৰিৰ জুইত সকলোৱে মিলি উমৈহতীয়া ভাৱে খাদ্য প্ৰস্তুত কৰা আৰু ভাগ-বতৰা কৰি খোৱা। যি পৰম্পৰাই সমাজৰ লোক সকলৰ মাজত সহযোগিতা আৰু ভাতৃত্ববোধ বৃদ্ধি কৰে।

পিকনিকৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অংশ হ'ল- ইয়াৰ পৰা পোৱা অপৰিসীম আনন্দ আৰু সুখানুভূতি। নদীৰ পাৰ, সেউজীয়া উদ্যান বা পাহাৰৰ দৰে মুকলি আৰু শান্ত প্ৰাকৃতিক পৰিৱেশত বহি খাদ্য গ্ৰহণ কৰাৰ মজাই বেলেগ। চহৰৰ কোলাহল আৰু প্ৰদূষণৰ পৰা আঁতৰি পখীৰ কিৰিলি, পানীৰ কলকলনিৰ শব্দ শুনি, আকাশৰ তলত মুকলি বতাহত খাদ্য গ্ৰহণ কৰাৰ ফলত মনত এক গভীৰ শান্তি অনুভূত হয়। ডাঙৰ- সৰু সকলোৱে একেলগে মন খুলি কথা পাতি, নৃত্য-গীত, হাঁহি-তামাছা কৰি দিনটো কটোৱাটোৱে মানসিক চাপ হ্ৰাস কৰাত সহায় কৰে আৰু শৰীৰক নতুন সতেজতা প্ৰদান কৰে। লগতে ৰন্ধা-বঢ়াৰ সমান্তৰালকৈ চলি থকা বিভিন্ন মনোৰঞ্জন আৰু খেল-ধেমালিৰ কাৰ্যসূচীয়েও মন উৎফুল্ল কৰি তোলে। জন কোলাহলৰ পৰা আতৰত গৈ মুকলি ঠাইত খেলিবলৈ পোৱাটো বিশেষকৈ শিশু সকলৰ বাবে এক দুৰ্লভ সুযোগ। পিকনিকত ৰং- ধেমালি, ঠাট্টা-মস্কৰা আৰু বিভিন্ন হাস্যৰসাত্মক কথা বতৰাইও পৰিৱেশটোক অধিক আনন্দদায়ক কৰি তোলে। প্ৰকৃতিৰ অনুপম পটভূমিত একেলগে উঠা স্মৃতিস্বৰূপ ফটোবোৰে আনন্দৰ সেই মুহূৰ্তবোৰ চিৰদিনৰ বাবে ধৰি ৰাখে।

পিকনিক হৈছে পৰিয়াল আৰু বন্ধু-বান্ধৱৰ মাজত থকা সম্পৰ্কক আৰু অধিক মজবুত কৰাৰ এক উত্তম মাধ্যম। দৈনন্দিন ব্যস্ততাৰ মাজত, একেলগে এক দীঘলীয়া সময় কটোৱাৰ সুযোগ সাধাৰণতে পোৱা নাযায়। পিকনিকত একেলগে ৰন্ধা-বঢ়া কৰা, খাদ্য ভাগ-বতৰা কৰি খোৱা আৰু খেলত অংশগ্ৰহণ কৰাৰ ফলত পাৰস্পৰিক বুজাবুজি আৰু মৰম-স্নেহ বৃদ্ধি পায়। অনানুষ্ঠানিক আৰু মুক্ত পৰিৱেশত, মানুহে সহজে মনৰ কথা পতাৰ ফলত সামাজিক সম্পৰ্কৰ গাঁথনি দৃঢ় হয়। বিশেষকৈ পৰিয়ালৰ পিকনিকত জ্যেষ্ঠ আৰু কনিষ্ঠ প্ৰজন্মৰ লোকসকলে একেলগে সময় কটোৱাৰ সুযোগ পায়। ডাঙৰসকলে সৰুসকলক জীৱনৰ অভিজ্ঞতাৰ কাহিনী শুনায়। যাৰ ফলত সাংস্কৃতিক মূল্যবোধৰ আদান-প্ৰদান আৰু নতুন অভিজ্ঞতাৰ সৃষ্টি হয়।

পিকনিক গুৰুত্বপূৰ্ণ সামাজিক মিলনৰ মাধ্যম। আধুনিক জীৱনশৈলীৰ মানসিক চাপ আৰু নগৰীকৰণে মানুহক প্ৰকৃতিৰ পৰা আঁতৰাই নিয়াৰ ফলত, পিকনিকে 'প্ৰকৃতিৰ সৈতে পুনৰ সংযোগ'ৰ সুযোগ দিয়ে। সকলোৱে চাপমুক্ত হৈ একেলগে সময় কটাই। এই 'ডিজিটেল ডিটক্স'ৰ (Digital Detox) সময়খিনিয়ে মনক সতেজ কৰে আৰু জীৱনৰ সহজ আনন্দ উপভোগ কৰিবলৈ শিকায়। ডিজিটেল ডিট' হৈছে আধুনিক জীৱনত মানসিক আৰু শাৰীৰিক সুস্থতাৰ বাবে এক প্ৰয়োজনীয় অভ্যাস। ডিজিটেল ডিভাইচ ব্যৱহাৰৰ পৰা নিজকে বিশ্ৰাম দি এটা দিনৰ বাবে ইচ্ছাকৃত ভাৱে দুৰত থাকি চাপ মুক্ত হৈ আনন্দৰ মাজেদি পৰিয়াল আৰু বন্ধু বৰ্গৰ লগত কটোৱা এই সময় খিনিয়ে স্বাভাৱিক ভাৱেই প্ৰেৰণা প্ৰদান কৰি মন আৰু মগজুক সক্ৰিয় কৰি তোলাটোৱেই হ'ল সাম্প্ৰতিক সময়ত পিকনিকৰ আটাইতকৈ ইতিবাচক দিশ। সময়ৰ পৰিৱৰ্তনৰ লগে লগে, পিকনিক সহজ বনভোজৰ ধাৰণাৰ পৰা আঁতৰি আহি এক সৰুসুৰা উৎসৱৰ ৰূপ লৈছে, য'ত খাদ্যৰ বৈচিত্ৰ্য আৰু স্থানৰ সজ্জাৰ ওপৰতো গুৰুত্ব দিয়া অপৰিহাৰ্য হৈ পৰিছে।

পৰিশেষত ক'ব পাৰি যে-পিকনিক হৈছে প্ৰকৃতিৰ বুকুত লুকাই থকা সেই আনন্দ, যাৰ আৰম্ভণি হৈছিল সহজভাৱে, কিন্তু এতিয়া ই হৈ পৰিছে এক সামাজিক উৎসৱ, যিয়ে আমাক প্ৰকৃতিৰ সৈতে সংযোগ স্থাপন কৰি, সম্পৰ্কক দৃঢ় কৰি আৰু চাপমুক্ত হৈ আনন্দৰ অনুভৱ কৰাৰ সুযোগ দিয়ে পিকনিকৰ পৰা ঘৰলৈ উভতি অহাৰ সময়ত, প্ৰতিজন ব্যক্তিয়ে নিজৰ লগত কেৱল কিছুমান সুন্দৰ স্মৃতিয়েই লৈ নাহে, বৰঞ্চ প্ৰকৃতিৰ পৰা পোৱা এক নতুন প্ৰেৰণা আৰু জীৱনৰ প্ৰতি এক ইতিবাচক দৃষ্টিভংগীও লৈ আহে। সেয়ে পিকনিকৰ এই সুন্দৰ পৰম্পৰাটোক অধিক অৰ্থবহ কৰি তোলাটো আমাৰ প্ৰতিজনৰে নৈতিক দায়িত্ব। আমাৰ লক্ষ্য হ'ব লাগে এনে এক জীৱনশৈলী গঢ়ি তোলা, য'ত মানুহে প্ৰকৃতিৰ লগত সহবাস কৰি মানসিক শান্তি, আনন্দ আৰু গভীৰ সন্তুষ্টি লাভ কৰিব পাৰে।

## শুভ নৱবৰ্ষ

# নতুন আশাৰ পোহৰ

**ন**তুন মানেই আশাৰ ৰেঙনি
নতুন মানেই সম্ভাৱনাৰ চিকমিকনি
নতুন মানেই শুভ আৰম্ভণি

সময় নিৰন্তৰ, নিৰবধিৰ সময়ৰ গতি। পাৰ হৈ যোৱা সময়বোৰ নাহে উভতি। সম্ভৱনা, আশা আৰু নতুনত্বৰ বাটেৰে আহিল ২০২৬। পাৰ হৈ যোৱা ২০২৫ বৰ্ষ আছিল বৈচিত্ৰ্যপূৰ্ণ। তেনে বৈচিত্ৰ্যৰে পূৰ্ণ হ'ব এই বছৰটো।

শাশ্বত পৃথিৱীত সুখেই সকলোৰে কাম্য। দুখবোৰ এই সুখৰে ছাঁ। এটা এৰি আনটো পৰিপূৰ্ণ নহয়। আমি আশাবাদী জীৱ। আশা কৰাত, সপোন দেখাত বাধা কিহৰ? সকলোৱে দৈনন্দিন এটা সপোনৰ সৈতে জীয়াই থাকে যুঁজি থাকে, নিজক সপোন বোৰৰ জৰিয়তে পুনৰ বাৰ সজাই তোলে। নতুন বছৰৰ আৰম্ভণিত নিজৰ বাবে কৰিব পৰা বহু কাম থাকে। তেনে কামে জীৱনৰ পৰিব্যাপ্তি সলনি কৰি দিব পাৰে। নতুন বছৰৰ প্ৰথম দিনটোতে বহুতে পণ লয়। বেয়াখিনিক শুধৰাই, ভালখিনিক আগুৱাই লৈ যোৱাৰ সুযোগ দিয়ে এই সময়খিনিয়ে। বহুতে নতুন বছৰৰ বুলিয়ে নতুন কৈ নিজৰ পৰিকোপনা সমূহ আত্মহাত কৰে। তেনে দৃষ্টিৰে নতুন বছৰৰ প্ৰথম দিনটো প্ৰাসংগিক হৈ আহিছে আৰু সদায় প্ৰাসংগিক হৈ থাকিব। প্ৰচণ্ড শীতে চুই গৈছে। নিশাৰ প্ৰচুৰ কুঁৱলীৰ অন্তত পুৱাৰ ৰৌদ্ৰোজ্বল পোহৰে নতুন বছৰৰ শুভ বাৰ্তাকে কঢ়িয়াই আনিছে। শুভ কামনাৰ বৰষুণ চৌদিশে সৰিছে। পৰস্পৰে পৰস্পৰৰ কুশল কামনা কৰিছে। এয়াইতো আশীৰ্বাদ। এজনে আনজনৰ বাবে জনোৱা প্ৰাৰ্থনা। হৃদয়ত নতুন পোহৰৰ আগমন। পুৰণিক বিদায় জনাই নতুন প্ৰভাতৰ সৈতে এক লগ সকলোবোৰ।

এই সময়খিনিত জটিলতা নাই। আস্থা আৰু প্ৰত্যয়ৰ মাজত জী উঠা ভাল লগা চেতনাত আমি সকলো ডুব গৈছো। এনেকুৱাই যদি হ'লহেতেন সকলো সময়। হিংসা-প্ৰতিহিংসা, নেতিবাচক চিন্তা, নিৰাশা আমাৰ পৰা বহু যোজন দূৰৈত বৈ গ'ল হয়।

**পদ্ম মৰাণ**

> বছৰৰ শেষত নতুন আগমন
> হয় আৰু এদিন সিয়ো পুৰণি
> হয়। আকৌ নতুন বছৰ আহে
> নতুনৰ আগমন হয়। দিনৰ পাছত
> ৰাতি। ৰাতিৰ পাছত দিন। মাহৰ
> পাছত মাহ। বছৰৰ পাছত বছৰ
> আহে এনেদৰেই নবজাতক আহে
> লাহে লাহে আঁহপাহ মেলি সমৃদ্ধ
> হয় জীৱনৰ ব্যাপ্তি।

নতুন বছৰে সকলোৰে বাবে সুখ আৰু সমৃদ্ধি কঢ়িয়াই আনক। ৰূপান্তৰে জগত ধুনীয়া কৰে, এই ৰূপান্তৰে মূল মন্ত্ৰ হল সঠিক মূল্যায়নে প্ৰগতিৰ নতুন আধাৰ গঢ়া। ২০২৩ বৰ্ষৰ প্ৰথমটো দিনত মঠ-মন্দিৰতো দেখা গ'ল বহু ভিৰ। বছৰৰ প্ৰথমদিনটোত মানুহ ব্যস্ত হৈ পৰিছে বিভিন্ন ধৰণে। সেই ব্যস্ততা প্ৰতিটো দিনেই এনেদৰেই থাকক। নতুনত্বৰে নতুন বছৰৰ সময়বোৰ পৰিপূৰ্ণ হওক। সাহিত্য, সমাজ, ৰাজনীতি, অৰ্থনীতিৰ বুনিয়াদ আৰু সবল হৈ পৰক। উৰ্ধমুখী আমাৰ মনবোৰৰ পৰা নিৰাশা আতৰ হওক।

গতিকে সুখেৰে থাকিম বুলি আমি নতুন বছৰত প্ৰতিশ্ৰুতি ল'ব নোৱাৰোনে? দুখ-বেদনা আদিবোৰতকৈ যিখিনি আমাৰ আছে সেই খিনিকেই আমি আঁকোৱালি ল'ব নোৱাৰোনে? জীৱনত আগুৱাই যাবলৈ, সফলতা লাভ কৰিবলৈ আমি সুখ-দুখ, প্ৰাপ্তি-অপ্ৰাপ্তি সকলোবোৰকেই আঁকোৱালি লোৱাৰ মানসিকতা গঢ়ি তুলিব নোৱাৰোনে?

২০২৫ বৰ্ষটো আছিল উথান-পতনৰ বছৰ। বিভিন্ন ক্ষেত্ৰত অসমীয়া ৰাইজে সফলতাৰ মুখ দেখিলে যদিও একেটা বছৰতে বিশ্ববাসীয়ে প্ৰত্যক্ষ কৰিলে, জনগণৰ দেশ খনত জুবিন গাৰ্গৰ মৃতদেহটো। বহু কেইজন সংগীত সাধনাৰ লগত জড়িত ব্যক্তি নোহোৱা হৈ পৰিল, মানুহৰ মনবোৰ ফাটি যোৱাৰ দৰে হৈ ৰল। কিন্তু নতুন বছৰটোৰ কুঁৱলিৰ আচ্ছাদন ফালি অহা কোমল ৰ'দজাকৰ দৰেই উমাল মানুহৰ মনবোৰ। মানুহ মানেই যেন এবুকু আশা, ভৰষা। জীৱন যুদ্ধত আকৌ এবাৰ অৱতীৰ্ণ হোৱাৰ প্ৰত্যয়। নতুন বছৰত নতুন প্ৰত্যাশাৰে আকৌ এঘড়ী যুঁজি চোৱাৰ হেঁপাহ। এয়াই পশুৰ পৰা মানুহ হোৱাৰ যি যাত্ৰা তাৰ প্ৰমাণ। উত্তৰণৰ প্ৰতীক। নতুন বছৰটোৰ প্ৰথম দিনটোত যেন স্তব্ধ সময়। কোনোবাই যদি বনভোজলৈ গৈছে, তেন্তে আন কোনোবাই পৰিয়াল, শুভাকাংক্ষীৰ সৈতে দৰ্শন কৰিছে ইষ্ট দেৱতাৰ উপাসনাস্থলী। দিনটোৰ অন্তত ক্লান্ত যদিও এক প্ৰাপ্তিৰ আনন্দত আত্মহাৰা এই সকল লোক। স্তিমিত সূৰ্যৰ আভাই তিৰবিৰাই তুলিছিল এই সকল লোকৰ চকু। সন্মুখত এক সম্ভাৱনাপূৰ্ণ ভৱিষ্যত, এৰি থৈ আহিছে বিভিন্ন ঘাত-প্ৰতিঘাত, পোৱা-নোপোৱাৰ হিচাপ। তাৰ মাজতেই নতুন বছৰটোৰ প্ৰথমটো দিন। এই দিনটোৱেই প্ৰত্যেকজন ব্যক্তিলৈ কঢ়িয়াই আনক কেৱল সুখৰ বতৰা। বছৰটো আটাইবোৰ দিনেই সমৃদ্ধিৰে ভৰি পৰক জীৱনবোৰ। পৰিকল্পনা সমূহ স্থায়ী ৰূপ হওক। সকলোৰে জীৱন বোধৰ মূল্যবোধ সমূহ একাত্ম নিৰ্ভিক হৈ পৰক। এয়াইটো আমাৰ কামনা।

বছৰৰ শেষত নতুন আগমন হয় আৰু এদিন সিয়ো পুৰণি হয়। আকৌ নতুন বছৰ আহে নতুনৰ আগমন হয়। দিনৰ পাছত ৰাতি। ৰাতিৰ পাছত দিন। মাহৰ পাছত মাহ। বছৰৰ পাছত বছৰ আহে এনেদৰেই নবজাতক আহে লাহে লাহে আঁহপাহ মেলি সমৃদ্ধ হয় জীৱনৰ ব্যাপ্তি। সকলোৰে জীৱন বোৰ ৰঙীন হওক। জ্যোতি প্ৰসাদ আগৰৱালাই গোৱা গীত টোৰ যোগেদি নতুন বছৰ অভূতপূৰ্ব হৈ পৰক-

"হে নতুন নমস্কাৰ
যুগে যুগে আঁহ তই দেশে দেশে ভাহ তই
ভোহাৰি বিদাৰি ফালি
পুৰণি সংস্কাৰ"

## কালৰ অমিয়া সোঁত

# আৰু নতুনৰ আৱাহন

**স**ময়ৰ অবিৰত সোঁতত এটা বছৰৰ সমাপ্তি আৰু আন এটা বছৰৰ আগমন কেৱল পঞ্জিকাৰ পাত লুটিয়াই দিয়া এক যান্ত্ৰিক প্ৰক্ৰিয়া নহয়, ই হ'ল মানৱাত্মাৰ এক গভীৰ নৱীকৰণৰ উৎসৱ। মহাকালৰ বিশাল বুকুত আমি প্ৰতিটো বছৰ একো একোটা সৰু টোপালৰ দৰে মিলি যাওঁ, য'ত আমাৰ স্মৃতিবোৰ সাগৰৰ নিমখ হৈ ৰৈ যায় আৰু অনাগত সপোনবোৰ শুভ্ৰ ফেনৰ দৰে ওপঙি থাকে। নতুন বছৰটো আমাৰ বাবে এক আধ্যাত্মিক আৰু মানসিক যাত্ৰাৰ আৰম্ভণি, য'ত আমি আমাৰ পুৰণি, জৰাজীৰ্ণ চিন্তাধাৰাক ত্যাগ কৰি এক নব্য মানসিক সাজ পিন্ধিবলৈ প্ৰস্তুত হওঁ। সংবাদ পত্ৰৰ পাতত যেতিয়া নতুন বছৰৰ প্ৰথমটো দিনৰ বাতৰি প্ৰকাশ পায়, তেতিয়া আমি অনুভৱ কৰো যে ইতিহাসৰ এটা অধ্যায়ৰ সমাপ্তি ঘটিছে আৰু এটি কুমাৰী পৃষ্ঠা আমাৰ বাবে মুকলি হৈ পৰিছে। এইটোৱেই সেই ক্ষণ, য'ত মানুহে নিজক পুনৰ আৱিষ্কাৰ কৰাৰ সুযোগ লাভ কৰে।

প্ৰকৃতিৰ বুকুত আমি যি পৰিৱৰ্তন দেখিবলৈ পাওঁ, সেয়াই আমাক নতুনত্বৰ মহত্ত্ব বুজাই দিয়ে। শীতৰ সেই ধূসৰ পৰিৱেশত যেতিয়া গছৰ পৰা শুকান পাতবোৰ সৰি পৰে, সেই পাতখিলাৰ বুকুত কোনো আক্ষেপ নাথাকে। বৰঞ্চ, সেই সৰি পৰা মৃত পাতবোৰেই মাটিত মিলি গৈ নতুন গজালিৰ বাবে সাৰ যোগায়। আমাৰ জীৱনৰ যোৱা বছৰটোৰ বিফলতাবোৰো ঠিক সেই সৰি পৰা পাতবোৰৰ দৰে হোৱা উচিত। যোৱা সময়ছোৱাৰ প্ৰতি কোনো তিক্ততা বা ক্ষোভ নাৰাখি, সেই বিফলতাবোৰক অভিজ্ঞতাৰ সাৰ কৰি লৈ আমি নতুন জীৱনৰ কঠীয়া সিঁচিব লাগে। প্ৰকৃতিৰ এই নীৰৱ শিক্ষাই আমাক সোঁৱৰায় যে বিদায়ৰ মাজতেই নতুনৰ বীজ লুকাই থাকে।

অসমীয়া সমাজ জীৱনত নতুনক আদৰাৰ এক অনন্য আৰু স্বকীয় মাদকতা আছে। আমাৰ গ্ৰাম্য জীৱনৰ সৈতে ঋতুৰ পৰিৱৰ্তনৰ এক আত্মিক সম্পৰ্ক আছে। শীতৰ কুঁৱলীৰ ওৰণি ফালি যেতিয়া পথাৰৰ লখিমী ধান ঘৰৰ ভঁৰাল পায়হি, তেতিয়াই কৃষকৰ মনত নতুন দিনৰ প্ৰতি এক অদম্য বিশ্বাসৰ জন্ম হয়। চহা কৃষকজনৰ বাবে নতুন মানেই হ'ল মাটিৰ সেই পৰিচিত গোন্ধ আৰু আগন্তুক খেতিৰ বাবে কঠীয়া পৰাৰ প্ৰস্তুতি। কেৱল কৃষক বুলিয়েই নহয়, প্ৰতিজন সাধাৰণ মানুহৰ বাবে নতুন বছৰটো হ'ল জীৱনৰ ভাঙি পৰা ঘৰখন আকৌ এবাৰ মেৰামতি কৰাৰ প্ৰতিশ্ৰুতি। ই আমাক শিকায় যে যি ভাঙিছে তাক গঢ়িব পাৰি আৰু যি হেৰাইছে তাৰ ঠাইত নতুনকৈ সজাব পাৰি। মানুহৰ জীৱনটো এটা চিৰপ্ৰবাহী নদীৰ দৰে। লুইতৰ বুকুত যিদৰে প্ৰতিবছৰে পলস পৰে আৰু সেই পলসৰ উৰ্বৰতাতেই শস্যৰ পথাৰ লহপহকৈ বাঢ়ে, আমাৰ জীৱনৰ অতীতৰ দুখ-যন্ত্ৰণাবোৰো তেনেদৰেই অভিজ্ঞতাৰ পলস হৈ ৰৈ যায়। মানুহে কেতিয়াও অতীতক পাহৰিব নোৱাৰে, কিন্তু সেই অতীতক ভৱিষ্যত গঢ়াৰ ভেটি হিচাপে ব্যৱহাৰ কৰিব পাৰে। যোৱা বছৰৰ সেই নিদাৰুণ অভিজ্ঞতাৰ পলসতে আমি আমাৰ ভৱিষ্যতৰ অট্টালিকা গঢ়ো। নদীৰ দৰেই আমাৰ জীৱনত কেতিয়াবা বানপানীৰ দৰে সংকট আহে, কেতিয়াবা খৰাঙৰ দৰে নিস্তব্ধতা আহে, কিন্তু গতিক ৰুদ্ধ নকৰাটোৱেই জীৱনৰ আচল ধৰ্ম।

সামাজিক প্ৰেক্ষাপটত নতুন বছৰৰ প্ৰাসংগিকতা আজিৰ সময়ত আৰু অধিক গভীৰ হৈ পৰিছে। বৰ্তমানৰ ঘৃণা, বিদ্বেষ আৰু বিভাজনৰ পৃথিৱীখনত নতুন বছৰটোৱে

**এ.আৰ ৰহমান**

এক শান্তিময় এনাজৰী হৈ অহাৰ অত্যন্ত প্ৰয়োজন। আমি প্ৰায়ে অভিযোগ কৰোঁ যে পৃথিৱীখন বৰ জটিল হৈ পৰিছে, মানুহবোৰ সলনি হ'ব লাগে। কিন্তু আমি এইটো সহজ সত্য পাহৰি যাওঁ যে পৃথিৱীখন সলনি কৰিবলৈ হ'লে প্ৰথমে নিজৰ দৃষ্টিভংগী সলনি কৰিব লাগিব। নতুন বছৰৰ প্ৰথমটো কিৰণে আমাক সোঁৱৰাই দিয়ে যে আন্ধাৰ যিমানেই ঘন নহওক কিয়, পোহৰৰ এটা সৰু কণিকাই তাক নাশ কৰিবলৈ যথেষ্ট। গতিকে আমি সমাজৰ বাবে একো একোটা পোহৰৰ উৎস হোৱাৰ সংকল্প ল'ব লাগে।

মনোবিজ্ঞানৰ দৃষ্টিৰে চালে দেখা যায় যে মানুহৰ মনস্তত্ত্বই সদায় নতুনত্বৰ মাজত শান্তি বিচাৰে। মনোবিজ্ঞানত ইয়াক 'Fresh Start Effect' বুলি কোৱা হয়। নতুন বছৰৰ আৰম্ভণিয়ে আমাক এক মানসিক সকাহ দিয়ে যে যিবোৰ বিফলতা বা দুখ যোৱা বছৰত আমাৰ লগৰী আছিল, সেইবোৰ এতিয়া অতীতৰ গৰ্ভত। কিন্তু এই 'নতুনত্ব' যেন কেৱল পহিলা জানুৱাৰীতেই আৱদ্ধ হৈ নাথাকে। প্ৰতিটো সূৰ্যোদয়ৰ লগে লগে আমি নতুন হ'ব পাৰিব লাগে। আমাৰ সমাজত এতিয়া দৰকাৰ হৈছে নতুন আৰু গঠনমূলক চিন্তাৰ উন্মেষ। যি চিন্তাৰ জৰিয়তে আমি প্ৰকৃতিৰ সংৰক্ষণ কৰিব পাৰো, মানুহৰ মাজত ভাতৃত্ববোধ গঢ়িব পাৰো। মহান কবি টি.এছ. এলিয়টৰ সেই কালজয়ী উক্তিটো ইয়াত বৰ প্ৰাসংগিক— "For last year's words belong to last year's language and next year's words await another voice."

নতুন বছৰটোৱে আমাক আত্ম-সমালোচনাৰ এক সুযোগ প্ৰদান কৰে। গোটেই বছৰটোত আমি কিমান দূৰ আগুৱাই গ'লো, কিমানজনক হুঁহুৱালো আৰু কাৰোবাৰ চকু পানীৰ কাৰণ হ'লো নেকি, এইবোৰৰ হিচাপ মিলালেহে নতুনত্বৰ প্ৰকৃত অৰ্থ বিচাৰি পোৱা যায়। মানুহৰ জীৱনত সময়তকৈ মূল্যবান একো নাই। সেই মূল্যবান সময়ৰ সোঁতত আমি যাতে কেৱল কাঠৰ টুকুৰাৰ দৰে উটি নাযাওঁ, তাৰ বাবে আমাক লাগিব এক দৃঢ় লক্ষ্য। বৰ্তমানৰ এই যান্ত্ৰিক যুগত আমি যন্ত্ৰৰ দৰে কাম কৰি আছোঁ যদিও আমাৰ হৃদয়ৰ মানৱীয় অনুভূতিবোৰ যাতে ম্লান হৈ নাযায়, তাৰ প্ৰতি সচেতন হোৱাৰ বাবে নতুন বছৰে আমাক সোঁৱৰাই দিয়ে।

শেষত, নতুন বছৰৰ এই প্ৰাকক্ষণত আমাৰ এটাই প্ৰাৰ্থনা হোৱা উচিত, আমাৰ হৃদয়ৰ পৰা যাতে সংকীৰ্ণতাৰ আন্ধাৰ আঁতৰে আৰু জ্ঞানৰ পোহৰ বিয়পি পৰে। পৃথিৱীৰ প্ৰতিটো কোণত থকা মানুহে যাতে ভোক, যুদ্ধ আৰু হিংসাৰ পৰা মুক্তি পায়, তাৰ বাবে আমি এক সামূহিক চেতনা গঢ়িব লাগিব। এটা বছৰ শেষ হোৱা মানে এটা মৃত্যু নহয়, বৰঞ্চ নতুন এটা জীৱনৰ মহিমামণ্ডিত আৰম্ভণিহে। আমি যেন যোৱা বছৰৰ আঘাতবোৰক আঘাত হিচাপে নলৈ অভিজ্ঞতাই পকাই তোলা একো একোটা অলংকাৰ হিচাপে গ্ৰহণ কৰিব পাৰো। সকলোৰে মনত একেই প্ৰতিধ্বনি হওক— "নতুন বছৰটোৱে মোক সলনি নকৰক, মইহে নতুন বছৰটোক মোৰ কৰ্মৰে নতুন ৰূপ দিওঁ।" এই শুভচিন্তাৰে আমি নতুনক আদৰিব লাগিব, য'ত থাকিব কেৱল প্ৰেম, কৰুণা আৰু এক অনন্ত আশাৰ পৃথিৱী। নতুন বছৰৰ পোহৰে আমাৰ মাজৰ পৰা বিষাদৰ চেঁকুৰাবোৰ ধুই মচি এক নিৰ্মল ভৱিষ্যতৰ ফালে আগুৱাই লৈ যাওক। এই যাত্ৰা হওক শান্তিৰ, এই যাত্ৰা হওক মানৱতাৰ।

বহিৰাগতৰ ভূমি ক্ৰয় সীমিত কৰি নতুন ভূমি আইন প্ৰৱৰ্তনৰ দাবী

# নলবাৰীত যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতিবাদী সমদল




**অসম বাৰ্তা, নলবাৰী, ২৯ ডিচেম্বৰ ঃ** কাৰ্বি আংলঙ জিলাৰ খিলঞ্জীয়া জনজাতীয় সকলকে ধৰি অসমৰ সকলো থলুৱা খিলঞ্জীয়া লোকৰ ভূমি আৰু ৰাজনৈতিক অধিকাৰ সুৰক্ষাৰ দাবীত আজি গুৱাহাটী, নগাঁও আৰু নলবাৰীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে বৃহৎ প্ৰতিবাদী সমদল কাৰ্যসূচী ৰূপায়ণ কৰিছে। তিনিচুকীয়া, লখিমপুৰ, নগাঁও আৰু নলবাৰী জিলাৰ সদৰত ৰূপায়ণ কৰা এই কাৰ্যসূচীৰ অন্ততঃ সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পলাশ চাংমাই আৰু সাধাৰণ সম্পাদক বিজন বায়নে কয় যে শেহতীয়াভাৱে কাৰ্বিআংলং জিলাত বহিৰাগতই থলুৱা জনজাতীয় লোকৰ ভূমি বেদখল কৰাৰ লগতে থলুৱা কাৰ্বি জনজাতীয় লোকৰ ৰাজনৈতিক অধিকাৰ খৰ্ব কৰি কাৰ্যত খিলঞ্জীয়া কাৰ্বি সকলৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। এয়া অসমৰ থলুৱা খিলঞ্জীয়া জাতি জনগোষ্ঠীৰ ভৱিষ্যতৰ প্ৰতি এক ভয়াবহ অশনি সংকেত। কাৰ্বি পাহাৰ জিলাত হিন্দী, বঙালী ভাষা বহিৰাগতই জনজাতীয় কাৰ্বি সকলক প্ৰবঞ্চনা কৰি মাটি ক্ৰয় কৰাৰ লগতে জিলা খনৰ পিজিআৰ আৰু ভিজিআৰ অঞ্চল সমূহৰ মাটি বেদখল কৰি কাৰ্বিপাহাৰ জিলাত জনজাতীয় লোকৰ অস্তিত্ব বিপন্ন কৰিছে। দেশৰ সংবিধান অনুসৰি ষষ্ঠ অনুসূচীভুক্ত অঞ্চলত অন্য লোকে ভূমি ক্ৰয়, দখল আদিৰ জৰিয়তে ভূমিৰ অধিকাৰ লাভ কৰিব নোৱাৰে। কিন্তু পৰিতাপৰ বিষয় যে ষষ্ঠ অনুসূচীৰ সকলো বিধি বিধান উলংঘা কৰি কাৰ্বিপাহাৰ জিলাত বহু আগৰে পৰা বহিৰাগতই আগ্ৰাসন চলাই সম্প্ৰতি জনজাতীয় লোকৰ অস্তিত্ব বিপন্ন কৰিছে। ইতিমধ্যে জিলাখনত লাখ লাখ বহিৰাগতই নিগাজীকৈ থিতাপী লৈছে। আনকি এই বহিৰাগত সকলে মাটি সম্পতি ভোগ কৰি থকাৰ উপৰিও ৰাজনৈতিক অধিকাৰো সাৱস্ত্য কৰিবলৈ সক্ষম হৈছে। গোঁজেই গঁজালি মেলি সম্প্ৰতি এই বহিৰাগত সকলে অসমৰ আটাইতকৈ প্ৰাচীন থলুৱা ভূমিপুত্ৰ কাৰ্বি সকলক তেওঁলোকৰ স্বভূমিত নিৰ্যাতন নিপীড়িন আৰম্ভ কৰিছে। এয়া অত্যন্ত দুৰ্ভাগ্যজনক বিষয়। ইয়াৰ বাবে কেৱল বৰ্তমানৰ চৰকাৰেই নহয় পূৰ্বৰ চৰকাৰ সমূহো জগৰীয়া। বিগত সময়ত উত্তৰ ভাৰতীয় বহিৰাগত সকলক জনজাতীয় বেল্ট আৰু ব্লকত নিগাজীকৈ বসবাস কৰিবলৈ সুবিধা দিয়াৰ ফলত সম্প্ৰতি জনজাতি সকলৰ অস্তিত্ব গভীৰ সংকটত পৰিছে। ইফালে বৰ্তমানৰ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনে অসমৰ অন্য প্ৰান্তত পিজিআৰ, ভিজিআৰ আৰু সংৰক্ষিত বনাঞ্চলৰ মাটিত অবৈধভাৱে ভূমি বেদখল কৰা সকলক উচ্ছেদ কৰিছে। কিন্তু তাৎপৰ্যপূৰ্ণ ভাৱে কাৰ্বিপাহাৰত হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ বুলডুজাৰ থমকি ৰৈছে। ইয়াৰ অন্তৰালৰ কাৰণ হল উত্তৰভাৰতীয় মূলৰ লোক সকলৰ বৃহৎ ভোট বেংক। অসমৰ জনজাতীয় লোক সকল নিচিহ্ন হৈ গলেও বিজেপি দলে অসমৰ উত্তৰভাৰতীয় বহিৰাগত সকলৰ স্বাৰ্থৰ বিপৰীতে কোনো পদক্ষেপ গ্ৰহণ কৰিব নিবিছাৰে, এয়া বাস্তৱ সত্য। পৰিষদৰ নেতাদ্বয়ে লগতে কয় যে অসমৰ ভূমিপুত্ৰ কাৰ্বি সকলৰ কাৰ্বি পাহাৰৰ বাহিৰে বিশ্বৰ কোনো প্ৰান্তত নিজস্ব অন্য ভূমি সম্পত্তি নাই। কাৰ্বিআংলঙেই কাৰ্বি সকলৰ নিজা মাতৃভূমি। তাৰ বিপৰীতে কাৰ্বি পাহাৰত আগ্ৰাসন চলোৱা হিন্দীভাষী, বঙালীভাষী বা অনান্য সকলৰ নিজা নিজা ৰাজ্যত ভূমি আছে। তেনে পৰিপ্ৰেক্ষিতত বহিৰাগত সকলে কাৰ্বি ভূমিপুত্ৰ সকলক তেওঁলোকৰ নিজা ভূমিতে অগ্ৰাসনৰ জৰিয়তে ভূমিহীন কৰিলে কাৰ্বিসকল থিতাপি নোহোৱা হব। সেয়েহে অসম চৰকাৰে অনতিবিলম্বে কাৰ্বিআংলঙত থকা সকলো বগিৰাগতক উচ্ছেদ কৰি খিলঞ্জীয়া ভূমিপুত্ৰ কাৰ্বি সকলক সুৰক্ষা প্ৰদান কৰিব লাগে। এয়া অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ স্পষ্ট দাবী। ইফালে বৰ্তমানৰ ৰাজ্য চৰকাৰ খনেও ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কাৰ্বি আংলং, ডিমা হাছাও, বিটিচি আদিৰ লগতে জনজাতীয় বেল্ট, ব্লক আনকি বনাঞ্চলৰ হেজাৰ হেজাৰ বিঘা মাটি বহিৰাগত পুঁজিপতি বণিক গোষ্ঠীক দিয়াৰ ব্যৱস্থা কৰিছে। ৰাজ্য চৰকাৰৰ এনে কাৰ্যই ও অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰ সকলৰ স্বাৰ্থত আঘাত সানিছে। বিবৃতিটোত পৰিষদৰ নেতাদ্বয়ে লগতে কয় যে কেৱল কাৰ্বিভূমিয়েই নহয় সম্প্ৰতি সমগ্ৰ অসমৰ সকলো থলুৱা খিলঞ্জীয়া লোকেই অস্তিত্বৰ সংকটত আছে। খিলঞ্জীয়া সকলৰ ৰাজনৈতিক অধিকাৰ অধিকাৰো বিদেশী তথা বহিৰাগতৰ অগ্ৰাসনৰ ফলত খৰ্ব হৈছে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে অসমৰ ভূমি আইন সংস্কাৰ কৰি বহিৰাগত সকলে অবাধে ভূমি ক্ৰয় কৰা প্ৰক্ৰিয়া ৰোধ কৰাৰ বাবে নতুন ভূমি আইন প্ৰৱৰ্তনৰ দাবী পূৰ্বৰে পৰা কৰি আহিছে। সম্প্ৰতি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ এই দাবীৰ ন্যায্যতা আৰু প্ৰাসংগিকতা অধিক আহি পৰিছে। ইফালে আজি প্ৰতিবাদী কাৰ্যসূচীৰ অন্তত কাৰ্যসূচী ৰূপায়ণ কৰা সংশ্লিষ্ট জিলা কেইখনৰ আয়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখনি স্মাৰক পত্ৰ প্ৰদান কৰি অনতিবিলম্বে অসমত খিলঞ্জীয়াৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে বহিৰাগতক ভূমি ক্ৰয়ৰ ক্ষেত্ৰত প্ৰতিবন্ধকতা আৰোপ কৰি এখন কঠোৰ আইন প্ৰৱৰ্তন কৰাৰ দাবী জনাইছে যুৱ-ছাত্ৰ পৰিষদে। অন্যহাতে অসমৰ থলুৱা খিলঞ্জীয়া সকলৰ ভূমি সম্পত্তি আৰু ৰাজনৈতিক অধিকাৰ সুৰক্ষাৰ ক্ষেত্ৰত হিমন্ত বিশ্ব শৰ্মা চৰকাৰ ব্যৰ্থ হৈছে। হিমন্ত বিশ্ব শৰ্মা চৰকাৰে কেৱল ভোটৰ অংকত খিলঞ্জীয়াৰ কথা কয়। দৰাচলতে চৰকাৰৰ খিলঞ্জীয়াৰ ভূমি আৰু ৰাজনৈতিক অধিকাৰ সুৰক্ষাৰ বিষয়টোত সদিচ্ছা থকা হেঁতেন অসমৰ ভূমি আইন সংস্কাৰ কৰাৰ লগতে জনজাতীয় ব্লক আৰু বেল্টত পুঁজিপতি বণিক গোষ্ঠীক অবাধে ভূমি আৱণ্টন নিদিলে হেঁতেন। হিমন্ত বিশ্ব শৰ্মা চৰকাৰে যদিহে অসমৰ থলুৱা খিলঞ্জীয়াৰ অস্তিত্ব সুৰক্ষিত কৰিব বিছাৰে তেতিয়াহলে ভাৰতৰ সংবিধানৰ ষষ্ঠ অনুসূচী কঠোৰভাৱে কাৰ্যকৰী কৰিব লাগিব।

সমাজৰ উত্তৰণৰ ক্ষেত্ৰত আগবঢ়োৱা বিশেষ সেৱাৰ বাবে বিভিন্নজনক সম্বৰ্ধনা

# বুনিয়াদৰ উদ্যোগত ইটাখোলাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠান

**অসম বাৰ্তা, নদুৱাৰ, ২৯ ডিচেম্বৰ ঃ** বৃহত্তৰ ইটাখোলাৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান বুনিয়াদৰ উদ্যোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠান আজি ইটাখোলাস্থিত ১নং ইটাখোলা প্ৰাথমিক বিদ্যালয় প্ৰাংগনত দিনযোৰা কাৰ্য্যসূচীৰ অনুষ্ঠিত হয়। সামৰণি অনুষ্ঠানটি আৰম্ভ হোৱাৰ প্ৰাক ক্ষণত সুধাকণ্ঠ ড.ভূপেন হাজৰিকা আৰু অসমৰ সংগীত জগতৰ ভোটাতৰা তথা হাৰ্টথ্ৰব জুবিন গাৰ্গক শ্ৰদ্ধাৰ্ঘ্য অৰ্পণ কৰে বুনিয়াদৰ স্থায়ী সভাপতি জিতেন কাকতিয়ে। অনুষ্ঠানৰ আঁত ধৰে বুনিয়াদৰ সম্পাদক হেমন্ত নাথে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছতেই মধ্য নাগশংকৰ গাঁও পঞ্চায়তৰ সভাপতি লক্ষ্মীকান্ত বৰাৰ সঞ্চালনাত মুকলি সভাখন আৰম্ভ হয়। সভাত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰে জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত অভিযন্তা তৰুণ শৰ্মাই। ড° ভূপেন হাজৰিকাৰ জীৱন পৰিক্ৰমাৰ সন্দৰ্ভত মননশীল বক্তব্য প্ৰদান কৰি শিল্পীগৰাকীৰ সৃষ্টি ৰাজিৰ ওপৰত আলোকপাত কৰে। বিশিষ্ট অতিথি হিচাপে আসন গ্ৰহণ কৰে পাণপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিশ্বজিৎ হাজৰিকা আৰু ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ প্ৰাপ্ত প্ৰাক্তন সৈনিক উমা ছেত্ৰীয়ে। ইয়াৰ পিছত বৃহত্তৰ অঞ্চলটোৰ দাতা সাবিত্ৰী দেৱীয়ে প্ৰদান কৰা লখিমী শৈক্ষিক ন্যাসৰ বঁটা লাভ কৰে শিক্ষক, সাংবাদিক শিবু মজুমদাৰে। দাতা প্ৰণতি হাজৰিকা বৰাই প্ৰদান কৰা লাহৰী শৈক্ষিক ন্যাসৰ বঁটা লাভ কৰে শিক্ষয়ত্ৰী আৰতী মাহালীয়ে, দাতা জিতেন কাকতিয়ে প্ৰদান কৰা শ্ৰীধৰ কাকতি শৈক্ষিক ন্যাসৰ বঁটা লাভ কৰে শিক্ষক অজিত শইকীয়াই। দাতা মনোৰমা কটকী আৰু স্বৰাজ কটকী (সঞ্চালক)য়ে ভোলা কটকীৰ সোঁৱৰণত প্ৰদান কৰা বিশ্বৰূপা প্ৰডাকচন শৈক্ষিক সাংস্কৃতিক ন্যাসৰ বঁটা লাভ কৰে ভাস্কৰ্য শিল্পী প্ৰতুল বৰাই। অসম চৰকাৰৰ "যুৱ লেখক সন্মান" লাভ কৰাৰ বাবে কবি, লেখক, সমাজকৰ্মী, সাংবাদিক, শিক্ষক বিশ্বজিৎ সূত আৰু ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ বাবে কৃতিমান ছাত্ৰী ড° উপাসনা নাথক উষ্ম অভিনন্দন জনাই সম্বৰ্ধনা জ্ঞাপন কৰে। বঁটা আছিল ফুলাম গামোচা, শৰাই আৰু সম্বৰ্দ্ধনা পত্ৰ। সম্বৰ্দ্ধনা অনুষ্ঠানৰ আঁত ধৰে বুনিয়াদৰ সভাপতি জিতেন কাকতিয়ে। ইয়াৰ পিছতে বুনিয়াদৰ অন্যতম শাখা সাহিত্য শাখাৰ উদ্যোগত ড° ভূপেন হাজৰিকাৰ জন্ম-শতবাৰ্ষিকী উপলক্ষ্যে ডিপলোঙা, জয়সিদ্ধি, ইটাখোলা, বালিজুৰি আদি এলেকাৰ বিভিন্ন বিদ্যালয় সামৰি অনুষ্ঠিত হৈ যোৱা ৰচনা প্ৰতিযোগিতাৰ পুৰস্কাৰ প্ৰদান কৰে। স্থান প্ৰাপ্ত প্ৰতিযোগীসকলক্ৰমে ক শাখাত- প্ৰথম ঃ কৃষ্ণাংগী ফুকন (অসম আদৰ্শ বিদ্যালয়, বৰপাম), দ্বিতীয় ঃ পৰিস্মীতা কলিতা (শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়, ২ নং শান্তিপুৰ), তৃতীয় ঃ দিক্ষীতা শইকীয়া (বি.আই.চি. হাইস্কুল, ইটাখোলা) আৰু খুচী ঘাটোৱাল (অসম আদৰ্শ বিদ্যালয়, বৰপাম), খ শাখাত- প্ৰথমঃ পৰিস্মীতা বৰা (শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়, ২নং শান্তিপুৰ), দ্বিতীয়ঃ বিতুপন বৰকাকতী (ব্লু পাইন ইংলিছ হাইস্কুল, ইটাখোলা), তৃতীয়ঃ পূৰ্ণিমা ৰায় (বালিজুৰি উচ্চ মাধ্যমিক বিদ্যালয়। অনুষ্ঠানটিত অপৰাজিতা গগৈ সংগীত কলাকেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন নৃত্য-গীতৰ মাজেৰে ৰসাল কৰি সকলোকে আপ্লুত কৰে। বুনিয়াদৰ উদ্যোগত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত উপস্থিত থাকে বুনিয়াদৰ প্ৰাক্তন সভাপতি গাজিলাল তচা, উপদেষ্টা বেনিমাধৱ বৰা, মিণ্টু নাথ, সাহিত্য শাখাৰ সভাপতি ললিত নাথ, শিক্ষা শাখাৰ সভাপতি ৰাজেন্দ্ৰ কলিতা, নাগশংকৰ আলোকৰ সম্পাদক পুতুল বৰা, বুনিয়াদৰ ভাৰত দাস, প্ৰকাশ বৰা, মিণ্টু কটকী, হৰেণ নাথ, দিপ শইকীয়া, অনিমা শইকীয়া, ৰিণা ভূঞা, অনিল ছাহ আদিৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি। দলীয় নৃত্য প্ৰদৰ্শনৰে সৰ্বাংগ সুন্দৰ অনুষ্ঠানৰ সফল সামৰণি পৰে।

# কামৰূপ জিলা সাঁতোৰ সন্থাৰ উদ্যোগত এদিনীয়া অপেন ৱাটাৰ সাঁতোৰ প্ৰশিক্ষণ সম্পন্ন



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৯ ডিচেম্বৰ ঃ** একুৱেটিক চেম্পিয়নশ্বিপসমূহৰ ভিতৰত অপেন ৱাটাৰ সাঁতোৰে বৰ্তমান সমগ্ৰ বিশ্বতে যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিছে। অসমতো এই জলক্ৰীড়াই ক্ৰমাৎ বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে, ১৯৭২ চনত প্ৰয়াত ইন্দ্ৰেশ্বৰ গোস্বামী আৰু বংশী কলিতাৰ প্ৰচেষ্টাত ব্ৰহ্মপুত্ৰ পাৰাপাৰ সাঁতোৰ প্ৰতিযোগিতা আৰম্ভ হৈছিল আৰু প্ৰায় দুটা দশক ধৰি এই ঐতিহাসিক প্ৰতিযোগিতা নিয়মিতভাৱে অনুষ্ঠিত হৈ আহিছিল। এই পৰম্পৰাক আগবঢ়াই নিয়াৰ লক্ষ্যৰে দেওবাৰে কামৰূপ জিলা সাঁতোৰ সন্থাৰ উদ্যোগত এদিনীয়া অপেন ৱাটাৰ সাঁতোৰ প্ৰশিক্ষণ কাৰ্যসূচী সফলভাৱে সম্পন্ন হয়। কামৰূপ জিলা সাঁতোৰ সন্থাৰ প্ৰশিক্ষক মুকুটেশ্বৰ গোস্বামী আৰু এন আই এছ প্ৰশিক্ষক মমী বৰ্মনৰ তত্ত্বাৱধানত দিনৰ ১১ বজাৰ পৰা উত্তৰ গুৱাহাটীৰ মধ্যমখণ্ড পাৰঘাটত ব্ৰহ্মপুত্ৰ নদীত এই বিশেষ প্ৰশিক্ষণ অনুষ্ঠিত হয়। প্ৰশিক্ষণ কাৰ্যসূচীত ৮ গৰাকী ৰাষ্ট্ৰীয় পৰ্যায়ৰ সাঁতোৰ খেলুৱৈ ডেলিচা পাঠক, লুনা বনিয়া, মেৰিডিনী পাটোৱাৰী, দেৱাৰুণ হাজৰিকা, প্ৰবাল দাস, আদিত্য গগৈ, বেদাংশী বৰুৱা গুহা আৰু কাব্যম গোস্বামীয়ে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণৰ সময়ত নদীৰ সোঁত বুজা, সুৰক্ষা ব্যৱস্থা, দীৰ্ঘ দূৰত্ব সাঁতোৰ কৌশল, দিশ নিৰ্ণয় আৰু শাৰীৰিক-মানসিক প্ৰস্তুতি সম্পৰ্কে খুটিনাটি দিশত প্ৰশিক্ষণ প্ৰদান কৰা হয়। অসম সাঁতোৰ সংস্থাৰ সম্পাদক ভাস্কৰ ৰঞ্জন দাসৰ নিৰ্দেশ মৰ্মে আয়োজন কৰা এই এদিনীয়া অপেন ৱাটাৰ সাঁতোৰ প্ৰশিক্ষণৰ জৰিয়তে ভৱিষ্যতে অসমৰ সাঁতোৰ খেলুৱৈসকলক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় জলক্ৰীড়া ক্ষেত্ৰত অধিক শক্তিশালী ৰূপত গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে। লগতে অপেন ৱাটাৰ সাঁতোৰক অসমৰ চুকে-কোণে জনপ্ৰিয়তা প্ৰসাৰ প্ৰচাৰৰ বাবে ২০২৬ বৰ্ষত অসম সাঁতোৰ সন্থাৰ তৰফৰ পৰা ১ কিঃমিঃ, ৩কিঃমিঃ, ৫ কিঃমিঃ সাঁতোৰ প্ৰতিযোগিতা আয়োজন কৰা হ'ব। এইধৰণৰ প্ৰশিক্ষণে অসমক ভাৰতবৰ্ষৰ জলক্ৰীড়া মানচিত্ৰত এক বিশেষ স্থান দিয়াত সহায় কৰিব বুলি আয়োজকসকলে আশা প্ৰকাশ কৰিছে।

ডাইমণ্ড উন্নয়ন সমিতিৰ (এন.জি অ') সৌজন্যত বৰক্ষেত্ৰীৰ ৰামপুৰ-লাৰকুছিত আজিৰে পৰা চতুৰ্থ বাৰ্ষিক গ্ৰন্থ আৰু বাণিজ্য মেলাৰ শুভাৰম্ভণি

# বৰক্ষেত্ৰীৰ লাৰকুছিত সাতদিনীয়াকৈ গ্ৰন্থ আৰু বাণিজ্য মেলাৰ বিশাল আয়োজন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৯ ডিচেম্বৰ ঃ** বৰক্ষেত্ৰীৰ ৰামপুৰ লাৰকুছিৰ কুৰুৱাট্টাৰী বড়ো চুপা সমন্বয় ক্ষেত্ৰত ২৯ ডিচেম্বৰৰ পৰা ৫ জানুৱাৰী ২০২৬ ইংৰাজী বৰ্ষলৈ সাতদিনীয়াকৈ গ্ৰন্থ আৰু বাণিজ্য মেলাৰ বিশাল আয়োজন চলিছে। উছমান আহমেদৰ(মেণ্টৰ) তত্ত্বাৱধানত অইন বেলিৰ দৰে এইবেলিও সাতদিনীয়াকৈ গ্ৰন্থ আৰু বাণিজ্য মেলাৰ আয়োজন কৰিছে। সৰবৰহী যুৱক আনোৱাৰ হুছেইন(বৰা)ক পৰিচালনা সমিতিৰ সভাপতি, জাহিদুল ইছলামক কাৰ্য্যকৰী সভাপতি, ফাৰুক হুছেইন, ৰফিকুল ইছলাম আৰু একাব্বৰ আহমেদক পৰিচালনা কমিটিৰ যুটীয়া সম্পাদক, আলতাফ হুছেইন(বৰাক) তদাৰক কমিটিৰ সম্পাদক, শ্বাহৰুখ হুছেইন আৰু ছোৰহাব আলী, আবুবক্কৰ ছিদ্দিকক উপদেষ্টা হিচাপে লৈ গঠিত সমিতিয়ে জনোৱা অনুসৰি, আজি প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৮ বজাত স্বচ্ছ অভিযান, ৯ বজাত পতাকা উত্তোলন কৰে মাজদিয়া আৰক্ষী চকীৰ উপ পৰিদৰ্শক, ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লোকমান আলী আহমেদে, ১০ বজাত বৃক্ষৰোপণ কৰে ১৯ নং হৰিপুৰ জিলা পৰিষদৰ সদস্য হাইদৰ আলী আহমেদে, ১১ বজাত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰে ডাঃ চাহনুৰ আলী আৰু হাইদৰ আলী আহমেদে। দুপৰীয়া ১২ বজাত গ্ৰন্থ আৰু বাণিজ্য মেলাৰ শুভ উদ্বোধন কৰে দৌলাশাল আৰক্ষী চকীৰ উপ পৰিদৰ্শক জ্যোতি কমল বণিয়াই। ১ বজাত বয়োজ্যেষ্ঠ মুৰব্বীসকলক সম্বৰ্ধনা অনুষ্ঠানৰ পিছতে কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। আবেলি ৫ বজাত অসমৰ হিয়াৰ আমঠু, হাৰ্টথ্ৰব জুবিন গাৰ্গলৈ সমূহীয়া শ্ৰদ্ধাঞ্জলিৰ লগতে আত্মাৰ চিৰশান্তি কামনাৰে বন্তি প্ৰজ্বলন কৰে। সন্ধিয়া ৭ বজাত সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ প্ৰিয়ংকা কলিতাৰ গীতৰ শৰাইৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ অন্ত পৰিব। দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি স্বচ্ছ অভিযান, ভেশচন প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, কবি সন্মিলন, অধিবক্তা আমিৰুল ইছলামৰ 'অবুজ সূৰুয' শীৰ্ষক গ্ৰন্থ উন্মোচনৰ পিছতেই সাংস্কৃতিক সন্ধিয়াৰে দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ অন্ত পৰিব। আনহাতে, তৃতীয় দিনাৰ কাৰ্যসূচী অনুসৰি ৰাতিপুৱা স্বচ্ছ অভিযান, আকস্মিক বক্তৃতা প্ৰতিযোগিতা, তৰ্ক প্ৰতিযোগিতা, কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা অনুষ্ঠান, অসম ভিত্তিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। চতুৰ্থ দিনাৰ কাৰ্যসূচী অনুসৰি স্বচ্ছ অভিযান, চিত্ৰাংকন প্ৰতিযোগিতা, কবিতা আবৃত্তি প্ৰতিযোগিতা, মুৰব্বীসকলৰ সম্বৰ্ধনা অনুষ্ঠান, স্থানীয় শিল্পীৰ দ্বাৰা জুবিন গাৰ্গৰ গীত-মাত পৰিৱেশনৰ পিছতে সন্ধিয়া সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰিব। পঞ্চম দিনাৰ কাৰ্যসূচী অনুসৰি স্বচ্ছ অভিযান, থিতাতে ৰচনা লিখা প্ৰতিযোগিতা, বাল্য বিবাহ আৰু মাদক দ্ৰব্যৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। ইয়াৰ পিছতে স্থানীয় শিল্পীৰ দ্বাৰা নাট পৰিৱেশনৰ পিছতে সাংস্কৃতিক অনুষ্ঠান চলিব। ষষ্ঠ দিনাৰ কাৰ্যসূচী অনুসৰি স্বচ্ছ অভিযান, কণকণ ল'ৰা ছোৱালীৰ বাবে বাৰেৰহনীয়া খেল-ধেমালি, মুকলি সভাৰ পিছতে সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান চলিব। সপ্তম দিনাৰ কাৰ্যসূচী অনুসৰি স্বচ্ছ অভিযান, বঁটা বিতৰণী অনুষ্ঠান, সামৰণি অনুষ্ঠানৰ পিছতে সন্ধিয়া বাৰেবৰনীয়া সামৰণি সাংস্কৃতিক অনুষ্ঠানেৰে চতুৰ্থ বাৰ্ষিক গ্ৰন্থ আৰু বাণিজ্য মেলাৰ বিস্তৃত কাৰ্যসূচীৰ অন্ত পৰিব। উল্লেখ্য যে প্ৰতি বছৰে এই গ্ৰন্থ আৰু বাণিজ্য মেলাত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰতিদিনে ৫ৰ পৰা ৬ হেজাৰ লোকে আহি ভীৰ কৰে বুলি জানিবলৈ দিয়ে উদ্যোক্তাসকলে।




দুদিনীয়া কাৰ্যসূচীৰ অন্তিম নিশাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত নাহিদৰ মনোজ্ঞ গীতৰ শৰাই

# মৈৰাবাৰীৰ হাতীমূৰীয়া বালক প্ৰাথমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সফল সামৰণি

**অসম বাৰ্তা, ভূৰাগাঁও/ মৈৰাবাৰী, ২৯ ডিচেম্বৰ ঃ** ১৯৪৭ চনতে স্থাপন হোৱা মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ একমাত্ৰ বালক প্ৰাথমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী অনুষ্ঠানৰ কালি সফল সামৰণি পৰে। ২৭ আৰু ২৮ ডিচেম্বৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয় মহাৰজত জয়ন্তীৰ বৰ্ণিল কাৰ্যসূচী। ২৭ ডিচেম্বৰত পুৱা ৮ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আৰু প্ৰধান শিক্ষয়ত্ৰীয়ে যৌথভাৱে বিদ্যালয় খনৰ পতাকা উত্তোলন কৰি শুভাৰম্ভ কৰে কাৰ্যসূচী। পৰবৰ্তী সময়ত স্মৃতি তৰ্পন, প্ৰাক্তন শিক্ষাৰ্থীৰ নাম পঞ্জিয়ন, ৭৯জন অঞ্চলৰ বিশিষ্ট লোকৰ দ্বাৰা ৭৯খন মহাৰজত জয়ন্তীৰ, বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন আদি কাৰ্যসূচী সম্পন্ন কৰা ওলিওৱা হয় এক বৰ্ণিল সাংস্কৃতিক শুভাযাত্ৰা। সাংস্কৃতিক শুভাযাত্ৰা উদ্বোধন কৰে লাহৰীঘাট ৰাজহ চক্ৰ বিষয়া মৃদুল নাথে। মৃদুল নাথৰ সৈতে উদ্বোধনী অনুষ্ঠানত সহযোগ কৰে কেবাজনো বিশিষ্ট লোকে। আতাই কেইটাল অনুষ্ঠানৰ আট ধৰে উদযাপন সমিতিৰ সম্পাদক ছাব্বিৰ হুছেইনে। আবেলি ৩ বজাত অনুষ্ঠিত হয় "শিশুৰ শিক্ষা, যতন আৰু শিশুৰ ভৱিষ্যত" শীৰ্ষক বিষয়ত আলোচনা চক্ৰ। আলোচনা চক্ৰ টিত সভাপতিত্ব কৰে মহাৰজত জয়ন্তী উদযাপন সমিতিৰ সভাপতি কমৰুজ ইছলামে। আলোচনা চক্ৰটি উদ্বোধন কৰে মৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰিয়াজুল হকে। ইফালে আলোচনা চক্ৰত অংশগ্ৰহণ কৰি বক্তব্য ৰাখে নগাঁৱৰ সোণাই আই এ এছ একাডেমীৰ শিক্ষক নুৰুল আমিন, সাংবাদিক ডাবু নাৰায়ন কোঁৱৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ মহচিন খান আদিয়ে। সন্ধ্যা ৫ বজাত বন্তি প্ৰজ্বলন কাৰ্যসূচীত মৈৰাবাৰী আৰক্ষী নিৰেশৰ ভাৰপ্ৰাপ্ত বিষয়া পংকজ দাসকে প্ৰমোখ্য কৰি কেবাজনো বিশিষ্ট ব্যক্তিয়ে। পৰবৰ্তী কালত বৃহত্তৰ হাতীমূৰীয়া অঞ্চলৰ অৱসৰ প্ৰাপ্ত শিক্ষক-শিক্ষয়ত্ৰী আৰু বিশিষ্ট ব্যক্তিলৈ আন্তৰিক সম্বৰ্ধনা কাৰ্যসূচীত বহু কেইজন শিক্ষাগুৰু আৰু বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। নিশা ৮ বজাত আমন্ত্ৰিত শিল্পী প্ৰাঞ্জনা প্ৰিয়া, ৰিতুৰাণী মহন্ত, পৰাগ দাস আৰু মাণিক চান্দৰ যৌথ গীতৰ শৰাই অনুষ্ঠানেৰে প্ৰথম দিনৰ কাৰ্যসূচী সামৰণী পৰে। ২৮ ডিচেম্বৰত পুৱাৰ পৰা আৰম্ভ হোৱা স্বচ্ছতা অভিযান, বৃক্ষৰোপণ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মহামিলন আৰু অন্তৰংগ আলাপ আদিৰ অন্তত আবেলি ৩ বজাত অনুষ্ঠিত হয় মুকলি সভা। মহাৰজত জয়ন্তী উদযাপন সমিতিৰ সম্পাদক তথা অসমৰ অন্যতম সামাজিক আৰু শৈক্ষিক সংগঠন এছ চি চি, অসমৰ সভাপতি ছাব্বিৰ হুছেইনৰ আদৰণী ভাষণেৰে আৰম্ভ হোৱা মুকলি সভাত মুখ্য অতিথি হিছাবে উপস্থিত থাকে বিশিষ্ট সাহিত্যিক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° দিলীপ বৰা। বিশিষ্ট অতিথি হিছাবে উপস্থিত থাকে চৰ চাপৰি সাহিত্য পৰিষদৰ সভাপতি ড° হাফিজ আহমেদ, মৰিগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ধ্ৰুৱজ্যোতি নাথ, সমাজ সেৱক মেহবুব মুক্তাৰ, মহচিন খানকে প্ৰমোখ্য কৰি কেবাজনো। সন্ধ্যা ৭ বজাত অনুষ্ঠিত হয় "আন্তৰিক সম্বৰ্ধনা" শীৰ্ষক অনুষ্ঠান। নিশা ৮ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰি পৰিৱেশটো জীপাল কৰি তোলে কণ্ঠশিল্পী নাহিদ আফ্ৰিনে। নাহিদৰ মনোজ্ঞ সাংস্কৃতিক অনুষ্ঠানেৰে সামৰণী পৰে মহাৰজত জয়ন্তীৰ বৰ্ণাঢ্য কাৰ্যসূচী।




ড° কাকতিয়ে সময়ৰ সদ্ব্যৱহাৰ কৰিবলৈ শিকাই থৈ গ'ল ঃ ড° দেৱজিৎ শইকীয়া

# মাজুলীত ড° বাণীকান্ত কাকতি মেধা বঁটা প্ৰদান অনুষ্ঠান

**অসম বাৰ্তা, উজনী মাজুলী, ২৯ ডিচেম্বৰ ঃ** মাজুলী জিলাৰ মেধাবী শিক্ষাৰ্থীসকলক অসম চৰকাৰৰ প্ৰজ্ঞান ভাৰতী আঁচনি অধীনত ড° বাণীকান্ত কাকতি মেধা বঁটা বিতৰণৰ লগতে মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীলৈ প্ৰদান কৰি অহা বিনামূলীয়া স্কুটি বিতৰণৰ উদ্দেশ্য আজি এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উপলক্ষে মাজুলীৰ উচ্চশিক্ষাৰ প্ৰথম অনুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহত দিনৰ ১১.৩০ বজাৰ পৰা আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মাজুলী বিধানসভা সমষ্টিৰ বিধায়ক ভুৱন গাম। মাজুলী মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ মুৰব্বী তথা জিলাখনৰ ডঃ বাণীকান্ত কাকতি মেধা বঁটা বিতৰণ সমিতিৰ সমন্বয়ক সুৰেন চন্দ্ৰ দাসে আঁত ধৰা অনুষ্ঠানত মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ তথা জিলাখনৰ কৰ্তৃত্বপ্ৰাপ্ত অধ্যক্ষ ড° দেৱজিৎ শইকীয়া আৰু মাজুলী জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক লিপিকা বুঢ়াগোহাঁই সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি কৰ্তৃত্বপ্ৰাপ্ত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই প্ৰাজ্ঞপুৰুষ ড° বাণীকান্ত কাকতিদেৱৰ জীৱন-দৰ্শনেৰে উদ্বুদ্ধ হৈ ছাত্ৰ-ছাত্ৰীসকলক আগবাঢ়ি যাবলৈ আহ্বান জনায়। তেওঁ লগতে কয়, "ড° বাণীকান্ত কাকতিয়ে আমাক সময়ৰ সদ্ব্যৱহাৰ কেনেকৈ কৰিব লাগে তাক শিকাই থৈ গ'ল।" মুখ্য অতিথিৰ ভাষণত বিধায়ক ভুৱন গামে ছাত্ৰ-ছাত্ৰীসকলে জীৱনত সফলতা লাভ কৰিবলৈ কঠোৰ সংগ্ৰাম কৰিবই লাগিব বুলি উল্লেখ কৰে। ভাষণ প্ৰসংগত বিধায়কজনে মাজুলী মহাবিদ্যালয়ৰ কেশৱৰাম বৰা প্ৰেক্ষাগৃহৰ মেৰামতিৰ বাবে আঠ লাখ টকাৰ অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰে। সন্মানীয় অতিথিৰ ভাষণত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ জীৱনৰ লক্ষ্য স্থিৰ কৰি সেইমতে আগবাঢ়ি যাবলৈ আহ্বান জনায়। আজিৰ অনুষ্ঠানত ২০২৫ বৰ্ষত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মাজুলী জিলাৰ শিক্ষাৰ্থীসকলক ডঃ বাণীকান্ত কাকতি মেধা বঁটা প্ৰদান কৰাৰ লগতে ২০২৫-২৬ বৰ্ষৰ বাবে প্ৰদান কৰা বিনামূলীয়া বাই-চাইকেলসমূহ মাজুলী জিলাৰ শিক্ষাৰ্থীসকলক প্ৰদান কাৰ্যৰ শুভাৰম্ভণি কৰা হয়। অনুষ্ঠানত মাজুলী মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, গণিত বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক পুতুল চন্দ্ৰ মহন্ত, মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° দিব্যজ্যোতি বৰা, অৰ্থনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক দীনেশ পেগু, গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাস, পকাজৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পৰেশ বৰা, শিক্ষা বিভাগৰ কৃষ্ণ শইকীয়া, কুশদীপ হাটীমতা, উত্তম বৰা, মৃদুল বৰা, ৰাকেশ বৰুৱা প্ৰমুখ্য দুই শতাধিক ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী আৰু অভিভাৱক-অভিভাৱিকাই অংশগ্ৰহণ কৰে। শেষত ৰাষ্ট্ৰীয় সংগীতেৰে সভা ভংগ কৰা হয়।

## উত্তৰ-পূবৰ লোকসকল

সভাপতি গৌৰৱ গগৈয়ে তীব্ৰ গৰিহণা প্ৰকাশ কৰিছে। সোমবাৰে দিল্লীত এখন সংবাদমেলত গগৈয়ে উত্তৰাখণ্ডৰ ডেৰাডুনত ত্ৰিপুৰাৰ ছাত্ৰ এঞ্জেল চাকমাৰ নৃশংস হত্যাকাণ্ডক উদাহৰণ দি এই বৈষম্যৰ ওপৰত আলোকপাত কৰে আৰু কৰ্তৃপক্ষৰ ভূমিকাৰ সমালোচনা কৰে। গগৈয়ে কয়, "এঞ্জেল চাকমাই যদি সেইদিনা অপমান শুনি মৌন হৈ আঁতৰি গৈছিলহেঁতেন, তেন্তে হয়তো আজি তেওঁ জীয়াই আছিল। কিন্তু তেওঁৰ ধৈৰ্যৰ সীমা ভাঙি গৈছিল আৰু ঠাট্টা কৰা লোকসকলৰ সৈতে মুখামুখি হৈছিল। ক্ষমা বিচৰাৰ পৰিৱৰ্তে পাঁচজন লোকে তেওঁক পিছফালৰ পৰা আক্ৰমণ কৰিছিল। ১৪ দিন ধৰি তেওঁ জীৱনৰ বাবে যুঁজিছিল, কিন্তু শেষত আঘাতৰ ফলত মৃত্যু হ'ল।" তেওঁ লগতে উল্লেখ কৰে যে, এঞ্জেলৰ পৰিয়ালে অভিযোগ কৰিছে যে আৰক্ষীয়ে ঘটনাৰ পিছত তৎকালীনভাৱে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল। ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদ কৰাৰ পিছতহে মামলা ৰুজু কৰা হৈছিল, কিন্তু তেতিয়ালৈকে মূল অভিযুক্তই পলায়ন কৰিবলৈ সক্ষম হৈছিল। গগৈয়ে কয়, "পৰিয়ালৰ লোকে কয় যে আৰক্ষীয়ে যিমান ক্ষিপ্ৰতাৰে কাম কৰিব লাগিছিল, সেইটো কৰা হোৱা নাছিল। ছাত্ৰসকলে প্ৰতিবাদ কৰাৰ পিছতহে ব্যৱস্থা লোৱা হৈছিল, কিন্তু তেতিয়ালৈকে মূল অভিযুক্ত পলাই গৈছিল।" এই ঘটনাক লৈ উদ্বেগ প্ৰকাশ কৰি গগৈয়ে প্ৰশ্ন উত্থাপন কৰে, "এতিয়া প্ৰশ্ন হয় যে আন ঠাইতো এনে ঘটনা ঘটিছে নেকি, য'ত উত্তৰ-পূবৰ লোকসকলক এনেকুৱা ব্যৱহাৰ কৰা হৈছে?" তেওঁ কয়, "উত্তৰ-পূবৰ মানুহ ভাৰতীয়, চীনা নহয়। ৯ ডিচেম্বৰত ডেৰাডুনৰ বজাৰৰ পৰা ঘূৰি অহাৰ সময়ত ত্ৰিপুৰাৰ এজন যুৱকে এই কথা ক'বলগীয়া হোৱাটো অতি দুৰ্ভাগ্যজনক।" সংবাদমেলৰ পিছত সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত গগৈয়ে নিজৰ ব্যক্তিগত অভিজ্ঞতাৰ কথা শ্বেয়াৰ কৰে। তেওঁ কয়, "মোৰ লগতো এনে ঘটনা ঘটিছিল। এবাৰ আগ্ৰালৈ যোৱাৰ সময়ত এজন গাৰ্ডে মোক সুধিছিল- আপুনি ক'ৰ পৰা আহিছে? মোক আপোনাৰ পাছপ'ৰ্ট দেখুৱাওক। গৌৰৱেৰে দেশৰ জাতীয় পতাকা উত্তোলন কৰিবলৈ আৰু তাৰ পিছত নিজৰ দেশবাসীৰ পৰা এনে কথা শুনিবলৈ অপৰিসীম সাহসৰ প্ৰয়োজন। এইটো আমাৰ সহনশীলতা আৰু দেশপ্ৰেম দুয়োটাৰে প্ৰতীক।" উল্লেখ্য যে, যোৱা ৯ ডিচেম্বৰত ডেৰাডুনৰ ছেলাকুই অঞ্চলত এঞ্জেল চাকমা আৰু তেওঁৰ সৰু ভাই মাইকেল চাকমা বজাৰ কৰিবলৈ গৈছিল। তেতিয়া এটা দলে তেওঁলোকক জাতিগত অপমান কৰিছিল আৰু 'চীনা', 'মোমো' আদি শব্দ ব্যৱহাৰ কৰি ঠাট্টা কৰিছিল। এঞ্জেলে প্ৰতিবাদ কৰাত দলটোৱে তেওঁক ছুৰীৰে আৰু অন্যান্য অস্ত্ৰৰে আক্ৰমণ কৰিছিল। গুৰুতৰভাৱে আহত হোৱা এঞ্জেলে ১৪ দিনতকৈ অধিক সময় হাস্পতালত যুঁজি শেষত ২৬ ডিচেম্বৰত মৃত্যু হয়। ঘটনাৰ সৈতে জড়িত ছয়জন অভিযুক্তৰ ভিতৰত পাঁচজনক গ্ৰেপ্তাৰ কৰা হৈছে, যাৰ ভিতৰত দুজন নাবালক আৰু তেওঁলোকক কিশোৰ সংস্কাৰ গৃহলৈ প্ৰেৰণ কৰা হৈছে। মূল অভিযুক্ত যজ্ঞ অৱস্থী পলায়ন কৰিছে বুলি ধাৰণা কৰা হৈছে আৰু তেওঁ নেপাললৈ পলাই গৈছে বুলি সন্দেহ কৰি আৰক্ষীয়ে তাত এটা দল প্ৰেৰণ কৰিছে। তেওঁক গ্ৰেপ্তাৰ কৰিবলৈ ২৫ হাজাৰ টকাৰ পুৰস্কাৰো ঘোষণা কৰা হৈছে। এই ঘটনাই উত্তৰ-পূবৰ লোকসকলৰ সুৰক্ষা আৰু জাতিগত বৈষম্যৰ বিৰুদ্ধে এক শক্তিশালী আইনৰ দাবীক নৱজীৱন দিছে। বিভিন্ন ছাত্ৰ সংগঠন আৰু ৰাজনৈতিক নেতাই এই হত্যাক গৰিহণা কৰি ন্যায়ৰ দাবী উত্থাপন কৰিছে।

## শ্বহীদ স্মাৰক ক্ষেত্ৰত বীৰ

স্মাৰক ক্ষেত্ৰত সোমবাৰে দিনৰ ভাগত উপস্থিত হয় কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ। তেওঁ স্বদেশ আৰু স্বজাতিৰ বাবে প্ৰাণ আহুতি দিয়া ৮৬০ গৰাকী শ্বহীদক গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই স্মাৰক ক্ষেত্ৰ পৰিদৰ্শনৰ সময়ত গৃহমন্ত্ৰী শ্বাহৰ সৈতে উপস্থিত আছিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তি। ঘন কুঁৱলীৰ বাবে দেওবাৰে নিশাৰ পৰিৱৰ্তে সোমবাৰে পুৱা অসমত উপস্থিত হোৱা গৃহমন্ত্ৰীগৰাকীয়ে দিনৰ কাৰ্যসূচী অনুসৰি এই স্মাৰক ক্ষেত্ৰত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ১৯৭৯ৰ পৰা ১৯৮৫ চনলৈ চলা ছবছৰীয়া অসম আন্দোলনত প্ৰাণ আহুতি দিয়া ৮৬০ গৰাকী বীৰ শ্বহীদৰ স্মৃতিত নিৰ্মিত এই বিশাল স্মাৰক ক্ষেত্ৰত ওখ স্তম্ভৰ লগতে শ্বহীদসকলৰ আবক্ষ মূৰ্তি স্থাপন কৰা হৈছে। তিনি মহলীয়াকৈ নিৰ্মিত এই স্মাৰকৰ তলৰ শ্বহীদ গেলেৰীত আন্দোলনৰ প্ৰথম শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ পৰা আৰম্ভ কৰি সকলো শ্বহীদৰ আবক্ষ মূৰ্তি স্থাপিত হৈছে। ১৯৭৯ চনৰ ১০ ডিচেম্বৰত তালুকদাৰৰ মৃত্যুৰ পৰাই অসম আন্দোলনৰ শ্বহীদ দিৱস পালনৰ পৰম্পৰা আৰম্ভ হৈছিল। এই স্মাৰক ক্ষেত্ৰ শ্বহীদসকলৰ চৰম ত্যাগ, স্বদেশপ্ৰেম আৰু অটল সমৰ্পণৰ স্থায়ী প্ৰতীক হিচাপে জিলিকি উঠিছে। চলিত মাহৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া অসম ভ্ৰমণৰ সময়তো এই শ্বহীদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি বীৰ শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছিল। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ এই পৰিদৰ্শনে অসম আন্দোলনৰ শ্বহীদসকলৰ ত্যাগক ৰাষ্ট্ৰীয় পৰ্যায়ত পুনৰ সন্মান জনোৱাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে।

## ভাৰতৰ সংখ্যালঘুৰ

মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে পাকিস্তানৰ নিজৰ দেশত সংখ্যালঘুসকলৰ ওপৰত হোৱা পদ্ধতিগত নিৰ্যাতন আৰু ভয়ংকৰ অভিলেখৰ কথা স্মৰণ কৰাই দি কয় যে, এনে এখন দেশৰ পৰা অহা মন্তব্যৰ কোনো নৈতিক ভিত্তি নাই। সোমবাৰে মিডিয়াৰ প্ৰশ্নৰ উত্তৰত জয়ছোৱালে কয়, "আমি পাকিস্তানৰ বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰৰ দিয়া বক্তব্য লক্ষ্য কৰিছো আৰু তাক সম্পূৰ্ণৰূপে নাকচ কৰিছো। এইখন এনে এখন দেশ যাৰ সংখ্যালঘুৰ প্ৰতি অভিলেখ অতি নিকৃষ্ট আৰু সকলোৰে জনা। পাকিস্তানৰ বিভিন্ন ধৰ্মৰ সংখ্যালঘুসকলৰ ওপৰত হোৱা ভয়ংকৰ আৰু পদ্ধতিগত নিৰ্যাতন এটা স্থাপিত সত্য। কোনো পৰিমাণৰ আঙুলি টোৱাই এই সত্যক ঢাকি ৰখাব নোৱাৰে।" পাকিস্তানৰ বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ তাহিৰ আন্দ্ৰাবীয়ে সোমবাৰে এটা বিবৃতিত ভাৰতত সংখ্যালঘুসকলৰ ওপৰত হোৱা নিৰ্যাতনক গভীৰ চিন্তাৰ বিষয় বুলি অভিহিত কৰি বৰদিনৰ সময়ত হোৱা ভাঙি-চিগি থকাৰ ঘটনা আৰু মুছলমান সম্প্ৰদায়ৰ ওপৰত ৰাষ্ট্ৰীয় পৃষ্ঠপোষকতাৰে হোৱা আক্ৰমণৰ কথা উল্লেখ কৰিছিল। তেওঁ আন্তৰ্জাতিক সম্প্ৰদায়ক এই বিষয়ত মনোযোগ দিবলৈ আহ্বান জনাইছিল। ভাৰতীয় বৈদেশিক মন্ত্ৰালয়ে এই মন্তব্যক 'আঙুলি টোৱা'ৰ কাৰ্য বুলি অভিহিত কৰি কয় যে, পাকিস্তানৰ নিজৰ মানৱ অধিকাৰৰ অভিলেখ অতি নিকৃষ্ট আৰু তাৰ পৰা আঁতৰি চাবলৈ এনে অভিযোগ উত্থাপন কৰাটো হাস্যকৰ। আন্তৰ্জাতিক মানৱ অধিকাৰ সংস্থাসমূহৰ প্ৰতিবেদনত পাকিস্তানত হিন্দু, খ্ৰীষ্টান আৰু অন্যান্য সংখ্যালঘু ছোৱালীৰ অপহৰণ, বলপূৰ্বক ধৰ্মান্তৰকৰণ আৰু বিবাহৰ ঘটনাৰ কথা বাৰে বাৰে উল্লেখ হৈছে। বিভিন্ন স্বাধীন সংস্থাৰ অনুমান অনুসৰি প্ৰতি বছৰে পাকিস্তানত প্ৰায় ১, ০০০ খ্ৰীষ্টান আৰু হিন্দু ছোৱালীক অপহৰণ কৰি বলপূৰ্বক ধৰ্মান্তৰিত কৰি বিবাহ কৰোৱা হয়। ২০২২ চনত কেৱল ১২৪টা এনে বলপূৰ্বক ধৰ্মান্তৰকৰণৰ গোচৰ ৰুজু হৈছিল বুলি চেণ্টাৰ ফৰ ছ'চিয়েল জাষ্টিচৰ প্ৰতিবেদনত উল্লেখ আছে। ভাৰত-পাকিস্তানৰ মাজত সংখ্যালঘুৰ অধিকাৰৰ প্ৰসংগত পাৰস্পৰিক অভিযোগৰ ইতিহাস দীৰ্ঘদিনীয়া। ভাৰতে সদায়ে এই কথা দোহাৰে যে, পাকিস্তানৰ নিজৰ অভ্যন্তৰীণ সমস্যাৰ পৰা দৃষ্টি আঁতৰাবলৈ ভাৰতৰ অভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰাৰ চেষ্টা কৰে। এই সাম্প্ৰতিক বিতৰ্কই দুয়োখন দেশৰ মাজত কূটনৈতিক উত্তেজনাক আৰু বৃদ্ধি কৰিছে বুলি ৰাজনৈতিক বিশে-ষকসকলে মন্তব্য কৰিছে।

## বৰ্ণবাদী কাণ্ড; দেৰাডুনত

বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ অনুৰোধ জনাইছে। লগতে নিহত ছাত্ৰজনৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে মুখ্যমন্ত্ৰী শৰ্মাই। সমাজ মাধ্যম এ'ত দিয়া এক পোষ্টত ড° শৰ্মাই লিখিছে, "ডেৰাডুনত নৃশংস বৰ্ণবাদী আক্ৰমণৰ ফলত ত্ৰিপুৰাৰ এঞ্জেল চাকমাৰ কৰুণ মৃত্যু হৃদয়বিদাৰক আৰু সম্পূৰ্ণৰূপে অগ্ৰহণীয়। মই উত্তৰাখণ্ডৰ মাননীয় মুখ্যমন্ত্ৰী @pushkardhami ক অনুৰোধ জনাইছো যে দোষীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি ন্যায় সুনিশ্চিত কৰা হওক। এঞ্জেলৰ পৰিয়াললৈ মোৰ গভীৰ সমবেদনা। তেওঁৰ আত্মাই শান্তি লাভ কৰক।"

## গৃহমন্ত্ৰীৰ উপস্থিতিত এটা

ড° হিমন্ত বিশ্ব শৰ্মাই অসমীয়া জাতিৰ পৰিচয় আৰু অস্তিত্ব সুৰক্ষাৰ বাবে কঠোৰ সংকল্পৰ কথা ঘোষণা কৰে। প্ৰায় ২২৭ কোটি টকাৰ এই বিশাল প্ৰকল্পৰ উদ্বোধনী দিনটোক অসমীয়া জাতিৰ বাবে এক পবিত্ৰ আৰু ঐতিহাসিক দিন বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, এই ক্ষেত্ৰৰ পৰাই অসমীয়া জাতিক জীয়াই ৰখাৰ শপত গ্ৰহণ কৰিব লাগিব। সভাত মুখ্যমন্ত্ৰীগৰাকীয়ে স্মৰণ কৰে যে, ২০২১ চনৰ ২৫ ফেব্ৰুৱাৰীত তেওঁ নিজেই এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল। পূৰ্বে এই পবিত্ৰ ভূমি অচিনাকি লোকে দখল কৰি ৰখাৰ কথা উল্লেখ কৰি তেওঁ কয় যে, জনসাধাৰণৰ দাবীৰ ফলতহে বৰদোৱা থানৰ পৰা এই দখলকাৰীসকলক উচ্ছেদ কৰা সম্ভৱ হৈছে। দেশৰ অন্যতম প্ৰধান আধ্যাত্মিক ক্ষেত্ৰ হিচাপে পৰিচিত এই স্থানলৈ অহা ভক্তসকলে কোনো প্ৰৱেশ মাচুল দিব নালাগিব বুলিও তেওঁ স্পষ্ট কৰে। অসমীয়া জাতিৰ বৰ্তমানৰ সংকটৰ কথা উত্থাপন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "আমাৰ জাতিটো আজি গভীৰ সংকটত পৰিপূৰ্ণ। শংকৰ-মাধৱৰ জীৱন দৰ্শন নুবুজা লোকেৰে আমি ঘেৰি আছো।" তেওঁ জোৰ দি কয় যে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ নামৰ সৈতে আন কাৰো নাম সংলগ্ন কৰা কেতিয়াও অনুচিত। "সূৰ্য আৰু চন্দ্ৰ থকালৈকে এই দুই মহান গুৰুজনাৰ আদৰ্শ আমাৰ মাজত জীয়াই থাকিব" বুলি তেওঁ ঘোষণা কৰে। বিকাশৰ লগতে জাতীয় পৰিচয় আৰু অস্তিত্ব সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "কেৱল বিকাশ হ'লে হ'ব নোৱাৰে; জাতিৰ পৰিচয় নাথাকিলে সেই বিকাশৰ কোনো মূল্য নাই। বিকাশ আৰু জাতীয় অস্তিত্ব একেলগে থাকিলেহে অসমীয়া জাতি বিশ্বৰ মানচিত্ৰত সন্মানেৰে স্থান লাভ কৰিব।" চৰকাৰৰ কাৰ্যকলাপৰ কথা উল্লেখ কৰি তেওঁ কয় যে, ইতিমধ্যে ১.৪৫ লাখ বিঘা ভূমি জাতিৰ বাবে মুক্ত কৰা হৈছে। অচিনাকি লোকক মাটি বিক্ৰী কৰা, চাকৰি দিয়া বা জাতিৰ বৰঘৰত প্ৰৱেশ কৰিবলৈ দিয়াৰ কঠোৰ বিৰোধিতা কৰি তেওঁ আহ্বান জনায়। সত্ৰসমূহ আৰু সংৰক্ষিত বনাঞ্চলৰ পৰা অচিনাকি লোকক আঁতৰাই নিয়াৰো নিৰ্দেশ দিয়ে। "আমি থকালৈকে অচিনাকি লোকে শান্তিত থাকিব নোৱাৰিব। যিয়ে এই নিয়ম ভংগ কৰিব, তাক কোনো ৰেহাই দিয়া নহ'ব" বুলি কঠোৰ হুংকাৰ দিয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে। বৰদোৱাৰ এই পবিত্ৰ ভূমিৰ পৰাই অসমীয়া জাতিৰ সংকল্প গ্ৰহণ কৰাৰ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে সভাত উপস্থিত হাজাৰ হাজাৰ লোকৰ পৰা বিপুল সমৰ্থন লাভ কৰে। এই ভাষণে অসমীয়া জাতীয়তাবাদ আৰু সাংস্কৃতিক সুৰক্ষাৰ প্ৰতি চৰকাৰৰ দৃঢ় অৱস্থান পুনৰ স্পষ্ট কৰি তুলিছে।

## অসমত বহিৰাগতৰ

কথা ঐতিহাসিক অসম চুক্তিৰ ষষ্ঠ অনুচ্ছেদত স্পষ্টভাৱে উল্লেখ আছে। সেই চুক্তিৰ মূল উদ্দেশ্য আছিল অসমৰ থলুৱা জনগোষ্ঠীৰ ভূমিৰ অধিকাৰ আৰু ৰাজনৈতিক অধিকাৰক বহিৰাগত অনুপ্ৰৱেশৰ পৰা ৰক্ষা কৰা। কিন্তু বৰ্তমান পৰিস্থিতিত দেখা গৈছে যে কাৰ্বি আংলঙকে ধৰি অসমৰ ভূখণ্ডৰ বিভিন্ন অঞ্চলত বহিৰাগত লোকৰ অবৈধ দখল, ভূমি হস্তান্তৰ আৰু জনসংখ্যাগত পৰিৱৰ্তনে থলুৱা জনগোষ্ঠীক নিজৰ মাটিতে সংখ্যালঘু কৰি তুলিছে। ইয়াৰ ফলত থলুৱা ৰাইজৰ অস্তিত্ব, সংস্কৃতি আৰু ৰাজনৈতিক ক্ষমতা দেখদেখকৈ বিপদত পৰিছে। অসমৰ জনপ্ৰিয় তথা কৰ্মদক্ষ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালৰ আৰম্ভণিতেই ঘোষণা কৰা হৈছিল যে - অসম চুক্তিৰ ষষ্ঠ অনুচ্ছেদৰ পূৰ্ণাংগ ৰূপায়ণ কৰি থলুৱা অসমীয়া লোকৰ বাবে ভূমি অধিকাৰৰ বিশেষ সুৰক্ষা ; যেনে -ট্ৰাইবেল বেল্ট আৰু ব্লকৰ দৰে ব্যৱস্থাৰ সম্প্ৰসাৰণ ঘটাই থলুৱা খিলঞ্জীয়া ৰাইজৰ পক্ষত ভূমিৰ অধিকাৰ প্ৰদান কৰা হ'ব। কিন্তু এতিয়া বাস্তৱত ইয়াৰ ওলোটা ছবিহে দেখিবলৈ পোৱা গৈছে। ইয়াৰ ফলশ্ৰুতিত ষষ্ঠ অনুসূচীৰ অধীনৰ অঞ্চলসমূহত (যেনে - কাৰ্বি আংলং) থলুৱা জনজাতিৰ ভূমি অধিকাৰক কঠোৰভাৱে ৰক্ষা কৰা আৰু অবৈধ দখলকাৰীক উচ্ছেদ কৰাক লৈ ৰূপায়ণ কৰা শান্তিপূৰ্ণ ধৰ্মঘট কাৰ্য্যসূচীৰ অন্তত বিভিন্ন অসামাজিক কাৰ্যকলাপ সংঘটিত হোৱাৰ পিছতে অসমৰ কলস্বাছ খ্যাত প্ৰাচীন ভূমিপুত্ৰ কাৰ্বিসকলক চাইনিজ আখ্যাৰে গ'বৈক ধ্বনি দিবলৈ সাহস পাইছে। দৰাচলতে অসমৰ ভূমিহীন থলুৱা পৰিয়ালসমূহক বিভিন্ন কল্যাণকামী আঁচনিৰ জৰিয়তে ভূমি পট্টা প্ৰদান কৰি আৰু বহিৰাগতলৈ ভূমি হস্তান্তৰ নিষিদ্ধ কৰাৰ পন্থাহে অৱলম্বন কৰিব লাগিছিল যদিও আজিৰ তাৰিখত সেয়া অন্ত: সাৰশূন্য এক ভাষণতে সীমাবদ্ধ। অসমৰ থলুৱা ৰাইজৰ অধিকাৰসমূহ সুৰক্ষিত নহ'লে অসমৰ শান্তি আৰু সম্প্ৰীতি বিপন্ন হ'ব। কাৰ্বি আংলঙ জিলাকে মুখ্য কৰি সমগ্ৰ অসমৰ খিলঞ্জীয়া লোকৰ ভূমিৰ অধিকাৰ আৰু ৰাজনৈতিক অধিকাৰ সুৰক্ষিত কৰাৰ দাবীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে আজি বাণিজ্যিক চহৰ তিনিচুকীয়াত এক বৃহৎ প্ৰতিবাদী সমদল বাহিৰ কৰে। তিনিচুকীয়া চহৰৰ জি এন বি ৰোডত (গোপীনাথ বৰদলৈ পথ) অৱস্থিত পৰিষদৰ নিজা কাৰ্যালয়ৰ পৰা বাহিৰ কৰা উক্ত বৃহৎ প্ৰতিবাদী কাৰ্যসূচী সদাব্যস্ত জি এন বি ৰোডেৰে থানা চাৰিআলি হৈ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথেদি পৰিভ্ৰমণ কৰি চিৰাপট্টি পথেৰে পুনৰ কাৰ্যালয়ৰ সমীপত সামৰণি পৰে। কাৰ্বি আংলঙকে আদি কৰি সমগ্ৰ অসমত যাতে বহিৰাগত আৰু প্ৰব্ৰজিত মানুহে মাটি-বাৰী কিনিব নোৱাৰে তাৰ বাবে এক কঠোৰ আইন অনতিবিলম্বে অসম বিধানসভাত গ্ৰহণ কৰক, খিলঞ্জীয়াৰ অধিকাৰ সুৰক্ষিত কৰক, অসমত বহিৰাগতৰ দপদপনি নচলিব, এই জুই জ্বলিছে জ্বলিবই, আমাৰ সংগ্ৰাম চলিছে চলিবই, ইনক্লাব জিন্দাবাদ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ জিন্দাবাদ, জয় আই অসম আদি বিভিন্ন শ্ল'গানেৰে প্ৰতিবাদত অংশগ্ৰহণ কৰা কেইবা সহস্ৰাধিক লোকে তিনিচুকীয়া চহৰৰ আকাশ-বতাহ কঁপাই তোলে। আজিৰ প্ৰতিবাদত পৰিষদৰ কেন্দ্ৰীয় সভাপতি পলাশ চাংমাই, উপ-সভাপতি শিৱ কলিতা, মায়াৰাণী লাহন গগৈ, গিৰীণ চেতিয়া, কেন্দ্ৰীয় উপদেষ্টা কণ গগৈ, সহকাৰী সম্পাদক সুৰজিৎ মৰাণ, ছবিৰ আহমেদকে ধৰি পৰিষদৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বিভিন্ন আঞ্চলিক আৰু শাখাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। শেষত যুৱ-ছাত্ৰ পৰিষদে তিনিচুকীয়া জিলা আয়ুক্ত কাৰ্যালয়ৰ যোগেদি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে।

## যোগীঘোপাৰ সাপ্তাহিক

উচ্ছেদ অভিযান চলায়। কাবাইটাৰী সাপ্তাহিক বজাৰত দীৰ্ঘদিন ধৰি অবৈধভাৱে চলি থকা কাঠৰ বজাৰৰ লগতে একাংশ দোকান পোহাৰ বঙাইগাঁও জিলা প্ৰশাসনে উচ্ছেদ চলায়। উল্লেখ্য যে কাবাইটাৰী সাপ্তাহিক বজাৰৰ খাচ ভূমিত দীৰ্ঘদিনৰ পৰাই অবৈধ ভাৱে ব্যৱসায়িক প্ৰতিষ্ঠান চলাই আহিছিল। আনকি উক্ত বজাৰত ৰহস্যজনক ভাৱে বহু চোৰাং কাঠৰ মুকলিকৈ ৰমৰমীয়া ব্যৱসায় চলি আহিছে। জানিব পৰা মতে ব্ৰহ্মপুত্ৰ নৈৰ নদীপথ ব্যৱহাৰ কৰিও চোৰাং কাঠ ব্যৱসায়ীয়ে দীৰ্ঘদিনৰ পৰা উক্ত বজাৰলৈ চোৰাংকাঠ সৰবৰাহ কৰি আহিছে। উল্লেখ্য যে মঙল আৰু শনিবৰীয়া হাটৰ উপৰিও সকলো সময়তে উক্ত বজাৰৰ পৰা শাল, চেগুন, গমাৰি, তিতাচপা, কৰই আদি বিভিন্ন বনাঞ্চলত পোৱা মূল্যবান কাঠ উপলব্ধ হৈ আহিছে। উক্ত কাঠৰ ব্যৱসায়ৰ বাবে বহু সংখ্যক টিম্বাৰ ডিপ' আছে যদিও উক্ত ডিপ'বোৰৰ নাই কোনো অনুজ্ঞাপত্ৰ। ফলত লাখ লাখ টকাৰ ৰাজহ ফাঁকিৰে দৈনিক হাজাৰ হাজাৰ কেবি মূল্যবান কাঠৰ ব্যৱসায় চলাই আহিছে চোৰাং কাঠ ব্যৱসায়ীয়ে। আনপিনে অবৈধ কাঠৰ বজাৰৰ বাবে বনাঞ্চলত প্ৰভাৱ পৰাও পৰিলক্ষিত হৈছে। এনে সময়তে আজি পুৱাৰ ভাগতে জিলা উপায়ুক্ত নৱদ্বীপ পাঠক, অভয়াপুৰী সমজিলাৰ আয়ুক্ত শান্তা কাৰ্কী ছেত্ৰী, জিলা আই ভেলী বন সংমণ্ডল বিষয়া খনিন্দ্ৰ কলিতাই আজি বজাৰখনৰ চৰকাৰী ভূমিত গঢ়ি উঠা দোকান পোহাৰ উচ্ছেদ কৰে। অবৈধভাৱে গঢ়ি উঠা কাঠৰ বজাৰ গুদামঘৰৰ লগতে বিভিন্ন দোকান পোহাৰ বুল্ডজাৰেৰে এফালৰ পৰা চলায় উচ্ছেদ। আনকি উক্ত চৰকাৰী ভূমি বেদখল কৰি থকা কেইবাটাও বাসগৃহ উচ্ছেদ চলায়। বন বিভাগৰ অভিযানত বজাৰত দমে দমে বৃহৎ পৰিমাণৰ তথা কেইবা লক্ষাধিক টকাৰ মূল্যবান কাঠ জব্দ কৰে বন বিভাগে। ইয়াৰ পিছতে জিলা আয়ুক্ত নৱদ্বীপ পাঠকে উক্ত ভূমি সংৰক্ষণ কৰাৰ বাবে বইটামাৰী ৰাজহ চক্ৰ বিষয়া আৰু বন বিভাগক নিৰ্দেশ দিয়ে। বাতৰি যুগুতোৱা পৰলৈকে প্ৰশাসনৰ উচ্ছেদ অভিযান অব্যাহত আছে।

## তেজপুৰ বিশ্ববিদ্যালয়ৰ

সিঙৰ বিৰুদ্ধে দুৰ্নীতি, বিত্তীয় অনিয়ম আৰু প্ৰশাসনিক অব্যৱস্থাৰ অভিযোগত আৰম্ভ হোৱা তীব্ৰ প্ৰতিবাদে ১০০ দিন পূৰ কৰাৰ লগে লগে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অশিক্ষক কৰ্মচাৰীসকলে সোমবাৰে পুৱাৰ পৰা ২৪ ঘণ্টীয়া অনশন কাৰ্যসূচী আৰম্ভ কৰিছে। তেজপুৰ বিশ্ববিদ্যালয় ইউনাইটেড ফ'ৰাম (TUUF) নামৰ যৌথ মঞ্চই নেতৃত্ব দিয়া এই আন্দোলন ছেপ্টেম্বৰ মাহৰ মাজভাগৰ পৰা নিৰন্তৰভাৱে চলি আহিছে। প্ৰতিবাদকাৰীসকলে উপাচাৰ্যক অপসাৰণ কৰি তেওঁৰ বিৰুদ্ধে স্বতন্ত্ৰ তদন্তৰ দাবী জনাই আহিছে। একেৰাহে ১০০ দিন শান্তিপূৰ্ণ প্ৰতিবাদ চলোৱাৰ পিছতো কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা কোনো স্পষ্ট সিদ্ধান্ত বা কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই বুলি TUUF-এ তীব্ৰ নিন্দা কৰিছে। এই অনশন কাৰ্যসূচীত তেজপুৰ বিশ্ববিদ্যালয় শিক্ষক সন্থা (TUTA), অশিক্ষক কৰ্মচাৰী সন্থা (TUNTEA) আৰু ছাত্ৰ সমাজে অংশগ্ৰহণ কৰিছে। সোমবাৰে পুৱা ১২ বজাৰ পৰা আৰম্ভ হোৱা এই ২৪ ঘণ্টীয়া অনশন মঙলবাৰে পুৱা শেষ হ'ব। TUUF-ৰ এগৰাকী স্বেচ্ছাসেৱকে সংবাদ মাধ্যমক জনায় যে, দীৰ্ঘদিনীয়া অনুপস্থিতিৰ মাজতো উপাচাৰ্য শম্ভুনাথ সিঙৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাটোৱে প্ৰতিষ্ঠানটোক প্ৰশাসনিকভাৱে পক্ষাঘাতগ্ৰস্ত কৰি তুলিছে আৰু জনসাধাৰণৰ আস্থা নষ্ট কৰিছে। "এই সামূহিক অনশন কাৰ্যসূচীয়ে আমাৰ ১০০ দিনীয়া নিৰন্তৰ গণতান্ত্ৰিক সংগ্ৰামক চিহ্নিত কৰিছে। এই সময়ছোৱা সমাধানেৰে নহয়, নীৰৱতা, বিলম্ব আৰু গভীৰ হতাশাৰে ভৰি পৰিছে" TUUF-ৰ সদস্যগৰাকীয়ে কয়। তেওঁ লগতে উল্লেখ কৰে যে, এই অনশনৰ জৰিয়তে প্ৰশাসনৰ বিফলতাৰ প্ৰতি ৰাষ্ট্ৰীয় মনোযোগ আকৰ্ষণ কৰাৰ চেষ্টা কৰা হৈছে। প্ৰতিবাদকাৰীসকলে পুনৰ দোহাৰে যে, এই আন্দোলন কেৱল বিশ্ববিদ্যালয়ৰ অভ্যন্তৰীণ সমস্যা নহয়, ৰাজহুৱা প্ৰতিষ্ঠানসমূহৰ বিশ্বাসযোগ্যতা আৰু শাসন ব্যৱস্থাৰ নৈতিকতাৰ প্ৰশ্ন। "আমাৰ আন্দোলন সংকল্পবদ্ধ হৈ থাকিব আৰু ন্যায়ৰ দাবী সময় বা ক্লান্তিৰ সৈতে ম্লান নহ'ব" সদস্যগৰাকীয়ে কয়। উল্লেখ্য যে, তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰিস্থিতি ছেপ্টেম্বৰ মাহৰ মাজভাগৰ পৰা উত্তপ্ত হৈ পৰিছিল। প্ৰথমে অসমৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি যথোচিত সন্মান প্ৰদৰ্শন নকৰাৰ অভিযোগ উত্থাপন হৈছিল। পিছত বিত্তীয় অনিয়মৰ লগতে কেম্পাছত বনাঞ্চল ধ্বংস আৰু পৰিবেশৰ ক্ষতিৰ অভিযোগো যোগ হৈছিল। ২২ ছেপ্টেম্বৰত ছাত্ৰ-ছাত্ৰীৰ সৈতে হোৱা উত্তপ্ত বিতৰ্কৰ পিছত উপাচাৰ্য কেম্পাছৰ পৰা আঁতৰি আছে বুলি অভিযোগ উঠিছে। প্ৰতিবাদ আৰম্ভ হোৱাৰ পিছৰে পৰা কমেও ১১ গৰাকী অধ্যাপক আৰু উচ্চপদস্থ বিষয়াই পদত্যাগ কৰিছে বা প্ৰতিষ্ঠান ত্যাগ কৰিছে। ২৯ নৱেম্বৰৰ পৰা বিশ্ববিদ্যালয়ৰ শৈক্ষিক আৰু প্ৰশাসনিক কাৰ্যকলাপ সম্পূৰ্ণৰূপে অচল হৈ পৰিছে। এই দীৰ্ঘদিনীয়া আন্দোলনৰ মাজতো কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ৰ ফালৰ পৰা স্থায়ী সমাধানৰ কোনো নিশ্চয়তা নাই বুলি প্ৰতিবাদকাৰীসকলে অভিযোগ কৰিছে। এই পৰিস্থিতিয়ে বিশ্ববিদ্যালয়ৰ শৈক্ষিক ভৱিষ্যত আৰু ছাত্ৰ-ছাত্ৰীৰ কেৰিয়াৰৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে।

## অৰণ্য মানৱ যাদৱ পায়েঙৰ

'মোলাই কাঠনি ২.০' নামৰ সেউজীয়া অৰণ্যখিনিত একাংশ দুষ্কৃতিকাৰীয়ে অগ্নিসংযোগ কৰাৰ ফলত বিস্তীৰ্ণ ক্ষতি সাধন হৈছে। এই ঘটনাত প্ৰায় ৫, ৫০০টা গছপুলি জাহ গৈছে লগতে বহু চৰাই-চিৰিকটি, কীট-পতংগকে ধৰি জীৱ-জন্তুৰ মৃত্যু হৈছে। প্ৰকৃতিপ্ৰেমীসকলৰ মাজত এই ঘটনাই হাহাকাৰৰ সৃষ্টি কৰিছে। ব্ৰহ্মপুত্ৰ নদীৰ চৰ-চাপৰিত পৰিবেশ সংৰক্ষণৰ এক অনন্য উদ্যোগ হিচাপে ২০২২ চনৰ পৰা আৰম্ভ হৈছিল 'মোলাই কাঠনি ২.০' প্ৰকল্প। যাদৱ পায়েঙৰ কন্যা মুনমুনী পায়েঙৰ নেতৃত্বত Sustainable Green Initiation আৰু Climate Justice People সংস্থাৰ সহযোগত প্ৰায় ৭০ জনীয়া এটা স্বেচ্ছাসেৱকৰ দলে এই কাম আগবঢ়াইছিল। প্ৰকৃতিৰ উপযোগী দেশীয় প্ৰজাতিৰ গছপুলি ৰোপণ কৰি লাখ লাখ গছৰ সংখ্যা বৃদ্ধি কৰি ১৩শ হে''ৰতকৈও অধিক ভূমিত সেউজীয়া আৱৰণ সৃষ্টি কৰা হৈছিল। ২০২৪ চনলৈকে এই প্ৰকল্পৰ অধীনত ১০ লাখৰো অধিক গছপুলি ৰোপণ কৰা হৈছিল। এই সেউজীয়া উদ্যোগে ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰৱণ চৰ-চাপৰিসমূহক স্থিৰ কৰি পৰিবেশৰ ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছিল। কিন্তু দেওবাৰে প্ৰায় ১১ বজাত বাঘমৰা পিকনিক স্পটৰ ওচৰৰ এই অৰণ্যখিনিত কোনো দুষ্কৃতিকাৰীয়ে অগ্নিসংযোগ কৰে বুলি খবৰ লাভ কৰে মুনমুনী পায়েঙৰ দলটোৱে। তাৎক্ষণিকভাৱে এখন মেচিন নাৱেৰে ৯ জনীয়া এটা দল লৈ মুনমুনী ঘটনাস্থলীত উপস্থিত হয়। তেতিয়া সিদ্ধান্তক্ৰমে হাবিখন চাবলৈ অহা তিতাবৰৰ পৰা অহা প্ৰায় ৩০ জনীয়া শিক্ষাৰ্থীৰ দলটোও সেই স্থানত আছিল। ৰ'দ-বৰষুণ একাকাৰ হৈ থকা সত্ত্বেও সকলোৱে অতি সাহসেৰে জুই নিৰ্বাপিত কৰিবলৈ চেষ্টা কৰে আৰু বহু প্ৰচেষ্টাৰ অন্তত জুই নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। কিন্তু তেতিয়ালৈকে জুইৰ লেলিহান শিখাই বিস্তীৰ্ণ অঞ্চল গ্ৰাস কৰি পেলাইছিল। মুনমুনী পায়েঙে এই সন্দৰ্ভত কয়, "দুষ্কৃতিকাৰীৰ এই কাণ্ডই মোলাই কাঠনি ২.০ৰ বিপুল ক্ষতি কৰিছে। পাঁচ বছৰীয়া, তিনি বছৰীয়া আৰু এবছৰীয়া গছপুলিকে ধৰি হাজাৰ হাজাৰ পুলি জাহ গৈছে। লগতে বহু চৰাই, কীট-পতংগৰ মৃত্যু হৈছে। আমি কেৱল প্ৰকৃতিৰ সুৰক্ষাৰ বাবেহে কাম কৰি আছোঁ, কিন্তু এনে ঘটনাই আমাক অত্যন্ত আঘাত দিছে।" উল্লেখ্য যে, মোলাই চাপৰিৰ কাষতে ব্ৰহ্মপুত্ৰত বালি খননৰ বাবে বন বিভাগে অনুমতি দিয়াৰ অভিযোগ উত্থাপিত হৈ আছে। এই ঘটনাৰ পিছতেই অগ্নিসংযোগৰ ঘটনা সংঘটিত হোৱাত ৰহস্যৰ সৃষ্টি হৈছে। ইতিমধ্যে মাজুলী জিলা বন বিভাগে এই ঘটনাৰ খবৰ লৈ পৰিস্থিতিৰ ওপৰত চকু ৰখাৰ কথা জনাইছে। পৰিবেশকৰ্মীসকলে এই ঘটনাৰ তদন্তৰ দাবী জনাইছে আৰু অপৰাধীসকলক কঠোৰ শাস্তিৰ দাবী উত্থাপন কৰিছে। যাদৱ পায়েঙৰ সপোনক আগুৱাই নিয়া এই উদ্যোগৰ এনে ধ্বংসাত্মক ঘটনাই প্ৰকৃতি সংৰক্ষণৰ পথত নতুন প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। তথাপি মুনমুনী পায়েঙৰ দৰে যুৱ প্ৰজন্মৰ দৃঢ়তাই আশাৰ ৰেঙণি জগাই তুলিছে যে সেউজীয়া অৰণ্যখিনি পুনৰ গঢ়ি তোলা সম্ভৱ।

## গুৱাহাটী আৰক্ষী আয়ুক্তৰ

কৰে। মুঠ ২৯২ কোটি টকাৰ ব্যয়েৰে নিৰ্মিত এই দুটা প্ৰকল্পই উত্তৰ-পূবৰ সৰ্ববৃহৎ চহৰখনৰ নিৰাপত্তা ব্যৱস্থাক যথেষ্ট শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। গুৱাহাটী আৰক্ষী আয়ুক্তালয়ৰ নতুন ১০ মহলীয়া (বেচমেণ্ট আৰু গ্ৰাউণ্ড ফ্ল'ৰকে ধৰি) ভৱনটো ১১১ কোটি টকাৰ ব্যয়েৰে নিৰ্মাণ কৰা হৈছে। এই ভৱনত গুৱাহাটী আৰক্ষীৰ সকলো শাখা একেলগে থাকিব আৰু ইয়াত প্ৰায় ৪০০ গৰাকী বিষয়া-কৰ্মচাৰীৰ বহাৰ ব্যৱস্থাৰ লগতে এটা পুথিভঁৰাল আৰু আৰ্কাইভৰ সুবিধা আছে। পৰিবেশ অনুকূল এই ভৱনত ১০০ শতাংশ বৰষুণৰ পানী সংগ্ৰহৰ ব্যৱস্থা, পানী পৰিশোধন আৰু নলা পৰিশোধন প্লাণ্টৰ লগতে ৪২.৩ কিলোৱাট বিদ্যুৎ উৎপাদন কৰিব পৰা সৌৰ পেনেল স্থাপন কৰা হৈছে। একেটা অনুষ্ঠানতে গৃহমন্ত্ৰীগৰাকীয়ে ১৮১ কোটি টকাৰ বিনিয়োগেৰে বিকশিত ইণ্টেলিজেণ্ট চিটি চাৰ্ভিলেন্স চিষ্টেম উদ্বোধন কৰে। এই ব্যৱস্থাৰ অংশ হিচাপে নতুন ভৱনতে স্থাপন কৰা হৈছে এটা উন্নত ইণ্টিগ্ৰেটেড কমাণ্ড এণ্ড কণ্ট্ৰ'ল চেণ্টাৰ (ICCC)। প্ৰায় ২, ০০০টা চিচিটিভি কেমেৰাৰে সজ্জিত এই চিষ্টেমত ৬০টা নাগৰিক সুৰক্ষা আৰু সতৰ্কতামূলক ব্যৱস্থা অন্তৰ্ভুক্ত হৈ আছে, যিয়ে চহৰখনৰ নিৰাপত্তা, ট্ৰেফিক ব্যৱস্থাপনা আৰু জৰুৰীকালীন পৰিস্থিতিৰ সঁহাৰি যথেষ্ট উন্নত কৰিব। অনুষ্ঠানত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ (CID) উদ্যোগত আয়োজিত 'নতুন ন্যায় সংহিতা' সম্পৰ্কীয় এক প্ৰদৰ্শনীও উন্মোচন কৰে শ্বাহে। এই প্ৰদৰ্শনীত নতুনকৈ প্ৰণয়ন হোৱা তিনিটা আইনৰ মূল বৈশিষ্ট্য, উদ্দেশ্য আৰু কাৰ্যকৰীকৰণৰ বিষয়ে জনসাধাৰণক সজাগ কৰাৰ লক্ষ্য ৰখা হৈছে। লগতে, ৰাজ্যৰ প্ৰতিটো জিলাত মোতায়েন কৰিবলগীয়া ৩৯খন ফৰেনছিক ভ্ৰাম্যমাণ বাহনৰ ফ্লেগ অফ কৰে গৃহমন্ত্ৰীগৰাকীয়ে, যিয়ে অপৰাধ অনুসন্ধানক অধিক বৈজ্ঞানিক আৰু দ্ৰুত কৰি তুলিব। এই উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল। এই প্ৰকল্পসমূহে গুৱাহাটীক এক স্মাৰ্ট আৰু সুৰক্ষিত চহৰলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে।

## গুৱাহাটীত মুকলি হ'ল

নামংকিত উত্তৰ-পূবৰ সৰ্ববৃহৎ প্ৰেক্ষাগৃহ 'জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰ' জনতাৰ উদ্দেশ্যে উছৰ্গা কৰে। লগতে তেওঁ গুৱাহাটীৰ নৱনিৰ্মিত মহানগৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ৰো উদ্বোধন কৰে আৰু তাত স্বয়ংচালিত নগৰ নিৰীক্ষণ ব্যৱস্থা মুকলি কৰে। ভ্ৰমণৰ আৰম্ভণিতে নগাঁৱৰ বটদ্ৰৱাত থানৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন কৰাৰ পিছত গুৱাহাটীত উপস্থিত হৈ অমিত শ্বাহে এই দুটা গুৰুত্বপূৰ্ণ অনুষ্ঠানত অংশগ্ৰহণ কৰে। জ্যোতি-বিষ্ণু কলা মন্দিৰৰ উদ্বোধনী অনুষ্ঠানতে আয়োজিত বিশাল জনসভাত তেওঁ হাজাৰ হাজাৰ দৰ্শকৰ সন্মুখত ভাষণ দিয়ে। ২৯১ কোটি টকাৰ ব্যয়েৰে নিৰ্মিত এই অত্যাধুনিক প্ৰেক্ষাগৃহ কমপ্লেক্সটো প্ৰায় ৪৫ বিঘা মাটিত বিস্তৃত। মুখ্য প্ৰেক্ষাগৃহত একেলগে প্ৰায় ৫, ০০০ দৰ্শকৰ বহাৰ ব্যৱস্থা আছে। ইয়াৰ উপৰিও কমপে-'টোত এটা আধুনিক কনভেনচন চেণ্টাৰ, পাঁচটা ভি.আই.পি. ছুইট, কেইবামহলীয়া পাৰ্কিং ব্যৱস্থা (প্ৰায় ৪৫০খন বাহনৰ বাবে) আৰু উন্নতমানৰ অডিঅ'-ভিজুৱেল তথা ডিজিটেল আন্তঃগাঁথনিৰ সুবিধা আছে। সম্পূৰ্ণ প্ৰকল্পটো সেউজ শক্তিৰে চলিবলৈ ছাদত চ'লাৰ পেনেল স্থাপন কৰা হৈছে। উত্তৰ-পূবৰ ভিতৰত এইটোৱেই সৰ্ববৃহৎ আৰু আটাইতকৈ আধুনিক প্ৰেক্ষাগৃহ বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পূৰ্বতে জনাইছিল। উদ্বোধনী ভাষণত অমিত শ্বাহে জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ অৱদানৰ শলাগ লৈ তেওঁলোকৰ স্মৃতিত এনে এটা মহৎ প্ৰকল্প গঢ়ি তোলাৰ কথা গৌৰৱেৰে উল্লেখ কৰে। হিন্দীত দিয়া ভাষণত তেওঁ জ্যোতিপ্ৰসাদৰ বিখ্যাত গীত 'মোৰ মৰ্মৰ...'ৰ পংক্তি আওৰাই দৰ্শকৰ মাজত উৎসাহৰ সঞ্চাৰ কৰে। ভাষণত তেওঁ অসমত বিজেপি চৰকাৰৰ শাসনকালত হোৱা বিকাশ আৰু আন্তঃগাঁথনিৰ উন্নয়নৰ কথা বিশদভাৱে উল্লেখ কৰি কংগ্ৰেছৰ শাসনকালৰ তীব্ৰ সমালোচনা কৰে। বিশেষকৈ অনুপ্ৰৱেশৰ সমস্যাৰ প্ৰসংগ উত্থাপন কৰি তেওঁ কয়, "যিসকলে কলা-সংস্কৃতি আৰু সাহিত্য ৰক্ষাৰ কথা কয়, সেই কংগ্ৰেছে ১৯৮৩ চনত অনুপ্ৰৱেশকাৰীসকলক সুৰক্ষিত কৰিবলৈ আইন আনিছিল। ইমান অনুপ্ৰৱেশৰ পিছতো অসমৰ ভাষা-সংস্কৃতি, কলা-সংগীত কেনেকৈ জীয়াই থাকিব পাৰে? ভোটবেংকৰ ৰাজনীতিৰ বাবেই তেওঁলোকে অসমৰ অস্তিত্বৰ ওপৰতেই আঘাত হানিছিল।" তেওঁ লগতে কয়, "যোৱা কেইবছৰত আপোনালোকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, সৰ্বানন্দ সোণোৱাল আৰু হিমন্ত বিশ্ব শৰ্মাক আশীৰ্বাদ দি আহিছে। এতিয়া আৰু পাঁচ বছৰৰ বাবে আশীৰ্বাদ দিয়ক, যাতে অসমৰ পৰা এজন এজন অনুপ্ৰৱেশকাৰীক বিচাৰি উলিয়াই দেশৰ বাহিৰ কৰিব পাৰো। তেহে অসমৰ ভাষা-সংস্কৃতি, খাদ্যাভ্যাস আৰু সমন্বয়ৰ ঐতিহ্য সুৰক্ষিত হ'ব।" এই সভাতে তেওঁ জন্মগত হৃদৰোগ উপকাৰ আঁচনিৰ অধীনত চিকিৎসা লাভ কৰা প্ৰায় এহেজাৰ শিশুকো সম্বোধন কৰি তেওঁলোকৰ সুস্থ জীৱনৰ বাবে শুভকামনা জ্ঞাপন কৰে। অসমৰ সাংস্কৃতিক ঐতিহ্যৰ সৈতে জড়িত এনে বিশাল প্ৰকল্পৰ উদ্বোধন আৰু অনুপ্ৰৱেশৰ বিৰুদ্ধে কঠোৰ বাৰ্তাই ৰাজ্যৰ ৰাজনৈতিক মহলত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে।

## শিল্পীৰ কোনো ধৰ্ম নাই,

অনুষ্ঠানত চৌদিশে প্ৰশংসাৰে উজলি উঠিছে বিশিষ্ট ভাস্কৰ্যশিল্পী নুৰুদ্দিন আহমেদৰ নাম। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ হাতত সোমবাৰে উদ্বোধন হোৱা এই প্ৰকল্পৰ গুৰুআসনৰ পৰা মূল প্ৰৱেশদ্বাৰৰ তোৰণলৈকে চিত্ৰ আৰু ভাস্কৰ্যৰে সৌন্দৰ্যবৰ্ধন কৰা কামত মুখ্য ভূমিকা পালন কৰিছে শিল্পী নুৰুদ্দিন আহমেদে। তেওঁৰ দুই পুত্ৰ ৰাজ আহমেদ আৰু দ্বীপ আহমেদৰ সহযোগত এই কাম সম্পূৰ্ণ হৈছে। প্ৰায় ২২৭ কোটি টকা ব্যয়েৰে নিৰ্মিত এই বৃহৎ প্ৰকল্পত বিষ্ণুৰ দশাৱতাৰ, হনুমানৰ মূৰ্তি, গায়ন-বায়নৰ ভাস্কৰ্যকে ধৰি গুৰুজনাৰ জীৱন আৰু দৰ্শনৰ সৈতে জড়িত বিভিন্ন চিত্ৰ-ভাস্কৰ্য নিৰ্মাণ কৰিছে তিনি পিতা-পুত্ৰই মিলি। এই কাৰ্যৰ বাবে তেওঁলোকে প্ৰায় দুবছৰ সময় অতিবাহিত কৰিছে। শিল্পী নুৰুদ্দিনে ভাগৱত, কীৰ্তন-ঘোষাৰ লগতে চিত্ৰ ভাগৱত আৰু সাঁচিপতীয়া পুথিৰ দৰে প্ৰাচীন গ্ৰন্থসমূহ গভীৰভাৱে অধ্যয়ন আৰু গৱেষণা কৰি এই সৃষ্টিসমূহত প্ৰাণ প্ৰতিষ্ঠা কৰিছে। প্ৰকল্পৰ মূল প্ৰৱেশদ্বাৰতো তেওঁৰ হাতেৰে অংকিত চিত্ৰই দৰ্শকক আকৰ্ষণ কৰিছে। বিগত পঞ্চাশ বছৰতকৈও অধিক কাল শিল্পকৰ্মৰ সৈতে জড়িত নুৰুদ্দিন আহমেদে পূৰ্বে ভাওনা সমাৰোহৰ মঞ্চ সজ্জাৰ পৰা আৰম্ভ কৰি দুৰ্গা পূজাৰ মূৰ্তি আৰু পেণ্ডেল নিৰ্মাণলৈকে বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়াই আহিছে। কিন্তু গুৰুজনাৰ জন্মস্থানত এনে এক বৃহৎ সাংস্কৃতিক প্ৰকল্পত জড়িত হ'বলৈ পোৱাটো তেওঁৰ জীৱনৰ আটাইতকৈ সৌভাগ্যৰ ঘটনা বুলি অভিহিত কৰিছে শিল্পীগৰাকীয়ে। উদ্বোধনী দিনাই সংবাদ মাধ্যমৰ সৈতে হোৱা এক টেলিফোনিক সাক্ষাৎকাৰত নুৰুদ্দিন আহমেদে নিজৰ অনুভৱ প্ৰকাশ কৰি কয়, "পঞ্চাশ বছৰ ধৰি শিল্পকৰ্মত জড়িত হৈ আছোঁ। কিন্তু শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ জন্মস্থানত তেওঁৰ স্মৃতি বিজড়িত এই প্ৰকল্পত কাম কৰাৰ সুযোগ পোৱাটো মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ সৌভাগ্য। মই শিল্পকৰ্মৰ বাদে আন কোনো ধৰ্মত বিশ্বাস নকৰোঁ। শিল্পীৰ কোনো ধৰ্ম নাথাকে - শিল্পকৰ্মইহে শিল্পীৰ মূল ধৰ্ম। মোৰ দুই পুত্ৰকো এই শিক্ষাহে দিছোঁ আৰু তেওঁলোকক এই প্ৰকল্পত জড়িত কৰাইছোঁ।" উল্লেখ্য যে, ২০২১ চনত আৰম্ভ হোৱা এই প্ৰকল্পৰ ভিত্তিপ্ৰস্তৰ স্থাপন কৰিছিল অমিত শ্বাহে নিজেই। অৱশেষত ২০২৫ চনৰ ২৯ ডিচেম্বৰত তেওঁৰ হাততে ইয়াৰ উদ্বোধন হৈছে। প্ৰকল্পটোৱে বটদ্ৰৱাক বিশ্বমানৰ আধ্যাত্মিক আৰু সাংস্কৃতিক পৰ্যটন কেন্দ্ৰলৈ ৰূপান্তৰিত কৰাৰ লগতে শংকৰদেৱৰ দৰ্শনক নতুন প্ৰজন্মৰ মাজলৈ বিয়পাই দিয়াৰ এক মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে। শিল্পী নুৰুদ্দিন আহমেদ আৰু তেওঁৰ পুত্ৰদ্বয়ৰ এই অৱদানে ধৰ্ম-জাতিৰ ঊৰ্ধ্বত উঠি শিল্পৰ মাধ্যমেৰে সাংস্কৃতিক ঐক্যৰ এক উজ্জ্বল দৃষ্টান্ত স্থাপন কৰিছে।

## কংগ্ৰেছৰ ১০০ আসনৰ

ভিতৰত ১০০খনত নিজৰ প্ৰাৰ্থী দিব, বাকী ২৬খন আসন মিত্ৰদলসমূহৰ বাবে এৰি দিয়া হ'ব। এই ঘোষণাই বিৰোধী ঐক্যৰ অন্যতম মুখ্য শক্তি অসম জাতীয় পৰিষদকে ধৰি অন্য দলসমূহৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কংগ্ৰেছৰ দলীয় প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত তেজপুৰত অনুষ্ঠিত এখন সভাত গৌৰৱ গগৈয়ে স্পষ্ট কৰে যে, "জনবিৰোধী বিজেপিক পৰাভূত কৰিবলৈ কংগ্ৰেছে সমমনা দলসমূহৰ সৈতে মিত্ৰতা গঢ়ি নিৰ্বাচনত অৱতীৰ্ণ হ'ব। আমি ১০০খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিম আৰু বাকী আসনসমূহ আলোচনাৰ মাধ্যমেৰে মিত্ৰদলসমূহক দিয়া হ'ব।" তেওঁ লগতে জনায় যে, সাম্প্ৰদায়িক শক্তি যেনে এ আই ইউ ডি এফৰ সৈতে কোনো মিত্ৰতাৰ সম্ভাৱনা শূন্য। এই ঘোষণাৰ পিছতে ডিব্ৰুগড়ত অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, "গৌৰৱ গগৈয়ে ১০০খন আসনৰ কথা ক'লেও এই সিদ্ধান্ত আলোচনাৰ পিছতহে চূড়ান্ত হ'ব। তেওঁৰ এই মন্তব্যই বিৰোধী ঐক্যক ইতিবাচকভাৱে গ্ৰহণ কৰাৰ ইংগিত দিছে। আমি এজেপিত আগৰে পৰাই মিত্ৰতাৰ পোষকতা কৰি আহিছোঁ। মিত্ৰতা নোহোৱাকৈ বিজেপিক পৰাভূত কৰা সম্ভৱ নহয়।" লুৰিণজ্যোতি গগৈয়ে লগতে কয়, "বিৰোধী ভোট বিভাজন নোহোৱাকৈ ৰখাৰ বাবেই বিজেপিক পৰাভূত কৰাত সুবিধা হ'ব। কোন দলৰ সাংগঠনিক ভিত্তি ক'ত শক্তিশালী, ক'ত জয়ৰ সম্ভাৱনা অধিক — এই দিশসমূহ বিবেচনা কৰিয়ে প্ৰাৰ্থী নিৰ্বাচন কৰা উচিত। আমাৰ পূৰ্বৰ ফলাফল, শক্তিশালী প্ৰাৰ্থী আৰু জাতীয়তাবাদী ভিত্তি থকা অঞ্চলসমূহো পৰ্যালোচনা কৰা হ'ব।" তেওঁ আশা প্ৰকাশ কৰি কয় যে, "আগন্তুক দিনত আলোচনাৰ জৰিয়তে সকলো সিদ্ধান্ত লোৱা হ'ব। গৌৰৱ গগৈয়ে উল্লেখ কৰা ১০০খন আসনৰ ভিতৰত বড'লেণ্ড টেৰিট'ৰিয়েল ৰিজিয়নৰ (বিটিআৰ) আসনসমূহ অন্তৰ্ভুক্ত হৈছেনে নাই — সেয়াও বিবেচনা কৰিব লাগিব। গতিকে আসন বণ্টনৰ বিষয়টো আলোচনাৰ মাধ্যমেৰে সমাধান কৰিলেহে সঠিক ফলাফল ওলাব।" বিৰোধী শিবিৰত কংগ্ৰেছৰ এই দাবীয়ে আসন বণ্টনৰ প্ৰক্ৰিয়াত নতুন জটিলতাৰ সৃষ্টি কৰিছে যদিও দলসমূহে ঐক্যবদ্ধ হৈ বিজেপিৰ বিৰুদ্ধে যুঁজিবলৈ দৃঢ়প্ৰতিজ্ঞ। ৰাজনৈতিক বিশে-ষকসকলে মন্তব্য কৰিছে যে, আলোচনাৰ অভাৱত ভোট বিভাজন হ'লে শাসকীয় দলৰহে লাভ হ'ব। তথাপি বিৰোধী দলসমূহৰ মাজত চলি থকা সংলাপে ঐক্যৰ নতুন সম্ভাৱনাৰ সৃষ্টি কৰিছে।

মাটিমাহ, মগুমাহ, মটৰমাহ আৰু আলু খেতি কৰিছে প্ৰায় ৩০০০ হেক্টৰ ভূমিত

# মাজুলীৰ ৯০০০ হেক্টৰ কৃষিভূমিত সৰিয়হ ফুলৰ হালধীয়া দলিচা, কৃষকৰ মুখত হাঁহ

## প্ৰায় ৯০০ টন সৰিয়হ উৎপাদনৰ লক্ষ্য মাজুলী কৃষি বিভাগৰ; খৰাং বতৰৰ বাবে উৎপাদন হ্ৰাস হোৱাৰ সম্ভাৱনা




**অসম বাৰ্তা, মাজুলী, ২৯ ডিচেম্বৰ** ঃ প্ৰাকৃতিৰ সুন্দৰতাখিনি যেন এতিয়া নদীদ্বীপ মাজুলীৰ বুকুলৈ নামি আহিছে। কৃষি প্ৰধান জিলাখনৰ চৰ চাপৰি সমূহ এতিয়া কৃষক ৰাইজৰ নেৰানেপেৰা শ্ৰমৰ ফলত সৰিয়হ ফুলৰ হালধীয়া আবৰণে দলিচাৰ ৰূপলৈ দৃষ্টিনন্দন পৰিবেশৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে, বিগত কেইবছৰ মানৰ পৰা জিলাখনৰ একাংশ নিবনুৱা যুবক যুবতীয়ে সৰিয়হ খেতিক উপাৰ্জনৰ মূল উৎস হিচাপে গ্ৰহণ কৰি চাৰি-পাঁচজন যুৱকে একোটা গোট গঠন কৰি চাপৰিসমূহৰ শ শ বিঘা আবাদী মাটিত সৰিয়হৰ খেতি কৰি সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ২০২০ বৰ্ষলৈকে ৰাজ্যৰ বাহিৰত থাকি ছিকিউৰিটি গাৰ্ডকে ধৰি বিভিন্ন কোম্পানীত কাম কৰি পৰিয়াল পোহপাল দিয়া অসমৰ বিভিন্ন জিলাৰ লগতে মাজুলীৰো একাংশ যুৱক কভিড ১৯ বাবে স্বগৃহলৈ উভতি আহিছিল। কৰ্মসংস্থাপনৰ চিন্তা, পৰিয়াল পোহ পালৰ চিন্তাই নিদ্ৰা হৰন কৰিছিল এই নিবনুৱা যুৱক সকলক। হতাশ গ্ৰস্ত হৈ পৰিছিল বহুতো যুৱক। কিন্তু এই যুৱক সকলৰ মাজৰে ব্যতিক্ৰম আছিল জিলাখনৰ একাংশ কৃষক পৰিয়ালৰ যুৱক। বহিঃ ৰাজ্যৰ পৰা ঘূৰি অহা যুৱকসকলে স্থানীয় ৰাইজৰ সৈতে আলোচনা কৰি পুনৰ আন ৰাজ্যলৈ ঘূৰি নোযোৱাকৈ স্বভূমিত কি কৰিব পৰা যায়, কিদৰে স্বাৱলম্বী হব পাৰিব তাৰ পৰামৰ্শ গ্ৰহণ কৰিছিল। জ্যেষ্ঠ লোক সকলৰ লগত আলোচনা কৰি লুইতৰ চন পৰা চাপৰিত কৃষি কৰ্মত জড়িত হোৱাৰ মন মেলে বহুতো যুৱকে। কথামতেই কাম, সেই যুৱকসকলে স্থানীয় আৰু যুৱকক লগত লৈ শ শ বিঘা মাটিত সৰিয়হ সিছে। বিগত বৰ্ষসমূহত এই যুৱকসকলে আশা কৰা মতে ফল লাভ কৰাৰ পিছত এই বৰ্ষত দুগুন উৎসাহেৰে সৰিয়হ খেতি কৰিছে। মাজুলী জিলা কৃষি বিভাগৰ পৰা পোৱা তথ্য অনুশৰি এইবাৰ জিলাখনৰ কৃষকসকলে প্ৰায় ৯০০০ হেক্টৰ কৃষি ভূমিত সৰিয়হৰ খেতি কৰিছে আৰু ইয়াৰ পৰা জিলাখনত প্ৰায় ৯০০ টন সৰিয়হ উৎপাদন কৰিবলৈ সক্ষম হ'ব। অৱশ্যে বতৰৰ প্ৰতিকূলতাৰ বাবে বৰষুণৰ অভাৱত সৰিয়হৰ উৎপাদন কম হোৱাৰ সম্ভাৱনা আছে যদিও সৰিয়হৰ হালধীয়া ফুলে এতিয়া কৃষকৰ মুখত হাঁহি বিৰিঙাইছে। ইয়াৰ উপৰিও জিলাখনৰ একাংশ কৃষকে সৰিয়হৰ লগতে প্ৰায় ১১৫০ হেক্টৰ ভূমিত মাটিমাহ, ৫০০ হেক্টৰ ভূমিত মগুমাহ, ১০০০ হেক্টৰ ভূমিত মটৰমাহ আৰু ৬৫০ হেক্টৰ ভূমিত আলু খেতি কৰি সফলতাৰ মুখ দেখিছে। জিলাখনৰ জলসিঞ্চন বিভাগটো সক্ৰিয় হোৱা হ'লে কৃষি প্ৰধান নদীদ্বীপটোত আৰু অধিক শস্য উৎপাদনৰ থল আছিল বুলি কৃষকসকলে জানিবলৈ দিছে।

# মন্দিয়া সমষ্টিৰ বাবে ভাৰতীয় জনতা পাৰ্টীৰ টিকট প্ৰত্যাশী ৰাকিবুল ইছলামৰ সংবাদমেল

**অসম বাৰ্তা, জনীয়া, ২৯ ডিচেম্বৰ** ঃ বৰপেটা জিলাৰ নৱ গঠিত ২২ নং মন্দিয়া বিধানসভা সমষ্টিৰ বাবে বিজেপিৰ টিকট প্ৰত্যাশী গুৱাহাটী উচ্চ ন্যায়ালয়ৰ যুৱ অধিবক্তা ৰাকিবুল ইছলামে আজি এক সংবাদমেল সম্বোধন কৰে। ৰাকিবুল ইছলামে সংবাদমেল সম্বোধন কৰি কয় যে, বিগত ১০টা বছৰ বিজেপি দলত থাকি জিলা আইন উপদেষ্টা, সংখ্যালঘু মৰ্চাৰ সম্পাদক আৰু বৰ্তমান এজন কাৰ্যকৰ্তা হিচাপে কাৰ্যনিৰ্বাহ কৰি ৰাইজৰ সেৱা আগবঢ়াই আহিছো। ৰাইজৰ বিপুল দাবীৰ প্ৰতি সন্মান জনাই আগন্তুক অসম বিধানসভা নিৰ্বাচনত ২২ নং মন্দিয়া বিধানসভা সমষ্টিত বিজেপিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ ইতিমধ্যেই দলৰ বৰপেটা জিলা কাৰ্যালয়ত জীৱন তথ্য দাখিল কৰিছো। অহা পোন্ধৰ বছৰলৈকে অসমত ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপিয়ে চৰকাৰ গঠন কৰিব। সম্প্ৰতি অসমত কংগ্ৰেছ, এ আই ইউ ডি এফ কোনো ফেক্টৰ হৈ থকা নাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবকা সাথ, সবকা বিকাশ আৰু সবকা বিশ্বাস নীতিৰ ওপৰত আস্থা ৰাখি ধৰ্মীয় সংখ্যালঘু লোকেও বিজেপিক স্বতঃস্ফুত ভাৱে ভোট প্ৰদান কৰিব ধৰিছে। সেয়ে অহা নিৰ্বাচনত মন্দিয়া সমষ্টিবাসীয়ে এগৰাকী ভেঞ্চাৰ বিধায়ক নিৰ্বাচিত নকৰি চৰকাৰৰ পক্ষত ৰায়দান কৰিবলৈ আজিৰ সংবাদমেল যোগে আহ্বান জনায় বিজেপিৰ যুৱ নেতা ৰাকিবুল ইছলামে। ৰাকিবুল ইছলামক ৰাইজে নিৰ্বাচিত কৰিলে বেঁকী, ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া, খেতিয়কৰ বাবে জলসিঞ্চনৰ ব্যৱস্থা, শীতল গৃহ নিৰ্মাণ আৰু শিক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিব বুলি উল্লেখ কৰে। বিগত দিনৰ নিৰ্বাচিত বিধায়ক সকলে সমষ্টি উন্নয়নত ব্যৰ্থ হোৱা বুলিও কয় বিজেপিৰ টিকট প্ৰত্যাশী ৰাকিবুল ইছলামে। বিজেপিক যিসকলে সাম্প্ৰদায়িক দল বুলি কয় তেওঁলোকক উদ্দেশ্যি ৰাকিবুল ইছলামে কয় যে, অৰুণোদয় আঁচনি, প্ৰধানমন্ত্ৰী আৱাস যোজনা, নিযুত মইনা আঁচনি, মহিলা উদ্যমীতা আঁচনি, চাকৰিকে ধৰি কোনটো ক্ষেত্ৰত বিজেপিয়ে সাম্প্ৰদায়িকতা কৰিছে বুলি প্ৰশ্ন কৰে। বিজেপিৰ দিনত আটাইতকৈ ধৰ্মীয় সংখ্যালঘু সকল লাভান্বিত হৈছে বুলিও কয় ইছলামে। বিজেপিৰ অন্য টিকট প্ৰত্যাশী সকলক শুভেচ্ছা জনোৱাৰ লগতে দলে যাকেই টিকট প্ৰদান কৰিব তেওঁৰ লগত থাকি জিকাই অনাৰ কাৰণে কাম কৰাৰো প্ৰতিশ্ৰুতি প্ৰদান কৰে বিজেপিৰ টিকট প্ৰত্যাশী ৰাকিবুল ইছলামে।

# অভয়াপুৰীৰ শ্বপিং মলত দুৰ্বৃত্তই লুটি নিলে তিনি লক্ষাধিক টকা

**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ২৯ ডিচেম্বৰ** ঃ বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ 'এম বজাৰ' শ্বপিং ম'লত যোৱা নিশা দুৰ্বৃত্তই প্ৰৱেশ কৰি বৃহৎ পৰিমাণৰ ধন লুট কৰি নিয়া ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰে। জানিব পৰা মতে আজি পুৱা এম বজাৰৰ কৰ্মচাৰীয়ে প্ৰতিষ্ঠানখন খুলিবলৈ লোৱাৰ সময়তে চুৰিকাণ্ডৰ ঘটনাটো পোহৰলৈ আহে। দুৰ্বৃত্তই ছাটাৰ ভাঙি ভিতৰত প্ৰৱেশ কৰি প্ৰতিষ্ঠানখনৰ লকাৰৰ পৰা তিনি লক্ষাধিক টকা লৈ উধাও হয়। পাছত ঘটনাস্থলীত অভয়াপুৰী আৰক্ষী উপস্থিত হৈ তদন্ত চলায়।

# পথালিপাহাৰত প্ৰস্তাৱিত আদৰ্শ হস্পিটেলৰ Earth filling কামৰ শুভ উদ্বোধন বিধায়ক ড° অমিয় কুমাৰ ভূঞাৰ




**অসম বাৰ্তা, বান্দৰদেৱা, ২৯ ডিচেম্বৰ** ঃ বিজেপি চৰকাৰৰ গাঁৱে-গাঁৱে বিকাশৰ সমন্বয় যাত্ৰা কাৰ্যসূচীৰ যোগেদি লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱতী বিহপুৰীয়া সমষ্টিৰ পথালিপাহাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত ১ নং মৰিসুঁতি ৰঙতিত প্ৰস্তাৱিত পথালিপাহাৰ আদৰ্শ চিকিৎসালয় খনৰ আজি প্ৰাৰম্ভিক পৰ্যায়ত Earth filling কামৰ ফিতা কাটি শুভ উদ্বোধন কৰে বিহপুৰীয়া সমষ্টিৰ বিধায়ক ড° অমিয় কুমাৰ ভূঞাই। ইতিমধ্যে উক্ত আঁচনিৰ বাবে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ১৫ লাখ টকা মুকলি কৰি দিছে। দ্বিতীয় পৰ্য্যায়ত চিকিৎসালয় খনৰ যাৱতীয় কাম কাজ সম্পূৰ্ণ কৰা হ'ব বুলি বিধায়ক গৰাকীয়ে সংবাদ মাধ্যমক অৱগত কৰে।

# মৰিয়নিত বিশ্ব সিন্দু পৰিষদ আৰু বজৰং দলৰ তীব্ৰ প্ৰতিবাদ, দাহ কৰিলে মহম্মদ ইউনুছ চৰকাৰৰ পুত্তলিকা

**অসম বাৰ্তা, নকছাৰি, ২৯ ডিচেম্বৰ** ঃ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত হিন্দু সম্প্ৰদায়ৰ লোকৰ ওপৰত ধাৰাবাহিকভাৱে চলি থকা বৰ্বৰ অত্যাচাৰ আৰু আক্ৰমণৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। বিশ্ব হিন্দু পৰিষদ আৰু বজৰং দলৰ উদ্যোগত মৰিয়নিৰ মাজমজিয়াৰ থানা তিনিআলিত এই কাৰ্যসূচী ৰূপায়ণ কৰে। এই বিশাল প্ৰতিবাদী কাৰ্যসূচীত প্ৰতিবাদকাৰীসকলে বাংলাদেশৰ মহম্মদ ইউনুচ নেতৃত্বাধীন অন্তৰ্বৰ্তীকালীন চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে আৰু ৰাজপথত ইউনুচ চৰকাৰৰ পুত্তলিকা দাহ কৰে। কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰতিবাদকাৰীসকলে বাংলাদেশত হিন্দুৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে ভাৰত চৰকাৰক কঠোৰ পদক্ষেপ ল'বলৈ দাবী জনায় লগতে বাংলাদেশক ভাৰতৰ ফালৰ পৰা দি থকা সকলো ধৰণৰ আৰ্থিক আৰু খাদ্য সাহায্য বন্ধ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক আহ্বান জনায়। বিশ্ব হিন্দু পৰিষদ মৰিয়নি প্ৰখণ্ডৰ সম্পাদক টিংকো দেই দাবী জনাই কয় প্ৰয়োজন সাপেক্ষে ভাৰত চৰকাৰে নিজৰ সামৰিক বাহিনী বাংলাদেশলৈ প্ৰেৰণ কৰিব লাগে আৰু দোষীক উচিত শাস্তি প্ৰদান কৰিব লাগে, যাতে ভৱিষ্যতে দ্বিতীয়বাৰ কোনো মৌলবাদী শক্তিয়ে হিন্দুৰ ওপৰত অত্যাচাৰ কৰিবলৈ সাহস গোটাব নোৱাৰে, এই ক্ষেত্ৰত চৰকাৰক উচিত পদক্ষেপ লবলৈ দাবী জনায়।

# চিৰাঙৰ চিদলী থানাৰ অন্তৰ্গত গৰুভাষা আৰক্ষী চকীত উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, বিজনী, ২৯ ডিচেম্বৰ** ঃ চিৰাং জিলাৰ চিদলী থানাৰ অন্তৰ্গত গৰুভাষা আৰক্ষী চকীত উত্তপ্ত পৰিস্থিতি সংঘটিত হয়। দেওবাৰে সন্ধিয়া আনুমানিক ৭ বজাত গৰুভাষাৰ নাগদৰবাৰীত মটৰচাইকেলত অহা দুই অচিনাক্ত দুৰ্বৃত্তই এজন যুৱকক চোকা অস্ত্ৰৰে আক্ৰমণ কৰাৰ ঘটনা সংঘটিত হয়। অচিনাক্ত দুৰ্বৃত্তৰ আক্ৰমণৰ ফলত ছাইমন কিস্কু (২৪) নামৰ এজন যুৱক গুৰুতৰ ভাৱে আহত হয়। আক্ৰমণ কৰিয়েই দুই দুৰ্বৃত্তই ঘটনাস্থলীৰ পৰা পলায়ন কৰিছিল। স্থানীয় লোকে গুৰুতৰ ভাৱে আহত ছাইমন কিস্কুক উদ্ধাৰ কৰি কাজলগাঁৱৰ জে এচ বি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও উন্নত চিকিৎসাৰ বাবে বৰপেটা মেডিকেল কলেজলৈ প্ৰেৰণ কৰে। খবৰ লাভ কৰি চিকিৎসালয়ত আহি উপস্থিত হৈ আহত যুৱক ছাইমন কিস্কুৰ স্বাস্থ্যৰ খবৰ লৈছিল চিৰাঙৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰা। দুই অচিনাক্ত দুৰ্বৃত্তই এগৰাকী আদিবাসী যুৱকক চোকা অস্ত্ৰৰে আক্ৰমণ কৰি গুৰুতৰ ভাৱে আহত কৰিছিল ছাইমন কিস্কুক। উক্ত ঘটনাত জড়িত অপৰাধী সকলক আৰক্ষীয়ে আটক নকৰাৰ বাবে সোমবাৰে পুৱা কেইবা শতাধিক স্থানীয় পুৰুষ-মহিলাই গৰুভাষা আৰক্ষী চকীত উপস্থিত হৈ আৰক্ষীৰ বাধা অতিক্ৰম কৰি আৰক্ষী চকীত প্ৰৱেশ কৰি পৰিস্থিতি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। ঘটনা সন্দৰ্ভত চিৰাং জিলা আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰাই সংবাদমাধ্যমৰ আগত মন্তব্য কৰি কয় যে ইতিমধ্য প্ৰতিবাদকাৰী সংগঠনৰ নেতা সকলৰ লগত আলোচনা কৰা হৈছে আমি তদন্ত অব্যাহত ৰাখিছো বুলি। ইপিনে উক্ত ঘটনাক তীব্ৰ গৰিহণা দিছে সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ উপ সভাপতি ছাকাৰিয়া চৰেনে। চৰেনে কয় যে উক্ত ঘটনা সংঘটিত হোৱাৰ লগে লগে গৰুভাষা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জনে যি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল তেওঁ তেনে কোনো ধৰণৰ ব্যৱস্থা কৰা নাছিল। উক্ত কাৰ্যক সদৌ চাওঁতাল ছাত্ৰ সন্থাই তীব্ৰ গৰিহণা দিয়াৰ লগতে অতিশীঘ্ৰেই গৰুভাষা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া জনক শাস্তিমূলক বদলি কৰাৰ বাবে চিৰাং জিলা আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰাক আহ্বান জনাইছে সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ উপ সভাপতি গৰাকীয়ে।

## আমগুৰি ভূঞাহাটৰ শিৰোমণি সমন্বয় ক্ষেত্ৰত সন্ত সন্মিলন-২ আৰু সাংস্কৃতিক সমাৰোহ

# ধৰ্মৰ নামত কাজিয়া কৰাটো বাদ দিব লাগিব ঃ চিন্তাবিদ ময়ূৰ বৰা

**অসম বাৰ্তা, আমগুৰি, ২৯ ডিচেম্বৰ** ঃ "বাস্তৱ সত্যটো জানি অসমীয়া জাতিৰ বাবে আহি পৰা বিভিন্ন প্ৰত্যাহ্বানবোৰ যদি আমি মোকাবিলা কৰিব বিচিৰো তেন্তে ধৰ্মৰ নামত কাজিয়া কৰাটো প্ৰথমে নিজৰ মাজত বাদ দিব লাগিব"। আমগুৰিত এই মন্তব্য কৰে বিশিষ্ট চিন্তিবিদ ময়ূৰ বৰাই। উল্লেখযোগ্য যে আমগুৰি ভূঞাহাটৰ শিৰোমণি সমন্বয় ক্ষেত্ৰত আধ্যাত্মিক উত্তৰণ সমিতি আমগুৰি উদ্যোগ আৰু স্থানীয় একৈশখন গাৱঁৰ ৰাইজৰ সহযোগত ২৪ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা সন্ত সন্মিলন-২ আৰু সাংস্কৃতিক সমাৰোহৰ আজি দুপৰীয়া অনুষ্ঠিত হয় আলোচনা সদন। সমাজজীৱনত আধ্যাত্মিকতাৰ প্ৰাসংগিতা শীৰ্ষক বিষয়ৰ আলোচনা সদন সঞ্চালনা কৰে আউনীআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱ গোস্বামীয়ে। এটা বৰগীতেৰে আৰম্ভ কৰা আলোচনা সদনত বিশিষ্ট চিন্তাবিদ ময়ূৰ বৰাই আগবঢ়োৱা তত্ত্বগধুৰ বক্তব্যৰ মাজতে মই মহাপুৰুষীয়া বুলি কৈ অসমীয়া সমাজখন কেৱল মহাপুৰুষীয়া সকলৰ নহয় বুলিও উল্লেখ কৰে। আঞ্চলিক আধ্যাত্মিক উত্তৰণ সমিতিৰ সম্পাদক অভিপ্সীত শকীয়াই আঁত ধৰা আলোচনা সদনত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শংকৰী সংস্কৃতি গৱেষণা পৰিষদৰ সভাপতি পৱিত্ৰ প্ৰাণ বৰা আন গৰাকী আলোচক হিচাপে উপস্থিত থাকি তত্ত্বগধুৰ বক্তব্য ৰাখে। গাম্ভীৰ্যপূৰ্ণ এই অনুষ্ঠানতে স্মৃতি গ্ৰন্থ "অংকুৰোদগম্" উন্মোচন কৰা হয়।

## বাংলাদেশত হিন্দুৰ ওপৰত অত্যাচাৰ সহ্য কৰা নহ'ব ঃ ৰজত কান্তি ৰয়, বনতোষ মিত্ৰ

# বাংলাদেশৰ চৰকাৰৰ বিৰুদ্ধে বৰছলা সম-জিলাৰ কাৰ্যালয়ত বাঙালী পৰিষদৰ ধিক্কাৰ কাৰ্যসূচী

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৯ ডিচেম্বৰ** ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত ৬৬ নং বৰছলা বিধানসভা সমষ্টিৰ বৰছলা সম-জিলাৰ কাৰ্যালয়ৰ সন্মুখত বাঙালী পৰিষদ অসমৰ শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত আৰু কেইবাটাও আঞ্চলিক সমিতিৰ সহযোগত বাংলাদেশৰ চৰকাৰৰ বিৰুদ্ধে ধিক্কাৰ কাৰ্যসূচী ৰূপায়ণ কৰে। যোৱা ১৮ ডিচেম্বৰত বাংলাদেশত সংঘটিত হোৱা অমানবীয় ঘটনাৰ বিৰুদ্ধে সংগঠনটোৱে আজি এই ধিক্কাৰ কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে বাংলাদেশত দীপু চন্দ্ৰ দাস নামৰ এগৰাকী হিন্দু যুৱকক সামান্য কথাতে মৰিয়াই মৰিয়াই হত্যা কৰি গছত বান্ধি অগ্নি সংযোগ কৰিছিল একাংশ মৌলবাদী চৰিত্ৰৰ মুছলমান লোকে। এই জঘন্য তথা বৰ্বৰ ঘটনাৰ বিৰুদ্ধে আজি ধিক্কাৰ কাৰ্যসূচী ৰূপায়ণ কৰি বৰছলা সম-জিলা কাৰ্যালয়ৰ সন্মুখৰ পৰিবেশ উত্তাল কৰে সংগঠনটোৱে। আজিৰ ধিক্কাৰ কাৰ্যসূচীৰ নেতৃত্বত দিয়ে বাঙালী পৰিষদ অসমৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক বনতোষ মিত্ৰই। আজিৰ উক্ত কাৰ্যসূচীত বাঙালী পৰিষদ অসমৰ কেন্দ্ৰীয় সম্পাদক ৰজত কান্তি ৰয়, শোণিতপুৰ জিলা সমিতিৰ সভাপতি শতদল চৌধুৰী, কাৰ্যকৰী সভাপতি সকল ক্ৰমে তপন ভট্টাচাৰ্য, উত্তম দত্ত, পাৰ্থ সিংহ, উপ সভাপতি সকল শ্যামল দাস, উজ্জ্বল তৰপদাৰ, অৰুণ দাস, বিজয় সৰকাৰ, শোণিতপুৰ জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য ৰঞ্জন সৰকাৰ, ঠেলামৰা আঞ্চলিক সমিতিৰ সভাপতি চন্দন দাস, সম্পাদক হৰি মণ্ডল, কেহেৰুখন্দা আঞ্চলিক সমিতিৰ সভাপতি প্ৰহ্লাদ ধৰ, সম্পাদক শান্তনু বিশ্বশৰ্মা, পিৰাকটা আঞ্চলিক সমিতিৰ সভাপতি ৰবেন্দ্ৰ সেন, সাংগঠনিক সম্পাদক ৰাজীৱ মিত্ৰ, চিৰাজুলি সত্ৰ আঞ্চলিক সমিতিৰ সভাপতি ক্ষীতিশ পালৰ লগতে প্ৰতিটো আঞ্চলিকৰ অন্যান্য বিষয়ববীয়া সকল উপস্থিত থাকে।

১ পৃষ্ঠাৰ পৰা

# "মুক্তিত নিস্পৃহ যিটো, সেহি

**গোপীনাথ বৰদলৈ, লক্ষ্মীনাথ বেজবৰুৱাক অমিত শ্বাহৰ স্মৰণ** ঃ ভাৰতৰত্ন প্ৰাক্তন মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাক স্মৰণ কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। তেওঁ কয়-'নগাঁৱলৈ আহিবলৈ পোৱাটো যিকোনো ব্যক্তিৰ বাবে সৌভাগ্য। মোৰ বাবে বিশেষ সৌভাগ্য। ভাৰতৰত্ন গোপীনাথ বৰদলৈ, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা, স্বাধীনতা সেনানী কনকলতাকো স্মৰণ কৰি তেওঁ কয় যে- গোপীনাথ বৰদলৈ নথকা হলে উত্তৰ পূৱ ভাৰতত নাথাকিলে হয়। যিজন ব্যক্তিয়ে অসমক ভাৰতৰ লগত ৰাখিবৰ বাবে তেতিয়াৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুক বাধ্য কৰিছিল। আবিৰ্ভাৱ ক্ষেত্ৰলৈ আহিলে সময় থমকি ৰ'ব। ভাষণত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়-যি স্থানত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম হৈছিল সেই স্থানৰ পৰা অনন্ত কাললৈ নৱ বৈষ্ণৱ ধৰ্মৰ গংগা বৈ থাকিব। শ্ৰীমদভাগৱত অধ্যয়ন কৰি বহুত সুন্দৰ ভাৱে ইয়াত প্ৰকাশ কৰা হৈছে। এই আবিৰ্ভাৱ ক্ষেত্ৰলৈ আহিলে সময় থমকি ৰ'ব আৰু পুনৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ শ্ৰী চৰণৰ স্পৰ্শ অনুভূত কৰাব। এই ঠাই কেৱল ঠাই নহয় ৫০০ বছৰ ধৰি আমাক একত্ৰিত কৰি ৰখাৰ ঠাই। ২০২০ চনত আবিৰ্ভাৱ ক্ষেত্ৰৰ ভূমি পূজনৰ কথা তেওঁ স্মৰণ কৰে। শ্ৰীমন্ত শংকৰদেৱে নৱবৈষ্ণৱ ধৰ্মৰ জৰিয়তে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলত ভাগৱতক প্ৰতিষ্ঠা কৰিছিল। ভাগৱতে দিয়া শিক্ষাৰে ভাল জীৱন যাপন কৰা, ভক্তি মাৰ্গক চলা আৰু নিজৰ দেশক ভাল পাবলৈ তেওঁ শিকাইছিল। এই পৱিত্ৰ স্থান কেৱল নামঘৰ বা উপাসনা গৃহ নহয়। অসমীয়া সম্ভাৱনাৰ জীৱন প্ৰতীক। ই আমাৰ সংস্কৃতিক আগুৱাই নিয়া আৰু সামূহিক ভক্তিৰ স্থান। যিসকলে ভাৰতক বিভক্ত কৰিব বিচাৰে তেওঁলোকক শ্ৰীমন্ত শংকৰদেৱে ৫০০ বছৰৰ পূৰ্বেই এখন ভাৰতৰ বাৰ্তা দিছিল। যিটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আগবঢ়াই নিছে। কংগ্ৰেছ দলক সমালোচনা কৰি তেওঁ কয় যে- ১৯৮৩ চনত কংগ্ৰেছে আই এম ডি টি আইন আনি অনুপ্ৰৱেশকাৰীক সংস্থাপিত কৰাৰ আইনী অধীকাৰ দিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ এই পৱিত্ৰ স্থানৰ পৰা সংকল্প লৈছো কেৱল অসমৰ পৰাই নহয় সমগ্ৰ ভাৰতবৰ্ষৰ পৰা অবৈধ অনুপ্ৰৱেশকাৰীক বিচাৰি উলিয়াই বহিষ্কাৰ কৰা হব। তেওঁ বিজেপি চৰকাৰে ১ লাখৰো অধিক ভূমি বাংলাদেশীৰ পৰা বেদখলমুক্ত কৰা বুলি মন্তব্য কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীজনে লগতে কয় যে- কংগ্ৰেছ চৰকাৰে অসম আন্দোলনৰ শ্বহীদৰ বাবে একো কাম কৰা নাই। কিন্তু বিজেপি শ্বহীদ স্মৃতি নিৰ্মাণ কৰিছে। প্ৰথম পাঁচ বছৰ সৰ্বানন্দৰ নেতৃত্বত আৰু পৰৱৰ্তী পাঁচ বছৰ হিমন্তৰ বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত সোণালী সময় হৈছে। তেওঁ লগতে কয় যে- এটা সময়ত অসমত যুৱকে হাতত বন্দুক লৈ ৰক্তাক্ত পৰিবেশ কৰিছিল। কিন্তু মোদী ৰ নেতৃত্বত বিভিন্ন বিদ্ৰোহী সংগঠনৰ লগত আলোচনাত বহা হৈছে। যিখন অসম এসময়ত বোমাৰ শব্দ শুনা যায় সেইখন অসমত বৰ্তমান শ্ৰীমন্ত শংকৰদেৱৰ নামৰ ধ্বনিৰে কান পৱিত্ৰ হয়। বিদ্ৰোহী সংগঠনৰ সৈতে হোৱা আলোচনা কেৱল কাগজতে সীমাবদ্ধ নহয়। এই আলোচনা সমূহৰ ৯২ শতাংশই সফল হৈছে। পুনৰ যদি বিজেপি চৰকাৰ আহে এই আলোচনা এশ শতাংশ সফল হব। পূৰ্বোত্তৰৰ বিকাশৰ বাবে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে সম্ভবপৰ সকলোখিনি কৰিছে। লগতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আৰু কয়, নৰেন্দ্ৰ মোদীয়ে ১১ বছৰত ৮০ বাৰ উত্তৰ পূৰ্বাঞ্চললৈ আহিছে। অসমলৈ ১১ বছৰত ৩৬ বাৰ আহিছে। ইয়াৰ বিপৰীতে ৰাজ্যসভালৈ পঠিওৱাৰ পিচতো ১০ বছৰত পূৰ্বৰ প্ৰধানমন্ত্ৰী মনমোহন সিং মাত্ৰ ৭ বাৰ অসমলৈ আহিছে। কংগ্ৰেছৰ বাবে অসমৰ বিকাশ, অসমৰ সংস্কৃতি, অসমৰ শান্তি কেৱল ভাষণতহে আছিল। নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত লাচিত বৰফুকনৰ জীৱনী সকলো ভাষাতেই প্ৰচাৰ কৰা হৈছে, বৃন্দাবনী বস্ত্ৰকো প্ৰদৰ্শনীৰ জৰিয়তে বিশ্বত প্ৰতিষ্ঠা কৰা হৈছে। প্ৰায় ৬০ সহস্ৰাধিক লোক উপস্থিত থকা সভাখনত ভাষণ প্ৰদান কৰি প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়- "মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ গুণানুকীৰ্তন কৰিবলৈ আমি আজি সমবেত হৈছো। এইগৰাকী গুৰুৱে আমাক জীৱনৰ পথত কেনেদৰে অগ্ৰসৰ হব লাগে। সমাজ পাতি শৃংখলাবদ্ধভাৱে কেনেদৰে আমি আমাক সুচাৰুৰূপে আগুৱাই নিব লাগে আৰু প্ৰাণী জগতৰ প্ৰতি দায়বদ্ধতাৰে কেনেদৰে মানৱ ধৰ্ম পালন কৰিব লাগে। এইবিলাক কথা গুৰুজনাই নৱবৈষ্ণৱ ধৰ্মৰ জৰিয়তে শক্তিশালী ভাৱে প্ৰদান কৰি গৈছে। গুৰুজনাৰ আদৰ্শৰেই অসমীয়া জাতিয়ে বিশ্বৰ বুকুত আধ্যাত্মিক পৰিচয়, সাংস্কৃতিক পৰিচয় দিবলৈ সক্ষম হৈছে। গুৰুজনাৰ প্ৰতি কোটি কোটি প্ৰণাম।" সোণোৱালে লগতে কয়- "এখন সমাজত আধ্যাত্মিক চেতনাৰে জাগ্ৰত কৰিবলৈ গুৰুজনাই আধ্যাত্মিক ভাৱে শাৰীৰিক ভাৱে জীৱন যোৱা সাধনাত মগ্ন হৈছিল। তাৰ ফলশ্ৰুতিতে আমি জ্ঞানৰ পোহৰ পাইছো। ভক্তিৰ অনুভূতি আয়ত্ত কৰিছো আৰু অসমীয়া সমাজখনে বিভিন্ন ক্ষেত্ৰত নিজৰ ব্যক্তিত্ব প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে।" কংগ্ৰেছৰ কাৰ্যকালত এই মহত্ত্বপূৰ্ণ স্থানখিনি ক্ষতিগ্ৰস্ত হৈছিল। ভক্তপ্ৰাণ ৰাইজ আতংকত থাকিবলগীয়া হৈছিল বুলিও মন্তব্য কৰি সোণোৱালে কয়-'সন্দেহযুক্ত বিদেশীৰ বেদখলৰ বাবে এই পৱিত্ৰ স্থানৰ সীমা সংকুচিত হৈছিল। সেই সময়ত সত্ৰাধিকাৰসকলে কংগ্ৰেছ চৰকাৰক আবেদন কৰাৰ পিচতো কোনোদিনেই কংগ্ৰেছ চৰকাৰে গুৰুত্ব নিদিলে। ভোটবেংক সুৰক্ষিত কৰাৰ স্বাৰ্থত অবৈধ বিদেশীক এই স্থানত সুৰক্ষা দিলে। কিন্তু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী শাসনলৈ অহাৰ পিচত এই স্থান বিদেশী মুক্ত কৰি উজ্জীৱিত কৰাৰ সংকল্প ললে। ২০১৬ চনত অসমত বিজেপি নেতৃত্বাধীন চৰকাৰ গঠন হওঁতে প্ৰধানমন্ত্ৰীয়ে সত্ৰ, মন্দিৰ আদিৰ ভূমি বেদখলমুক্ত কৰাৰ বাবে নিৰ্দেশ দিলে। সেয়ে ২০১৬ চনৰ পৰা ২০২৫ চনলৈকে এই উচ্ছেদ অভিযান নিৰন্তৰ ভাৱে চলোৱা হল। সেই সময়ত আমি মুখ্যমন্ত্ৰীহৈ থাকোঁতেই বৰদোৱা থানলৈ আহিলো আৰু সত্ৰাধিকাৰ প্ৰভু সকলৰ সৈতে কথাপাতি এইক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিলো। লগতে এই স্থান যাতে বিশ্বৰ এক শক্তিশালী ঐতিহ্যক্ষেত্ৰ হয় সেয়ে নিৰ্মাণ কাৰ্য আৰম্ভ কৰিলো।" সভাখনত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় - "অসমীয়া জাতি আজি সংকটাপূৰ্ণ। চাৰিওফালে আমি এচাম মানুহৰ দ্বাৰা পৰিবেষ্টিতহৈ আছো। যিসকলে শংকৰ আৰু মাধৱৰ জীৱন দৰ্শন বুজি নাপায়। অসমৰ ধৰ্মনিৰপেক্ষ বুলি নিজকে কোৱা ব্যক্তিসকলে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ লগত আজান ফকীৰক তুলনা। মই তেওঁলোকক সোঁৱৰাই দিব বিচাৰো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱ আমাৰ গুৰুজনা। তেওঁলোকৰ লগত কোনো নাম সংলগ্ন নহব। শংকৰ মাধৱ আমাৰ জাতীয় জীৱনৰ প্ৰাণ প্ৰতিষ্ঠাতা। সূৰ্য-চন্দ্ৰ জীয়াই থকালৈকে আমাৰ গুৰুদুজনা আমাৰ মাজত জীয়াই থাকিব।" বিজেপি চৰকাৰে বিকাশৰ গংগা নমাই আনিছে বুলি কৈ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মন্তব্য- "বিকাশৰ লগতে জাতিৰ পৰিচয় তথা অস্তিত্বও থাকিব লাগিব। জাতিৰ পৰিচয় নাথাকিলে বিকাশৰ কোনো মূল্য থাকিব নোৱাৰে। বিকাশ আৰু জাতিৰ পৰিচয় একেলগে হলেহে অসমীয়া জাতি মহাজাতিত পৰিণত হ'ব।" অচিনাকি লোকক জাতিৰ বৰঘৰত সোমাবলৈ নিদিও বুলি কৈ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মন্তব্য- "এটা দশকৰ ভিতৰতে আমাৰ জাতি মহাশক্তি পৰিণত হব। এই আবিৰ্ভাৱ ক্ষেত্ৰ আধ্যাত্মিকতাৰ প্ৰতীক নহয় ই অসমীয়া জাতিৰ স্বাভিমানৰো প্ৰতীক। ই অসমীয়া জাতিক সাহস দিব, শক্তি দিব আৰু জাতিটোক জীয়াই থকাৰ প্ৰেৰণা দিব। অচিনাকি মানুহক আঁতৰি যোৱাৰ আহ্বান জনাই চৰকাৰে কাকো ৰেহাই নিদিয়ে বুলি কয়। তেওঁ আজি প্ৰাপ্তিৰ দিনটোত সোণোৱাল আৰু আমি বিশাল আনন্দ লাভ কৰাৰ কথাও কয়।" বটদ্ৰৱা প্ৰকল্প মুকলি অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পৱিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী পিয়ুষ হাজৰিকা, মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, শশীকান্ত দাস, ৰমাকান্ত দেউৰী জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# মেৰাপানীত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ উদ্যোগত বিভিন্ন সংগঠনৰ সহযোগত সীমা সমস্যা আৰু ভূমি পট্টনৰ দাবীত প্ৰতিবাদ

**অসম বাৰ্তা, মেৰাপানী, ২৯ ডিচেম্বৰ** ঃ গোলাঘাট জিলাৰ মেৰাপানীত আজি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ উদ্যোগত বিভিন্ন সংগঠনৰ সহযোগত অসম-নগালেণ্ডৰ সীমা সমস্যাৰ স্থায়ী সমাধান, দৈয়াংৰ ভূমি পট্টন, ভেলৌগুৰিৰ বীজ পামৰ ভূমিৰ স্থায়ী সমাধানকে ধৰি কেইবাটাও সমস্যাৰ দাবীত মেৰাপানীত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। দিনৰ ১১ বজাত মেৰাপানী ৰাজহুৱা বাছ আস্থানৰ সমীপৰ পৰা বাহিৰ কৰা প্ৰতিবাদী সমদলটোত অংশ গ্ৰহণ কৰা প্ৰতিবাদকাৰীয়ে হাতে হাতে বেনাৰ পোষ্টাৰ লৈ সীমা সমস্যা স্থায়ী সামাধান কৰক, দৈয়াংবাসীক ভূমি পট্টা প্ৰদান কৰক, ভেলৌ গুৰি বীজ পামৰ ভূমিৰ স্থায়ী সামাধান কৰক, অসম চৰকাৰ হায় হায়! কেন্দ্ৰীয় চৰকাৰ হায় হায়! বি জে পি চৰকাৰ কাম নাই আদি বিভিন্ন শ্লোগানেৰে মেৰাপানীত ৰাজপথ কপাঁই তোলে। ৰাজহুৱা বাছ আস্থানৰ সমীপৰ পৰা ওলোৱা প্ৰতিবাদী সমদলটো প্ৰায় এক কিলোমিটাৰ পথ পদে প্ৰস্থে আহি মেৰাপানী আৰক্ষী থানাৰ সন্মুখত অৱস্থান কৰি এক প্ৰতিবাদী সভায়ো অনুষ্ঠিত কৰে। উক্ত প্ৰতিবাদী সভাত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সম্পাদক বিদ্যুৎ শইকীয়াই আৰু অসম অনুসুচিত জাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক খিৰোদ কুমাৰ দাসে বক্তব্য প্ৰদান কৰাৰ লগতে স্থানীয় বহু কেইজন বিশিষ্ট লোকে দৈয়াংৰ ভূমি পট্টন আৰু সীমা সমস্যা সমাধানৰ সন্দৰ্ভত চৰকাৰক আহ্বান জনাই বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে গৃহমন্ত্ৰী অমৃত শ্বাহ অসম আগমনৰ দিনটোত আজি তীব্ৰ সমালোচনা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক বিদ্যুত শইকীয়াৰ। অসমৰ ভূমিত নাগালেণ্ডে বিভিন্ন সময়ত সীমান্তবাসীক হাৰা শাস্তি কৰি অহা, বীজ পামৰ ভূমিত নাগালেণ্ডে নিজৰ দখলত ৰখাক লৈ সীমান্ত উন্নয়ন মন্ত্ৰী অতুল বৰাকো তীব্ৰ সমালোচনা কৰে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক বিদ্যুত শইকীয়াই। প্ৰতিবাদী সভাৰ শেষত প্ৰতিবাদকাৰীয়ে সীমান্ত দণ্ডাধীশক দাবী সমূহ সামাধানৰ বাবে এক স্মাৰক পত্ৰ প্ৰদান কৰে। আজি এই প্ৰতিবাদত সহযোগ কৰে নাৰী মুক্তি সংগ্ৰাম সমিতি, দৈয়াং মুক্তি সংগ্ৰাম সমিতি, অনুসুচিত জাতি ছাত্ৰ সন্থা, ভেলৌগুৰি বীজ পাম অধিকাৰ আহ্বায়ক সমিতি আদিয়ে। প্ৰায় তিনি শতাধিক প্ৰতিবাদকাৰীয়ে অংশগ্ৰহণ কৰা এই প্ৰতিবাদ কাৰ্যসূচী বিয়লি ৩ বজাত স্থগিত ৰাখে।

# ভাওনা শিল্পী সমাজ, লখিমপুৰ জিলা সমিতিৰ উদ্যোগত পথালিপাহাৰত পঞ্চম বাৰ্ষিক ভাওনা সমাৰোহৰ প্ৰস্তুতি

**অসম বাৰ্তা, বান্দৰদেৱা, ২৯ ডিচেম্বৰ** ঃ ভাওনা শিল্পী সমাজ, লখিমপুৰ জিলা সমিতিৰ উদ্যোগত বিগত বছৰ দৰে এইবাৰো পঞ্চম বাৰ্ষিক জিলা ভাওনা সমাৰোহ ভাগি পথালিপাহাৰবাসী ৰাইজৰ সহযোগত উদ্‌যাপনৰ উদ্দেশ্যে ২৮ ডিচেম্বৰ তাৰিখে জিলাখনৰ অসম অৰুণাচল সীমান্তৱতী পথালিপাহাৰ সন্মিলিত নাট্য সমাজৰ স্থায়ী প্ৰেক্ষাগৃহত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। উক্ত সভাৰ সৰ্ব সন্মতিক্ৰমে অহা ২০২৬ চনৰ মাৰ্চ মাহত চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ভাওনা সমাৰোহ খনি উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেয়েহে আগন্তুক সমাৰোহ ভাগি সফল ৰূপায়ণৰ বাবে ৰাজহুৱা সভাতে এখন পূৰ্ণাঙ্গ আদৰণি সমিতি গঠন কৰা হয়। সভাপতি হিচাপে বিশ্বেশ্বৰ দত্ত, কাৰ্যকৰী সভাপতি প্ৰবীণ বৰুৱা, সম্পাদক চন্দেশ্বৰ ভূঞা আৰু যুটীয়া সম্পাদক ক্ৰমে ৰূপম দত্ত, নৱজ্যোতি তামোলী আদিক লৈ এখন শক্তিশালী সমিতি গঠন কৰা পৰিলক্ষিত হয়।

জীৱন ৰূপান্তৰিত নহ'লে মানৱ জীৱনৰ সফলতা নাহে ঃ দিগন্ত বিশ্ব শৰ্মা

# সাহিত্য অকাডেমীৰ উদ্যোগত নগাঁও ছোৱালী কলেজত 'অসমীয়া বৈষ্ণৱ সাহিত্য'

## সাহিত্যিক আৰু সামাজিক প্ৰেক্ষাপট শীৰ্ষক বক্তৃতামালা



**অসম বাৰ্তা, নগাঁও, ২৯ ডিচেম্বৰ** ঃ সাহিত্য অকাডেমীয়ে মুলত তিনিটা বিষয়ত গুৰুত্ব প্ৰদান কৰে। সেই কেইটা হ'ল গ্ৰন্থ মুদ্ৰণ, সাহিত্য বিষয়ক অনুষ্ঠান অনুষ্ঠিত কৰা আৰু লেখকক উৎসাহিত কৰিবৰ বাবে বটা প্ৰদান কৰা। আজি সাহিত্য অকাডেমীৰ উদ্যোগত, আই কনকলতা মহিলা তীৰ্থ, অসমৰ সহযোগত নগাঁও ছোৱালী কলেজৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ আৰু অসমীয়া বিভাগৰ আতিথ্যত কলেজৰ চিন্তা জুৰণি কক্ষত আয়োজিত 'অসমীয়া বৈষ্ণৱ সাহিত্য ঃ সাহিত্যিক আৰু সামাজিক প্ৰেক্ষাপট' শীৰ্ষক বক্তৃতামালাৰ উদ্বোধনী অনুষ্ঠানত পৰিচয়মুলক বত্তৃ্তা প্ৰদান কৰি সাহিত্য অকাডেমীৰ অসমীয়া উপদেষ্টা সমিতিৰ সমন্বয়ক তথা মহাযোগী, ঋষি অৰবিন্দৰ অনুগামী দিগন্ত বিশ্ব শৰ্মাই এই মন্তব্য কৰি সাহিত্য অকাডেমীৰ বিভিন্ন কাৰ্যসূচীৰ বিষয়ে উল্লেখ কৰে। ভাষণ প্ৰসঙ্গত মহাযোগী অৰবিন্দৰ কথা উল্লেখ কৰি কয় যে মহাযোগীয়ে কৈছিল যে জগতৰ ৰহস্য, জীৱনৰ ৰহস্যতকৈ মানুহৰ সামাজিক জীৱনৰ বিষয়ে আলোকপাত কৰাটো জটিল। ৰাজতন্ত্ৰৰ পৰা গণতন্ত্ৰলৈ হোৱা পৰিবৰ্তনৰ কথা উল্লেখ কৰি শৰ্মাই কয় যে ইতিহাসে ৰাজতন্ত্ৰৰ পৰা গণতন্ত্ৰলৈকে পৰিৱৰ্তনৰ জ্ঞান দিব পাৰে। কিন্তু কিয় পৰিবৰ্তন হ'ল সেই বিষয়ে একো নকয়। সেয়া আমি জানিব লাগিব। মহাযোগী অৰবিন্দৰ প্ৰসঙ্গ উল্লেখ কৰি তেওঁ কয় যে ঋষি অৰবিন্দই কৈছে যে ভাৰতৰ সাধনাই নিম্ন প্ৰকৃতিৰ পৰা উচ্চ প্ৰকৃতিলৈ তুলি ধৰিবলৈ সক্ষম হৈছে। অসমৰ নৱবৈষ্ণৱ আন্দোলনৰ কথা উল্লেখ কৰি শৰ্মাই কয় যে দেশৰ উত্তৰ কালৰ বৈষ্ণৱ সাহিত্যই সাহিত্য-সংস্কৃতিৰ চৰ্চাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। এইবোৰ কথা আমাক ইতিহাসে জানিবলৈ নিদিয়ে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কথা উল্লেখ কৰি তেওঁ কয় যে গুৰুজনাৰ বৰগীত, অংকীয়া ভাওনা এক অপুৰ্ব সাহিত্য। বৰগীত সংস্কৃতিৰে পৰিপূৰ্ণ সংগীত ব্যৱস্থা গুৰুজনাই আমাক দি গল। মানুহৰ মাজত ৰসবোধ, হৃদয় বৃত্তি থকাৰ কথা উল্লেখ কৰি বিশিষ্ট সাহিত্যিক গৰাকীয়ে কয় যে এই সমূহ উৰ্দ্ধলৈ তুলি ধৰি উচ্চ প্ৰকৃতিলৈ নিয়াৰ প্ৰয়াস কৰা হৈছে। তেওঁ ভাৰতবৰ্ষক এখন বৈচিত্ৰ্যমূলক দেশ হিচাপে অভিহিত কৰে। বেদ, উপনিষদৰ পিছত কৰ্ম আৰু সৃষ্টিৰ যুগ আৰম্ভ হয় বুলি উল্লেখ কৰি শৰ্মাই কয় যে পুৰাণ সমূহক বাদ দিলে বৈষ্ণৱ সাহিত্য সম্ভৱ নহয়। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাক অসমৰ একমাত্ৰ দাৰ্শনিক বুলি অভিহিত কৰি তেওঁ কয় যে ৰূপকোঁৱৰক আমি পাহৰি পেলাইছো। কিয় আমি তেওঁক পাহৰিছো সেয়া নাজানো বুলি উল্লেখ কৰি তেওঁ কয় যে ৰূপকোঁৱৰক শংকৰদেৱ, মাধৱদেৱ, জানিলে বিষ্ণুপ্ৰসাদ ৰাভা, ভূপেন হাজৰিকা, জুবিন গাৰ্গক জানিব পাৰি। ৰূপান্তৰৰ মাজেৰে সমাজ গঢ়াৰ চিন্তা কৰা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন দৰ্শনৰ কথা উল্লেখ কৰি তেওঁ কয় জীৱন ৰূপান্তৰিত নহলে মানৱ জীৱনৰ পুৰ্ণতা নাহে। বৈষ্ণৱ সাহিত্য জনমানসত, সচেতনতাত আছে বুলি তেওঁ মন্তব্য কৰে। বৃটিছৰ দুশ বছৰীয়া শাসনৰ কথা উল্লেখ কৰি তেওঁ কয় যে সেই সময়ত আমি দাসত্বত বান্ধ খাই আছিলোঁ। ইতিহাস, সংস্কৃতি বৰ্জিত হৈছিল। এইবিলাক ইতিহাস আমাৰ নতুন প্ৰজন্মই জানিব লাগিব। উদ্বোধনী অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি সাহিত্য অকাডেমীৰ আঞ্চলিক কাৰ্যালয়ৰ আঞ্চলিক সম্পাদক দেৱেন্দ্ৰ কুমাৰ দেৱেশে কয় যে সাহিত্য অকাডেমী হৈছে এক ৰাষ্ট্ৰীয় সংস্থা। এই সংস্থাই ভাৰতীয় ভাষা, সাহিত্য, সংস্কৃতিৰ বিকাশৰ হকে কাম কৰি আহিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ কথা উল্লেখ কৰি সম্পাদক গৰাকীয়ে কয় এই দুগৰাকী মহাপুৰুষৰ অসমীয়া ভাষা, সাহিত্যলৈ আগবঢ়োৱা অৱদানক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। বৈষ্ণৱ সাহিত্যৰ জৰিয়তে তেওঁলোকে অসমীয়া সাহিত্যৰ বৰভেটি বান্ধি থৈ গৈছে। প্ৰসঙ্গক্ৰমে তেওঁ নগাঁৱৰ বহু কেইজন বৰেণ্য নগএঞা সাহিতিক্যৰ কথা উল্লেখ কৰে। অনুষ্ঠানত ব্ৰীজ ভাষণ প্ৰদান কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা বিশিষ্ট লেখক বিভাষ চৌধুৰীয়ে কয় যে লক্ষ্মীনাথ বেজবৰুৱাই জীৱনী সাহিত্যৰ মাজেৰে বৈষ্ণৱ সাহিত্যৰ চেতনা আমাৰ মাজত সঞ্চাৰিত কৰি থৈ গ'ল। অসমীয়া সাহিত্যৰ চৰ্চা কৰবাত ৰৈ গৈছে বুলি তেওঁ আক্ষেপ প্ৰকাশ কৰে। তেওঁ গুৰুজনাৰ বৰগীত, অংকীয়া নাট আদিৰ বিষয়ে উল্লেখ কৰি কয় যে গুৰুজনাৰ অপুৰ্ব সৃষ্টিক নৱপ্ৰজন্মক পৰিচয় কৰি দিয়া প্ৰয়োজন। নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপিকা ডক্টৰ অমিয়া পাটৰে আতধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষা মৰমী গায়ন, আই কনকলতা মহিলা তীৰ্থৰ নগাঁও জিলা সমিতিৰ সম্পাদিকা অমিয়া গোস্বামী, মহাবিদ্যালয়ৰ অধ্যাপক, অধ্যাপিকা, ছাত্ৰী সকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সাংবাদিক কনক হাজৰিকাই। ইয়াৰ পিছতে অনুষ্ঠিত হয় আজিৰ বক্তৃতামালাৰ মুল বিষয়ৰ প্ৰথম আলোচনা সত্ৰ। বিনীতা দেৱ চৌধুৰীৰ সঞ্চলনাত অনুষ্ঠিত সত্ৰত বক্তা হিচাপে অংশগ্ৰহণ কৰে ক্ৰমে ড: বসন্ত গোস্বামী, ড: ত্ৰিদিপ গোস্বামী আৰু ড: সঞ্জীৱ পল ডেকাই। তেওঁলোকে আজিৰ আলোচনা সত্ৰৰ মুল বিষয়ৰ ওপৰত বিস্তাৰিত ভাবে বক্তব্য আগবঢ়াই। বিয়লি অনুষ্ঠিত দ্বিতীয় সত্ৰ সঞ্চালনা কৰে অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড: মঞ্জু লস্কৰে। বক্তা হিচাপে অংশগ্ৰহণ কৰে ড: মিলন নেওগ, বিপুল মালাকাৰ, জ্যোতি খাটনিয়াৰে। আটাইকেইজন বক্তাই অসমীয়া বৈষ্ণৱ সাহিত্যৰ বিষয়ে উল্লেখ কৰি সাহিত্যিক আৰু সামাজিক প্ৰেক্ষাপট সন্দৰ্ভত মননশীল ভাষণ প্ৰদান কৰে। অনুষ্ঠানত আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক সঞ্চিতা বৰা সাহিত্য অকাডেমীৰ কাৰ্যসূচী বিষয়া অভিযেক ৰথ আদিয়ে অংশগ্ৰহণ কৰে।

নলবাৰী জিলা লেখক সভাত নেবকাচৰ বঁটা প্ৰদান অনুষ্ঠান

# বঁটা ঈশ্বৰ আৰু ৰাইজে আগবঢ়োৱা দুৰ্লভ উপহাৰ




**অসম বাৰ্তা, নলবাৰী, ২৯ ডিচেম্বৰ** ঃবঁটা ঈশ্বৰ আৰু ৰাইজে আগবঢ়োৱা দুৰ্লভ উপহাৰ। বঁটা প্ৰাপ্তিয়ে সমাজৰ প্ৰতি অধিক দায়বদ্ধ হ'বলৈ প্ৰেৰণা যোগায়- স্বেচ্ছাসেৱী সংগঠন নেবকাচে আগবঢ়োৱা ২০২৫ বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ সাংবাদিক বঁটা গ্ৰহণ কৰি এই মন্তব্য কৰে নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি, সাংবাদিক জিতেন শৰ্মাই। উল্লেখযোগ্য যে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা বৰ্ণময় বৰঙনিৰ বাবে ২৩ গৰাকী বিশিষ্ট ব্যক্তিক কালি দেওবাৰে ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত কৰে উত্তৰ-পূব সামাজিক সাংস্কৃতিক স্বেচ্ছাসেৱী সংগঠন চমুকৈ 'নেবকাচ' ( NEBCUS)এ।নলবাৰী জিলাৰ চ'ক বজাৰস্থিত জিলা লেখক সভাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰে নেবকাচৰ সভাপতি গগনষ্টম গগৈ আৰু সাধাৰণ সম্পাদক হীৰেণ বৰগোহাঁইয়ে। সংগঠনটোৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক তথা নলবাৰী জিলা লেখক সভাৰ সাধাৰণ সম্পাদক বিজয় বৰুৱাই আঁত ধৰা আৰু নেবকাচৰ সাধাৰণ সম্পাদক হীৰেণ বৰগোহাঁইয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত ক্ৰমে শিক্ষাব্ৰতী দীনেশ কলিতা, লক্ষ্মীকান্ত ডেকা, কিশোৰ কুমাৰ নাথ, কৰ্ণধৰ বৰ্মন, কন্দৰ্প কুমাৰ দাস, প্ৰমোদ কুমাৰ তালুকদাৰ, নিৰুপমা কলিতা, অমূল্য দাস, নৃপেন হাজৰিকা, শ্যামন্ত কুমাৰ ডেকা, বাগ বাহাদুৰ মগৰ, নীলাম্বৰ হালৈ, অক্ষেন্দ্ৰ দাস, ফুকন বৈশ্য, শ্বফিয়া বেগম, ৰনেন্দ্ৰ কুমাৰ বুঢ়াগোহাঁই, জোনমণি বৰুৱা, বিৰেশ কুমাৰ ডেকা, নৱজ্যোতি শইকীয়া, কল্পনা কিৰণ কাশ্যপ, পূৰ্ণেশ্বৰ শইকীয়া, পদ্ম ৰাজবংশী, মণিৰাম দাস আৰু ডাঃ পদুমী কলিতাক বিভিন্ন বঁটাৰে সন্মানিত কৰে উদ্যোক্তাসকলে। সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি গগনষ্টম গগৈয়ে সঞ্চালনা কৰা অনুষ্ঠানটোত নেবকাচৰ কাৰ্যবাহী সঞ্চালক তথা নলবাৰী জিলা লেখক সভাৰ সভাপতি অৰ্জুন সেন ডেকা, নেবকাচৰ কেন্দ্ৰীয় উপদেষ্টা মুন ৰাজবংশী আৰু বহু গণ্যমান্য ব্যক্তি উপস্থিত আছিল।

# লুইতপৰীয়া বজাৰত কবি গানৰ আয়োজন

**অসম বাৰ্তা, সোণতলী, ২৯ ডিচেম্বৰ** ঃ কামৰূপ জিলাৰ ছমৰীয়াৰ মাজৰটোপত সংখ্যালঘু অঞ্চলৰ প্ৰচলিত এক কবি গানৰ অনুষ্ঠানৰ আয়োজন কৰে। মাজৰটোপৰ লুইতপৰীয়া ৰবিবৰীয়া সাপ্তাহিক বজাৰত বজাৰ পৰিচালনা সমিতিয়ে ৰবিবাৰে সন্ধিয়া পৰত এই 'কবি গান'ৰ আয়োজন কৰে। উল্লেখ্য, আয়োজন কৰা এই কবি গানৰ সভাত ছমৰীয়া সমষ্টিৰ কংগ্ৰেছৰ টিকট প্ৰত্যাশী অধিবক্তা কোৰবান আলীয়ে অংশ গ্ৰহণ কৰে। ইয়াৰ কাৰ্যকৰী সভাপতি ৰহিজ উদ্দিনৰ লগতে সম্পাদক আনিছ আহমেদ ভূঞাই টিকট প্ৰত্যাশী অধিবক্তা কোৰবান আলীক উষ্ম আদৰণি জনায়। সভাত টিকট প্ৰত্যাশী অধিবক্তা কোৰবান আলীয়ে উপস্থিত ৰাইজক উদ্দেশী মূল্যবান বক্তব্য আগবঢ়ায়। এই সভাত হাতীশলা-ভলুকাবাৰী গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি আত্ৰাম হুছেইন, আলহাজ আবুল হুছেইন, গৰৈমাৰী ব্লক কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সভাপতি ছামছুল হক, বগুৰিগুৰী মণ্ডল কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সভাপতি হাছেন আলীকে ধৰি গণ্য-মান্য ব্যক্তি সকল উপস্থিত থাকে।

নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ উদ্যোগ

# চিকিৎসক কবি প্ৰয়াগ শইকীয়ালৈ কাব্যৰত্ন বঁটা প্ৰদান



**অসম বাৰ্তা, নগাঁও, ২৯ ডিচেম্বৰ** ঃ নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ উদ্যোগত কবি নৱকান্ত বৰুৱাৰ জন্ম শতবৰ্ষ উপলক্ষে আজি নগাঁৱৰ সাংস্কৃতিক গোষ্ঠী কল্লোলৰ প্ৰেক্ষাগৃহত চিকিৎসক কবি প্ৰয়াগ শইকীয়ালৈ আগবঢ়োৱা হয় কাব্যৰত্ন বঁটা। দিনৰ ২বজাৰ পৰা আৰম্ভ হোৱা অনুষ্ঠানটিৰ আৰম্ভণিতে কবি নৱকান্ত বৰুৱাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলী অৰ্পনেৰে অনুষ্ঠানৰ আৰম্ভণি কৰে কল্লোল সাংস্কৃতিক গোষ্ঠীৰ সাধাৰণ সম্পাদক নৌছাদ আখতাৰ হাজৰিকাই। বঁটা প্ৰদান অনুষ্ঠানতটিত সভাপতিত্ব কৰে নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ সভাপতি ডাঃ ঋষেশ্বৰ ঠেঙাল শইকীয়াই। কাব্যৰত্ন বঁটা প্ৰদান অনুষ্ঠানটিত কবি ডাঃ প্ৰয়াগ শইকীয়াক এখনি ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনাই সাহিত্য সন্মিলনীৰ নগাঁও জিলাৰ সভাপতি চিকিৎসক ঋষেশ্বৰ ঠেঙাল শইকীয়াই। কবি প্ৰয়াগ শইকীয়াক এখনি চেলেং প্ৰদান কৰে হৰিদেৱ মহন্তই। ফুলৰ থোপা প্ৰদান কৰে মালা শইকীয়াই। কবি প্ৰয়াগ শইকীয়ালৈ প্ৰদান কৰা স্মাৰকপত্ৰখনি পাঠ কৰে ৰঞ্জিত মহন্তই। ইয়াৰ লগে লগে নগাঁও সাহিত্য সন্মিলনীৰ সমূহ বিষয়ববীয়াই গ্ৰন্থৰ টুপুলা সহ অন্যান্য সামগ্ৰী সমূহ কৰে। বঁটা গ্ৰহণ কৰি কবি প্ৰয়াগ শইকীয়াই নিজৰ চমু ভাষণত কয়- মোৰ কবিতাৰ যাত্ৰা আৰম্ভণি হৈছিল কবি নৱকান্ত বৰুৱা দেৱৰ কবিতাৰে। কবিতা লিখিবলৈ মই অনুপ্ৰেৰণা লাভ কৰিছিলো মোৰ দাদা প্ৰয়াত প্ৰাঞ্জল শইকীয়াৰ পৰা। মই ১৯৭২ চনৰ পৰাই এই কবিতাৰ যাত্ৰা আৰম্ভ কৰিছিলো। কল্লোলৰ বাকৰিৰ পৰাই আমি কবিতাৰ যাত্ৰা আৰম্ভ কৰিছিলো আৰু আজি বঁটাটিও এই কল্লোলৰ মজিয়াতে লাভ কৰিছো। তাৰ বাবে মই আজি অতিকৈ আনন্দিত হৈছো। মোক বিভিন্ন মানুহে বিভিন্ন কামত যে লগাইছে সেইয়া মোৰ আজি অনুভৱ হয়। মই কবি হয়নে নহয় মোৰ মাজে মাজে সন্দেহ হয়। মই এজন সীমিত মানুহ। মানুহ হিচাপে মই কথাহে ক'ব পাৰো। বঁটা প্ৰদানৰ আৰম্ভণিতে শীতৰ কবিতা আবেলি শীৰ্ষক এটি অনুষ্ঠানত অংশগ্ৰহণ কৰি কবিতা পাঠ কৰে ক্ৰমে- কবি পংকজ শৰ্মা, দীপাশ্ৰী ভড়ালী, হৰিবন্ধু দাস, কুইন কাকতি, চেনিমাই বৰা মহন্ত, কিশোৰ দাস, অৰূপ গোস্বামী, ধৰ্মপ্ৰসাদ গোস্বামী, অঞ্জলি মহন্ত, দেৰেন মুক্তিয়াৰ, দুলুমনি গোস্বামী, অশোক ৰাম ভট্টাচাৰ্য, মুকুল বৰা, অনু শৰ্মা বৰুৱা, গুৰুবচন সিং, বেলা মোডী, দেৰেন মুক্তিয়াৰ। অন্যহাতে উক্ত অনুষ্ঠানতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মায়াবীনি গীত পৰিবেশন কৰে মাধুৰ্য্য মণ্ডিত শৰ্মাই। অনুষ্ঠানটি সামগ্ৰীক ভাবে আতঁধৰে অসমীয়া সাহিত্য সন্মিলনী নগাঁও জিলাৰ সম্পাদিকা নিজৰা শইকীয়াই। অনুষ্ঠানৰ শেষত জাতীয় সংগীত পৰিবেশনেৰে অনুষ্ঠানটি সামৰণি পৰে। অনুষ্ঠানত অসমীয়া সাহিত্য সন্মিলনীৰ বহুকেইগৰাকী বিষয়ববীয়া সদস্যৰ লগতে অন্যান্য গণ্যমান্য লোক সকল উপস্থিত থাকে।

বিধানসভা নিৰ্বাচনত কাৰোৰে সৈতে মিত্ৰতা নকৰে ইউপিপিএল দলে ঃ কাতিৰাম বড়ো

# চিৰাঙত ইউপিপিএল দলৰ কৰ্মীসভা

**অসম বাৰ্তা, বিজনী, ২৯ ডিচেম্বৰ** ঃ সোমবাৰে চিৰাং জিলাৰ কাজলগাঁৱত চিৰাং জিলা ইউপিপিএলৰ কাৰ্যালয়ত ইউপিপিএল দলৰ কৰ্মকৰ্তা সভা অনুষ্ঠিত হয়। আগন্তক ২০২৬ ৰ বিধানসভা নিৰ্বাচন উপলক্ষে ইউপিপিএল দলে বিটিচিক ৫টা জোন কৰি লৈ এইদৰে জোন সমূহত সভা অনুষ্ঠিত কৰি আছে। আজিৰ এই কৰ্মী সভাত ৰাজ্যসভাৰ সাংসদ ৰণগৌৰা নাৰ্জাৰী, চিদলী সমষ্টিৰ বিধায়ক নিৰ্মল কুমাৰ ব্ৰহ্ম, বিটিআৰৰ প্ৰাক্তন অধ্যক্ষ কাতিৰাম বড়ো, প্ৰাক্তন কাৰ্যবাহী সদস্য সকল ক্ৰমে উইলচন হাছদা, ৰঞ্জিত বসুমতাৰী আৰু ছাইকং বসুমতাৰী লগতে পাৰিষদ মাধৱ ছেত্ৰী উপস্থিত থাকে সভাত। সভাত চিৰাং জিলা ইউপিপিএলৰ ব্লক কৰ্মকৰ্তা সকল উপস্থিত থাকে। আগন্তক বিধান সভা নিৰ্বাচনক লৈয়ে এই জিলা পৰ্যায়ৰ সভা অনুষ্ঠিত হোৱা বুলি জনায় চিদলীৰ বিধায়ক নিৰ্মল কুমাৰ ব্ৰহ্মই। একেদৰে বিটিআৰৰ প্ৰাক্তন অধ্যক্ষ কাতিৰাম বড়োই কয় আগন্তক বিধান সভা নিৰ্বাচনক লৈ ইউপিপিএল দলে একলা চলো নীতি লৈ দলীয় প্ৰস্তুতি চলাই আছে। এনডিএ বা ইণ্ডিয়া কাৰো লগতে মিত্ৰতা নকৰে ইউপিপিএল দলে। বিটিচিৰ ১৫টা সমষ্ঠিৰ লগতে বিটিচিৰ বাহিৰতো ইউপিপিএল দলে প্ৰতিদন্দিতা কৰিব বুলি জনায় কাতিৰাম বড়োয়ে।

# অভয়াপুৰীত কচমচ ক্লাৱৰ উদ্যোগত উত্তৰ পূৰ্বাঞ্চল ভিত্তিত আয়োজিত বেডমিণ্টন প্ৰতিযোগিতাৰ সামৰণি

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ২৯ ডিচেম্বৰ** ঃ বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ সকলো শ্ৰেনীৰ লোকৰ দক্ষতা বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি অহা আগশাৰীৰ অনুষ্ঠান কচমচ ক্লাৱ, অভয়াপুৰীৰ উদ্যোগত যোৱা ২৬ ডিচেম্বৰৰ পৰা তিনিদিনীয়াকৈ উত্তৰ পূৰ্বাঞ্চল ভিত্তিত অনুষ্ঠিত প্ৰাইজমানি বেডমিণ্টন প্ৰতিযোগিতাখন আজি পুৱতি নিশা সামৰণি পৰে। কচমচ ক্লাৱ প্ৰাংগনত থকা ইনডৱ ষ্টেডিয়ামত পুৰুষ আৰু মহিলাৰ উভয় শাখাত অনুষ্ঠিত হৈছে প্ৰতিযোগিতাখনৰ ফলাফল অনুসৰি পুৰুষৰ মুকলি প্ৰতিযোগিতাৰ দ্বৈত শাখাত দ্ৰোণ বসুমতাৰীৰ (গুৱাহাটী), নিউটনৰ দলে চেম্পিয়ন, জ্যোতি বসুমতাৰী (দৰং) চৰফৰাজ হুছেইন (মংগলদৈ)ৰ দলে ৰাণাৰ্চ আপ, দ্ৰোণ বসুমতাৰী শ্ৰেষ্ঠ খেলুৱৈৰ খিতাপ দখল কৰে।২১ বছৰ অনুৰ্ধ দ্বৈত শাখাত চান্দআদিত্য গগৈ (গোলাঘাট), ৰাজদ্বীপ বৰুৱা (যোৰহাট)ৰ দলে চেম্পিয়ন, বিজিত কৰ্মকাৰ (বঙাইগাঁও), অভিজ্ঞান শইকীয়া (ডিফু)ৰ দলে ৰাণাৰ্চ আপ আৰু বিজিত কৰ্মকাৰে শ্ৰেষ্ঠ খেলুৱৈ, একক শাখাত চৰফৰাজ হুছেইন চেম্পিয়ন, শ্ৰেষ্ঠ খেলুৱৈ, চান্দ আদিত্য গগৈয়ে ৰাণাৰ্চ আপৰ খিতাপ লাভ কৰে। ১৬বছৰ অনুৰ্ধ একক শাখাত চন্দ্ৰিল শৰ্মা(মংগলদৈ) চেম্পিয়ন, শ্ৰেষ্ঠ খেলুৱৈ, চানৰাজ বসুমতাৰী (কোকৰাঝাৰ) ববববমহিলাৰ মুকলি একক প্ৰতিযোগিতাত নিশিতা দাস(ৰঙিয়া)এ চেম্পিয়ন, ইচনবী সিং(অভয়াপুৰী) ৰাণাৰ্চ আপ, খিতাপ অৰ্জন কৰে। ১৬ বছৰ অনুৰ্ধ দ্বৈত শাখাত সাহিল শিকদাৰ(বৰপেটা) চন্দ্ৰিল শৰ্মাই চেম্পিয়ন, চানৰাজ বসুমতাৰী, বিভাসব্ৰহ্ম (কোকৰাঝাৰ) ৰাণাৰ্চ আপ, চৰফৰাজ হুছেইনে শ্ৰেষ্ঠ খেলুৱৈৰ খিতাপ লাভ কৰে। ২১ বছৰ অনুৰ্ধ খেলৰ একক শাখাত চৰফৰাজ হুছেইন (মংগলদৈ) চেম্পিয়ন, শ্ৰেষ্ঠ খেলুৱৈ, চান্দআদিত্য গগৈ (গোলাঘাট) এ ৰাণাৰ্চ আপৰ খিতাপ লাভ কৰে। ছেমি ফাইনেল, ফাইনেল খেল সমূহ উদ্বোধন কৰে ক্ৰমে অভয়াপুৰীৰ সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠক, প্ৰাক্তন বিধায়ক ভূপেন ৰায় আৰু আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ ৰাণী ব্ৰহ্মই। উদ্বোধন কৰি দিয়া ভাষণত সমাজকৰ্মী পাঠকে কয় যে খেল-ধেমালি শাৰীৰিক, মানসিক আৰু সামাজিক বিকাশৰ বাবে অপৰিহাৰ্য। খেলে সুস্থ শৰীৰ, সজাগ মন আৰু দলগত ভাৱে কাম কৰাৰ মনোভাৱ দিয়ে। এই ক্ষেত্ৰত কচমচ ক্লাৱে সততে আগভাগ লৈ আহিছে বুলিও মন্তব্য কৰে পাঠকে। খেল পৰিচালনাৰ দায়িত্বত থাকে জয়দ্বীপ দাস, সমুদ্ৰ নাথ, অৰণ বৰুৱা আৰু টিংকু দাসে।

# যোৰহাটৰ আমৰাৱতী বৃদ্ধাশ্ৰমত ১৩ বছৰৰ পৰ্যালোচনা; আগন্তুক বছৰৰ পৰিকল্পনা প্ৰস্তুত

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ২৯ ডিচেম্বৰ** ঃ যোৰহাটৰ উত্তৰ দিশৰ ব্ৰহ্মপুত্ৰ কাষৰ পটীয়া-ফকলা পথাৰত ২০১২ চনৰ ২৩ জুনত প্ৰতিষ্ঠা কৰা অমৰাৱতী বৃদ্ধাশ্ৰমৰ বিগত ১৩বছৰৰ কৰ্মৰ পৰ্যালোচনা কৰাৰ লগতে আগন্তুক ২০২৬বৰ্ষৰ কৰ্মৰ পৰিকল্পনা আজি প্ৰস্তুত কৰা হয়। ২০২৫ বৰ্ষৰ পৰিচালনা সমিতিৰ শেষৰখন সভা ড° নিৰ্মল চন্দ্ৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হয়। প্ৰধান সম্পাদক বিকাশ বৰদলৈয়ে ২০১২ চনত কেৱল এখন মুকলি স্থানৰে আৰম্ভ কৰা অমৰাৱতী বৃদ্ধাশ্ৰমৰ বৰ্তমান ভূমিৰ পৰিমাণ ৪২ বিঘা বুলি কোৱাৰ লগতে এই ভূমিখণ্ডত আকৰ্ষণীয় তোৰণৰেসৈতে কেইবাটাও দুমহলীয়া অট্টালিকা, প্ৰাৰ্থনা গৃহ, চিকিৎসা কেন্দ্ৰ, জাপি সদৃশ জিৰণী গৃহ, ৰন্ধন শালা, ভোজনালয়, সভাগৃহ, পুথিভঁৰাল, কাৰ্যালয় গৃহ, আলহী থাকিব পৰা কোঠাৰ লগতে ৭০ গৰাকীৰো অধিক আৱাসী থাকিব পৰাকৈ শৌচ-প্ৰস্ৰাৱাগাৰৰ লগতে পানী যোগানৰ সুবিধাৰে কোঠাবোৰ স্থায়ীকৈ সৰ্বাংগ সুন্দৰকৈ সাজি উলিওৱা হ'ল। ফিচাৰী, ফুলনী, পোহনীয়া জীৱ-জন্তুৰে সৈতে পকী পথেৰে অমৰাৱতী বৃদ্ধাশ্ৰমলৈ যাতায়াত কৰিব পৰাকৈ সুবিধা কৰি লোৱা বৃদ্ধাশ্ৰমখনত বৰ্তমান বৰ্তমান ১৮ গৰাকী মহিলা, ২গৰাকী পুৰুষে বসবাস কৰি আছে। প্ৰায় ১০ গৰাকীৰো অধিক স্থায়ী অস্থায়ী কৰ্মচাৰীয়ে সমিতিৰ সৈতে সহযোগিতাৰে পৰিচালনা কৰি থকা অমৰাৱতী বৃদ্ধাশ্ৰমৰ বাবদ মাহেকত প্ৰায় ৫০ হাজাৰ টকা ব্যয় হয়। ৰাইজৰ দান বৰঙনিত প্ৰতিষ্ঠা আৰু পৰিচালিত হৈ থকা অমৰাৱতী বৃদ্ধাশ্ৰমত বহু গৰাকীয়ে জন্মদিন পালন কৰা লগতে অনুষ্ঠান প্ৰতিষ্ঠানেও বিভিন্ন কাৰ্যসূচী বিগত বৰ্ষসমূহত ৰূপায়ণ কৰিছে। তদুপৰি ভূমি খণ্ডত খেতি বাতি কৰি আৱাসীসকলৰ বাবে উৎপাদন কৰা হয়। চৰকাৰী পঞ্জীয়নভুক্ত অমৰাৱতী বৃদ্ধাশ্ৰমৰ বছৰি সভা অনুষ্ঠিত কৰি জড়িতসকলৰ লগতে দাতা-শুভাকাংক্ষী, বিভাগীয় বিষয়া, জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়াৰলগতে জনপ্ৰতিনিধিসকলক আমন্ত্ৰণ জনাই বৰ্ষটোত ৰূপায়ণ কৰা কৰ্মৰ লগতে উন্নয়নৰ সম্পৰ্কত অৱগত কৰাৰ উপৰি আয়-ব্যয়ৰ খতিয়ান দিয়াৰ লগতে "অমৰাৱতী' নামৰ আলোচনীত প্ৰকাশ কৰি প্ৰদান কৰা হয়। বিভিন্ন গৰাকী বৰেণ্য ব্যক্তিৰ সোঁৱৰণত পৰিয়ালৰ লোকে নিৰ্মাণ কৰোৱা কোঠা, গৃহ, পথ আদিৰে অমৰাৱতী বৃদ্ধাশ্ৰমৰ চৌহদ গছ-গছনিৰে সৈতে সুন্দৰ পৰিৱেশত বৰ্তমান গঢ় লৈ উঠিছে। এই অমৰাৱতী বৃদ্ধাশ্ৰমখন আৰু অধিক অকৰ্ষণীয় কৰাৰ লগতে আৱাসীসকলৰ সুবিধাযুক্তকৈ উদ্যান প্ৰতিষ্ঠাৰ পৰিকল্পনাৰ বিষয়ে পৰামৰ্শমূলক বক্তব্য আগবঢ়ায় প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক উপেন্দ্ৰজিৎ মহন্তই। ভালেকেইগৰাকীয়ে ব্যক্তিয়ে আগন্তুক বৰ্ষটোত অমৰাৱতী বৃদ্ধাশ্ৰমৰ চৌহদত ভালেকেইটা স্থায়ী কাৰ্য ৰূপায়ণ কৰি অমৰাৱতী বৃদ্ধাশ্ৰমক ৰাজ্যখনৰ ভিতৰৰে সৰ্বশ্ৰেষ্ঠ বৃদ্ধাশ্ৰমৰূপে গঢ়ি তুলিব বুলি প্ৰতিশ্ৰুতি দিয়াৰ কথা সভাখনত উল্লেখ কৰে। উল্লেখ্য, যোৰহাটৰ একাংশ ঠিকাদাৰে বিজুলী যোগানৰ ব্যৱস্থা কৰি দিয়াৰ উপৰি আন একাংশ লোকে চ'লাৰ লাইটেৰে অমৰাৱতী বৃদ্ধাশ্ৰম নিশা পোহৰাই ৰাখে। যোৰহাট চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ৰ চিকিৎসকে আৱাসীসকলৰ স্বাস্থ্য বিনামূলীয়াকৈ পৰীক্ষা কৰাই থকাৰ লগতে ঔষধ প্ৰদান কৰি আহিছে। বিভিন্ন চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে বিভিন্ন সা-সামগ্ৰীৰ লগতে কাপোৰ-কানি, শয়ন সামগ্ৰী যোগান ধৰি থকা অমৰাৱতী বৃদ্ধাশ্ৰমলৈ সহায়-সাহায্য কৰিব বিচৰাসকলক ফোন-৯৪৩৫৩৫৩৭২৪, ৭০০২৭১৬৮২৬ৰ সৈতে যোগাযোগ কৰিবলৈ সমিতিৰ তৰফৰ পৰা আহবান জনাইছে।

এপিডিচিএলৰ বিষয়া দিপজ্যোতি বৰাৰ অব্যৱস্থাপনাক লৈ উত্তৰ গুৱাহাটীত তীব্ৰ ক্ষোভ

# উত্তৰ গুৱাহাটীত উচ্চ বিদ্যুত পৰিবাহী তাঁৰৰ পৰা ভয়াৱহ অগ্নিকাণ্ড

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৯ ডিচেম্বৰ** ঃএপিডিচিএল আমিনগাঁও উপসংমণ্ডলৰ দায়িত্বশীল বিষয়া দিপজ্যোতি বৰাৰ একপ্ৰকাৰৰ ময়মতালিৰ ফলত উত্তৰ গুৱাহাটী ৰজাদুৱাৰৰ মধ্যমখণ্ড পাৰঘাট অঞ্চলত সৰ্বসাধাৰণ ৰাইজৰ জীৱন আৰু সম্পত্তিৰ প্ৰতি গুৰুতৰ ভাবুকিৰ সৃষ্টি হৈছে। অঞ্চলটোত স্থাপন কৰা উচ্চ বিদ্যুত পৰিবাহী তাঁৰৰ পৰা কালি নিশা সংঘটিত হোৱা ভয়াবহ অগ্নিকাণ্ডে সমগ্ৰ অঞ্চলবাসীক আতংকিত কৰি তুলিছে। উল্লেখযোগ্য যে পাৰঘাটৰ সন্মুখত থকা নাৰিকল গছৰ একেবাৰে কাষেৰে গাতে লগাই নিম্নমানৰ লিক থকা উচ্চ বিদ্যুত পৰিবাহী ৩৩ হাজাৰ ভল্টেজ থকা তাঁৰ টানিবলৈ লৈছিল ঠিকাদাৰে। এইসন্দৰ্ভত প্ৰায় ৪।৫ মাহ আগতেই স্থানীয় ৰাইজে আৰু গৃহস্থ মুকুটেশ্বৰ গোস্বামীৰ পৰিয়ালে এছডিই' দিপজ্যোতি বৰাক তাঁৰ আণ্ডাৰগ্ৰাউণ্ড কৰি নিবলৈ বাৰম্বাৰ দাবী জনাইছিল। প্ৰথমে বিষয়টোত সঁহাৰি জনোৱা হৈছিল যদিও পিছলৈ ঠিকাদাৰৰ সৈতে কিবা বুজাবুজি কৰি আগৰ পৰিকল্পনাৰ পৰিবৰ্তে বিপদজনকভাৱে গছৰ গাতে লগাই তাঁৰ টানি দিয়াৰ অভিযোগ উত্থাপিত হৈছে। এই নিম্নমানৰ আৰু লিক থকা তাঁৰৰ বাবে ইতিমধ্যে কেইবাবাৰো নাৰিকল গছত জুইলাগি আহিছিল। অৱশেষত ২৬ তাৰিখে নিশা উচ্চ বিদ্যুত পৰিবাহী তাঁৰৰ সংস্পৰ্শত নাৰিকল গছত দপদপাই জুই জ্বলি উঠে। ঘটনাস্থলীত আৰক্ষী আৰু অগ্নি নিৰ্বাপক বাহিনীৰ তৎপৰতাৰে কথমপি কেইবাখনো ব্যৱসায়িক প্ৰতিষ্ঠান আৰু বহু লোকৰ ঘৰ ৰক্ষা পৰে। নাৰিকল গছ আৰু আশেপাশৰ অংশ সম্পূৰ্ণৰূপে জাহ যায়। অঞ্চলবাসীৰ অভিযোগ অনুসৰি, দীপজ্যোতি বৰা নামৰ বিষয়াগৰাকী আৰু সংশ্লিষ্ট ঠিকাদাৰৰ দায়িত্বহীন সিদ্ধান্তৰ ফলত আজি অঞ্চলবাসীয়ে স্থায়ী আতংকৰ মাজত দিন কটাবলগীয়া হৈছে। ৰাইজে দাবী জনাইছে যে অনতিপলমে এই উচ্চ বিদ্যুত পৰিবাহী তাঁৰ সলনি কৰি আণ্ডাৰগ্ৰাউণ্ড নকৰিলে ভৱিষ্যতে ইয়াত ডাঙৰ ধৰণৰ দুৰ্ঘটনা সংঘটিত হোৱাটো অনিবাৰ্য। এপিডিচিএলৰ উৰ্দ্ধতম কৰ্তৃপক্ষই এই অতি স্পৰ্শকাতৰ বিষয়টোত তাৎক্ষণিক হস্তক্ষেপ কৰি এই কাৰ্যৰ বাবে দায়ী বিষয়াসকলৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ ব্যৱস্থাগত পদক্ষেপ লোৱাৰ দাবী জনাইছে অঞ্চলবাসী ৰাইজে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন